CONTENTS

BUDGET SESSION

NO. 2

Dated, the 30 th June, 2009.

1.	Questions and Answers	1
2.	Point of Order	83
3.	Report of the Business Advisory Committee	84
4.	Discussion on the Supplementary Statement of Expenditure Charged on the Consolidated Fund of the State for the year 2009-2010	87
5.	Voting on Supplementary Demands for Grants	87
6.	Introduction, Consideration and Passing of The Assam Appropriation (No.-1) Bill, 2009	126
7.	Announcement from the Chair	132
8.	Adjournment	132
9.	Annexure I - XXXVII	133

আৰু পুনৰ সংস্থাপন কৰা হৈছিল বিতংকৈ জনাবনে?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ সাহায্য আৰু পুনৰ সংস্থাপন শাখা) ৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মৃত ব্যক্তিৰ সংখ্যা ৯৩ জন আৰু উপায়ুক্তৰ প্রতিবেদন মতে আহত ব্যক্তিৰ তথ্য নাই। ১৭৯৮ টা পৰিয়ালৰ বাসগৃহ ক্ষতিগ্রস্ত হয়।

(খ) মৃতকৰ নিকটতম আত্মীয়ৰ পৰিয়লে প্রতি ৩,০০,০০০/-(তিনি লাখ) টকাকৈ মুঠ ২,৭৯,০০,০০০/- টকা আৰু ক্ষতিগ্রস্ত পৰিয়াল সমূহক পৰিয়ালেপ্রতি ১০,০০০/- (দহ হাজাৰ) টকাকৈ পুনৰ সংস্থাপনৰ বাবে মুঠ ১,৭৯,৮০,০০০/- টকা সাহায্য দিয়া হয়।

★ ডাঃ আদিত্য লাংথাচা ঃ - অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটো আছিল ২০০৫ চনত কার্বি আংলং জিলাত গোষ্ঠীগত সংঘর্ষত কিমান জন লোক হতাহত হৈছিল আৰু কিমানটা ঘৰ ভষ্মীভূত হৈছিল? এই ক্ষেত্রত মন্ত্রী মহোদয়ে উত্তৰ দিছে যদিও কথাবিলাক স্পষ্ট হোৱা নাই। এই সংঘর্ষত মৃত্যু হোৱা লোকৰ সংখ্যা দিয়া হৈছে যদিও আহত লোক সকলৰ তথ্য চৰকাৰৰ হাতত নাই বুলি কৈছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে আহত লোক সকলৰ তালিকা প্রস্তুত কাৰ হোৱা নাছিল নেকি? ২০০৫ চনত গোষ্ঠীগত সংঘর্ষত যি সকল পৰিয়ালৰ ঘৰ ভষ্মীভূত হৈছিল সেই সকল লোকৰ আটাইকে পুনৰ সংস্থাপন কৰা হৈছে নে নাই? মই জনাত বহুতো গাৱঁলৈ মানুহ এতিয়াও ঘুৰি যাব পৰা নাই। কার্বি আংলং জিলাৰ থুমপ্রেং নামৰ ডিমাচা গাৱঁৰ লোক সকলক কি ধৰণে পুৰন সংস্থাপনৰ ব্যৱস্থা হৈছে? সেই ক্ষেত্রত যথেষ্ট খেলি মেলি পৰিলক্ষিত হৈছে। মন্ত্রী মহোদয়ে মৃত লোক সকলৰ ক্ষেত্রত তিনি লাখকৈ টকা দিয়া বুলি কৈছে যদিও আহত লোক সকলৰ কথা উল্লেখ কৰা নাই। মই তেখেতৰ পৰা জানিব খুজিছো যে যি সকল লোক গুৰুতৰ ভাৱে আঘাটপ্রাপ্ত হৈছিল তেওঁলোকক স্থানীয়ভাবে চিকিৎসা কৰাৰ বাহিৰে উন্নত চিকিৎসাৰ বাবে কোনো ডাঙৰ হস্পিতেল বা ৰাজ্যৰ বাহিৰত চিকিৎসা কৰাৰ ব্যৱস্থা কৰা হোৱা নাছিল

★ Speech not corrected

নেকি? এই সংঘর্ষত যি সকল লোকৰ মৃত্যু হৈছিল তেওঁলোক সংঘর্ষতে হওক বা পুলিচৰ গুলিতে হওক মৃত্যু বৰণ কৰা সকলো লোকে এই সাহার্য পোৱাৰ যোগ্য হয় নে নহয় আৰু যদি হয় তেনেহ'লে সেই লোক সকলৰ পৰিয়ালে এই পইচাবোৰ পাইছে নে নাই? তাৰোপৰি পুনৰ সংস্থাপনৰ নামত যি দহ হাজাৰকৈ টকা দিয়া হৈছে বুলি কৈছে সেইটো যথেষ্ট নহয়। গতিকে এইটো বৃদ্ধি কৰিব পাৰিলে ভাল হয়।

★ ডাঃ ভূমিধৰ বর্মণ (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে আহত লোক সকলৰ চিকিৎসা ব্যৱস্থা আৰু ঘৰ দুৱাৰৰ ক্ষয়-ক্ষতি সাহায্য সংক্রান্তত যিখিনি কথা উৎথাপন কৰিছে সেই ক্ষেত্রত মই কওঁ যে সেই সময়ত মই স্বাস্থ্য মন্ত্রী আছিলো আৰু মই নিজে ক্ষতিগ্রস্থ লোক সকলক কেম্পত লগ ধৰি চিকিৎসা আৰু অন্যান্য সাহায্য দিয়াৰ ব্যৱস্থা কৰিছিলো। মৃত লোক সকলৰ ক্ষেত্রত তিনি লাখকৈ টকা আৰু ঘৰ দুৱাৰ মেৰামতিৰ কাৰণে দহ হাজাৰকৈ টকা দিয়া ব্যৱস্থা কৰা হৈছিল। এতিয়া মাননীয় সদস্য গৰাকীয়ে ক্ষতিগ্রস্ত সকলো লোকে ক্ষতিপূৰণ পোৱা নাই বুলি যদি ভাবিছে তেনেহলে আমাক সম্পূর্ণ তথ্য জনালে আমি দিয়াৰ ব্যৱস্থা কৰিব পাৰিম। মই মাননীয় সদস্য গৰাকীক জনাব খোজো যে আগতে মৃতক সকলৰ কাৰণে এক লাখকৈ টকা দিয়া হৈছিল। ২০/৬/২০০৪ চনৰ পৰা এইটো বৃদ্ধি কৰি তিনি লাখ কৰা হৈছে। আগতে চিকিৎসা কাৰণে ২০ হাজাৰকৈ টকা দিয়া হৈছিল। সেইটো এতিয়া আঘাত অনুসৰি বৃদ্ধি কৰি ৫০ হাজাৰ পর্য্যন্ত কৰা হৈছে। ইয়াৰোপৰি সন্ত্রাসবাদীৰ হাতত আঘাত প্রাপ্ত লোকক প্রয়োজন সাপেক্ষে উচ্চ চিকিৎসালয় বা ৰাজ্যৰ বাহিৰলৈ ৰেফাৰ কৰাৰ কাৰণেও আমি ব্যৱস্থা গ্রহণ কৰিছো।

★ **শ্রী চন্দ্র মোহন পাটোৱাৰী** ঃ অধ্যক্ষ মহোদয়, আমি জানিব বিচাৰিছোঁ চৰকাৰৰ হাতত এই গোষ্ঠী সংঘর্ষত আহত, নিহত আৰু ক্ষতিগ্রস্ত সকলৰ তথ্য আছে নেকি? এই ক্ষতিগ্রস্ত হোৱা পৰিয়াল সকলৰ কিমান পৰিয়ালে পুনৰসংস্থাপন নোপোৱাকৈ আছে? টকা পইচাৰ অভাৱতে হওক বা যি কোনো কাৰণতে নহওক কিয় এইলোক

★ Speech not corrected

সকলে কি কাৰণত আগৰ নিচিনাকৈ নিজৰ গাঁৱলৈ গৈ বসবাস কৰিব পৰা নাই, এই তথ্য চৰকাৰৰ হাতত আছে নে নাই।, যদি আছে এই সকলৰ কিমানঘূৰি যাব পৰা নাই ? আমি জনাত চৰকাৰৰ ফালৰ· পৰা যি ঘৰ সজাই দিয়া হল তালৈ গৈ মানুহে এতিয়াও বসবাস কৰিব পৰা নাই। এই বিলাক তথ্য চৰকাৰৰ হাতত আছে নে নাই ? যদি নাই, তেন্তে চৰকাৰে এতিয়া এই পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে ?

★ **ডাঃ ভূমিধৰ বর্মন (ৰাজহ মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোঁৱেই যে তেওঁলোকক টকা দিয়া আৰু ঘৰ দুৱাৰ আদি সজাই দিয়াৰ পিছত তেওঁলোক নিজ নিজ ঠাইলৈ গুচি গৈছে। এই সংস্থাপন বা সাহায্য আদি দিয়া হয় মণ্ডলৰ ৰিপ'র্ট আদিৰ ওপৰত নির্ভৰ কৰি। ক'ৰবাত হয়তো কাৰোবাৰ কিবা অৱহেলাত কিবা ৰৈ যাব পাৰে। মাননীয় বিৰোধী দলৰ দলপতি পাটোৱাৰী ডাঙৰীয়াই যি কৈছে তেনে ধৰনৰ কিবা থাকিলে আমাক নাম আদি দি দিলে আমি ব্যৱস্থা লম। আমি সদায়ে এই ডিষ্ট্রেচ্ সকলক ফার্ষ্ট প্রায়ৰিটী দিওঁ। আমি সেইদৰে সহায় কৰিব বিচাৰোঁ। সেয়ে এই ক্ষেত্রত কৰ'বাত কিবা ৰৈ গৈছে যদি আমি উপায়ুক্ত সকলক কৈ ব্যৱস্থা লবলৈ কম।

★ **শ্রী পৰিমল শুক্লবৈদ্য** ঃ অধ্যক্ষ মহোদয়, এই যিটো গোষ্ঠী সংঘর্ষত ক্ষতিগ্রস্থ হোৱা লোকক কিবা পুনৰ সংস্থাপন দিয়া হৈছে সেইটো আমি জনাত ১০ হাজাৰ টকাকৈ দিয়া হয়। কিন্তু আজি এই ১০ হাজাৰ টকাৰ মূল্য কিমান? কি বস্তু পায় এই টকাত? গতিকে আমাৰ ইন্দিৰা আবাস যোজনাৰ বাবে ঘৰৰ কাৰনে যি দৰে ৩৮ হাজাৰ ৫শ' টকা দিয়া হয় অন্ততঃ এই ক্ষেত্রতো সেইদৰে দিলে ভাল হয়। কাৰন ১০ হাজাৰ টকাত ঘৰ হোৱা সম্ভৱ নহয়। এই ক্ষতিগ্রস্ত লোক সকল বি পি এল তকৈও তলৰ অৱস্থাৰ। সেয়ে পুনৰ সংস্থাপন দিয়াৰ সময়ত এই কথা বিলাক অলপ চালে ভাল

★ Speech not corrected

হয়। মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰোঁ যে এই ১০ হাজাৰ টকাৰে ঘৰ নহয়, সেয়ে এই কথা বিলাক অলপ বিবেচনা কৰি চাব লাগে। মই মন্ত্রী মহোদয়ক এইখিনিতে ইয়াৰ বাবে অনুৰোধ জনালো। এই ক্ষেত্রত ব্যৱস্থা লবনে?

☆ **শ্রী ভূমিধৰ বর্মন (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে অৱগত কৰিছে যে ১০ হাজাৰ টকাত ঘৰ এটা কেনেকৈ হব? কথাটো লোহোৱা নহয়। এতিয়া বয় বস্তুৰ দাম বাঢ়িছে, কিন্তু কথাটো হল এই আচঁনিবোৰ ২০০৫ চনৰে। এতিয়া অৱশ্যে গাইড লাইন সলনি হৈছে পকী ঘৰ পৰি গলে বা ভাঙি গলে ২৫ হাজাৰ টকাকৈ আৰু কেচা ঘৰ হলে ১০ হাজাৰ টকাকৈ দিয়া হয়। তাৰোপৰি গৰু গাই আদি হানি হলে বা বাড়ীঘৰ ধ্বংস হলে তাৰ বাবে রেলেগে দিয়া হয় টকা। বিভিন্ন ধৰনে মানুহক সাহায্য দিয়া হয়। এইটো সাধাৰণতে উপায়ুক্তৰ ৰিপর্টৰ ওপৰত ভিত্তি কৰি দিয়া হয়। সদস্য গৰাকীয়ে যিটো কৈছে বয় বস্তুৰ দাম বাঢ়িছে, গতিকে টকা বঢ়াব লাগে। এই কথাটো আমি পৰীক্ষা কৰি চাম আৰু প্রয়োজন হলে কেন্দ্রলৈ লিখিব লাগিব। কাৰন এই বিলাক কেন্দ্রৰ পৰা হে আহে, আমি নিজে দিব নোৱাৰোঁ। সিদ্ধান্ত কেন্দ্রই লব।

★ Shri Sirajuddin Ajmal : I would like to draw the attention of Hon'ble Minister that such incidents are happening in other parts of the state. So, relief should be provided to all of them. Secondly, I would like to request the Hon'ble Minister to provide district-wise fund for this purpose.

★ **শ্রী ভূমিধৰ বর্মন (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, হয়, এইটো সকলোতে সমান ভাৱে পাব লাগে। আমি জনাত সকলোৰে সমানভাৱেই পাই আছে। কৰবাত যদি কিবা বিসঙ্গতি ৰৈ গৈছে আমি চাম।

★ Speech not corrected

★শ্রী পদ্ম হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে ক্ষতিগ্রস্ত সকলৰ কৰবাত কোনোবা বৈ গৈছে নেকি সেইটো জনালে তেখেতে ব্যৱস্থা লব। কিন্তু মই যোৱা বিধানসভাৰ সময়তে গজেন বসুমতাৰী বুলি এজন মানুহৰ উগ্রপন্থীৰ হাতত মৃত্যু হয় আৰু লগতে আন তিনিজনমান যুবকো নিহত হয়। এই ক্ষেত্রত সাহায্যৰ বাবে অনুৰোধ জনাইছিলোঁ? কিন্তু আজি ডেৰ বছৰ হৈ গ'ল, একো সাহায্য পোৱা নাই। সেই সময়ত আশ্বাসো দিছিল চৰকাৰৰ ফালৰ পৰা। কিন্তু আজিলৈকে একো পোৱা নাই। এইক্ষেত্রত এই নিহত গজেন বসুমতাৰীৰ পৰিয়লটোৰ সাহায্যৰ ব্যৱস্থা কৰিব নেকি?

মাননীয় অধ্যক্ষ ঃ এইটো বেলেগ প্রশ্ন হিচাপে আহিব লাগিব।

Now, Starred Question No. 22, Hon'ble Member, Md. Mohibul Hoque.

বিষয় ঃ CRF পুঁজি।

মোঃ মহিবুল হকে সুধিছে ঃ

★২২। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ৩ বছৰত কোন কোন জিলাত কি কি আঁচনি CRF পুঁজিৰে সামৰি লোৱা হৈছে?

(খ) যোৱা ৩ বছৰত গৌৰীপুৰ সমষ্টিৰ বিভিন্ন এলেকা। প্রাকৃতিক দুর্য্যোগত ক্ষতিগ্রস্ত হোৱাকে ধৰি চৰকাৰে জিলাখনৰ পৰা কি কি আঁচনি পাইছিল আৰু ইয়াৰে কোন কোন আঁচনি ৰূপায়ণ কৰা হৈছে?

(গ) গৌৰীপুৰ সমষ্টি বাংলাদেশ সীমান্তৱর্ত্তী হোৱাৰ বাবে CRF পুঁজি আবণ্টন নিদিয়ে নেকি?

★ Speech not corrected

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ৩ বছৰত চি আৰ এফ আঁচনিত বিভিন্ন জিলালৈ অনুমোদন জনোৱা আঁচনিৰ তালিকা 'ক' পৰিশিষ্টত দাখিল কৰা হ'ল। (See Annexure–I)

(খ) যোৱা ৩ টা বছৰত প্রাকৃতিক দুৰ্য্যোগত ধুবুৰী জিলাত ক্ষতিগ্রস্থ ৰাস্তা-ঘাট, দলং, মথাউৰি আদিৰ মেৰামতিৰ বাবে উপায়ুক্ত মহোদয়ে গৌৰীপুৰ বিধান সভাৰ অন্তর্গত এলেকাৰ ৯ টা আঁচনিকে ধৰি মুঠ ৮৬ টা আঁচনিৰ প্রাক্কলন দাখিল কৰিছিল। ইয়াৰ ভিতৰত ২০০৬-০৭ বিত্তীয় বর্ষত ২ টা আঁচনি আৰু ২০০৮-০৯ বিত্তীয় বর্ষত ৩ টা আঁচনি ৰূপায়ণৰ বাবে চি আৰ এফ ৰ ধন মঞ্জুৰ কৰা হৈছিল। ৰূপায়ণৰ বাবে অনুমোদন জনোৱা আঁচনিৰ তালিকা 'খ' পৰিশিষ্টত দাখিল কৰা হল। (See Annexure–II)

(গ) গৌৰীপুৰ সমষ্টি ভাৰত-বাংলাদেশ সীমাৰ ওচৰৰ বাবে চি আৰ এফ আঁচনিত পুঁজি নিদিয়াৰ কথাটো সঁচা নহয়।

★ মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা চিৰিয়াচ এলিগেচন আনিব বিচাৰিছো। মোৰ ৪ টা প্রশ্নৰ ভিতৰত ১, ২ আৰু ৪ টো আছে। মাজতে ৩নং প্রশ্নটো নাই। (বহুকেইজন সদস্যই একেলগে কোৱাত হুলুস্থূল হয়) ..... অধ্যক্ষ মহোদয়, এই বিধানসভা পাতিছে ৰাইজৰ অভাৱ অভিযোগ প্রতিফলিত কৰাৰ কাৰণে। সেই কাৰণে আমাৰ প্রশ্ন বিলাকৰ উত্তৰ আহিব লাগিব।

মাননীয় অধ্যক্ষ ঃ বিধানসভাত যেতিয়া প্রশ্ন বিলাক অনা হয় সেই প্রশ্ন বিলাক ৩৭ নং ৰুলত চালি-জাৰি চোৱা হয়।

মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আর্কষণ কৰিব বিচাৰিছো। চি, আৰ, এফ ফাণ্ডৰ

★ Speech not corrected

টকা অসমৰ প্ৰত্যেখন জিলাতে সমভাবে নাপায় নেকি? সমগ্ৰ অসমত যেতিয়া বানপানী হয় তেতিয়া ধুবুৰী আৰু গোৱালপাৰা জিলাত আন জিলা বিলাকতকৈ পানী পিচত শুকায়। আন জিলাত যদি ১০ দিনত পানী শুকায় তেতিয়াহলে ধুবুৰী আৰু গোৱালপাৰা জিলত পানী শুকাওতে ২০ দিন লাগে। গতিকে ধুবুৰী আৰু গোৱালপাৰা জিলা দুখন স্বাভাবিকতে বানপানীত বেচিকৈ খতিগ্ৰস্ত হয়। ধুবুৰী জিলাত চি, আৰ, এফৰ স্কীম দিওতে কেনেভাবে ডিচক্ৰিমিনেচন হৈছে সেইটো মন্ত্ৰীমহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। চি, আৰ, এফ স্কীমত ২০০৬-০৭ ত নলবাৰী জিলাত ৯৭ টা আৰু ধুবুৰী জিলাত মাত্ৰ ২ টা স্কীম লোৱা হৈছে। আনহাতে কামৰূপ জিলাত ৭৯ টা স্কীম লোৱা হৈছে। ঠিক তেনেদৰে নলবাৰী জিলাত ৯৭ টা আৰু শিৱসাগৰ জিলাত ৩৩ টা স্কীম লোৱা হৈছে। হাইলাকান্দিত ২৪ টা, কৰিমগঞ্জত ১৪ টা স্কীম লোৱা হৈছে। ২০০৬-০৭ ত ধুবুৰী আৰু গোৱালপাৰাত নিল। ২০০৮-০৯ ত ধুবুৰীত মাত্ৰ ৩টা স্কীম। আনহাতে নলবাৰী জিলাত চি, আৰ, এফৰ অধীনত ৪৩টা স্কীম লোৱা হৈছে। অধ্যক্ষ মহোদয়, য'ত যিমান পাৰে দি থাকক তাত আমাৰ কোনো আপত্তি নাই, কাৰণ ৰাজ্যখনৰ সামগ্ৰীক উন্নতি হোৱাতো আমি বিচাৰো। কিন্তু কথা হ'ল বাকী জিলা বিলাকত যদি দিব পাৰে আমাৰ ধুবুৰী জিলাখনত কিয় দিব নোৱাৰে। আমাৰ জিলাখনক কিয় অৱহেলা বা মাহী আইৰ চকুৰে চোৱা হৈছে। গতিকে চি, আৰ, এফৰ ফাণ্ড ধুবুৰী জিলাতো দিয়াৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

★ ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, চি, আৰ, এফৰ গাইড লাইন মতে উপাযুক্ত সকলে কি কি আচঁনি লব লাগে সেই বিলাক আঁচনি তেওঁলোকে লয়। তাৰোপৰি এই সংক্ৰান্তত এখন কমিটি আছে। সেই কমিটিৰ মুখ্য সচিব, সভাপতি আৰু বিত্ত বিভাগৰ প্ৰিঞ্চিপাল চেক্ৰেটাৰী আৰু গড়কপ্তানী বিভাগৰ কমিচনাৰ আদিও আছে। সেই কমিটিয়ে সিদ্ধান্ত বিলাক লয়। আৰু যদি মোক কোনোৱা মাননীয় সদস্যই

★ Speech not corrected

কিবা লিখি পঠাই তেতিয়াহলে মই সেই বিলাক পঠাই দিও আৰু তেওঁলোকে পৰীক্ষা কৰি দিয়ে। মাননীয় সদস্য, শ্রীহক ডাঙৰীয়াইও মোক দিছিল সেইটো পাইছে। আৰু আন মাননীয় সদস্য যিসকলে কৈছে তেখেতসকলেও পাইছে। মাননীয় সদস্য, শ্রীনুৰুল হুছেইন ডাঙৰীয়াইও এটা কৈছিল আৰু সেইটো পাইছে। বি, জে, পিৰ মাননীয় সদস্য এজনেও কৈছিল তেখেতকো দিয়া হৈছে। আচলতে এই বিলাক জিলা ভিত্তিত নহয় ক্ষতিগ্রস্ত অঞ্চলতহে দিয়া হয়। ৮৭ টা ব্রিজৰ ভিতৰত ৮৪ টা কৰা হৈছে। ঠিক তেনেকৈ এতিয়াও প্রচেচ চলি আছে। য'ত পোৱা নাই পাব। ৫১১ কোটি টকা জমা আছে। প্রয়োজন সাপেক্ষে যিবিলাকত দিব লাগে দিয়া হব। আমাৰ মাননীয় মুখ্য মন্ত্রীয়েও কৈছে যে যিবিলাক ঠাইত বানপানীয়ে ক্ষতি কৰিছে সেই বিলাক ঠাইত সাহার্য্য দিব লাগে। ভাৰত চৰকাৰৰ গাইড লাইন আছে। উপায়ুক্তৰ পৰা আহিব লাগে। মাননীয় সদস্য, ডাঃ কলিতাৰ সমষ্টিটো দিয়া হৈছে। মাননীয় সদস্য, শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াইও বিধান সভাত কৈছিল তাৰ পিচত আমি দিছো। আমাৰ মাননীয় সদস্য, শ্রীউদ্ধব বর্মন ডাঙৰীয়াৰ সমষ্টিটো দিয়া হৈছে। গতিকে আমাক যদি কোনেৱাই লিখি দিয়ে তেতিয়াহলে একচন লম। কথাটো হ'ল উপায়ুক্তৰ পৰা প্রপোজেল আহিব লাগিব তেতিয়াহে হব। মই চেংচন কৰিব নোৱাৰো। মাননীয় মুখ্য মন্ত্রীয়ে কেইদিনমান আগতে কৈছে যে এই কাম বিলাক ভালকৈ হব লাগে। প্রত্যেক সমষ্টিত যাতে কাম হয় সেইটো আমি চাম। কিন্তু উপায়ুক্তৰ পৰা আহিব লাগিব আৰু চি, আৰ, এফ কমিটিত চিলেক্ট হব লাগিব। ধুবুৰী জিলাত দিয়া হৈছে আৰু এতিয়া যদি উপায়ুকৰ পৰা পঠোৱা হৈছে সেইটো আমি চাম।

★ মোঃ মহিবুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ধুবুৰী জিলাত এতিয়ালৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই। আমাৰ ধুবুৰী জিলা খন বানপানী অধ্যুষিত অঞ্চল। ধুবুৰী জিলাত তিনি বছৰৰ ভিতৰত কোনো কাম

* Speech not corrected

হোৱা নাই। গতিকে মই মন্ত্রীমহোদয়ক অনুৰোধ জনাইছো যাতে আমাৰ ধুবুৰী জিলাৰ লগতে গৌৰিপুৰ সমষ্টিৰ কাম খিনি হয়। ডি, চি, য়েও চি আৰ এফৰ তিনিটা স্কীম হাতত লৈছে কিন্তু একো কৰা নাই। গৌৰিপুৰ সমষ্টিৰ স্কীম হাতত লোৱা হৈছে, কিন্তু স্কীমটোৰ ৰিপ্লাই অহা নাই। গাইপকৰি দিছে। তেখেত চিনিয়ৰ মানুহ, গতিকে মই মন্ত্রী মহোদয়ক অনুৰোধ জনাওঁ যাতে গৌৰিপুৰ, নলবাৰী, ধুবুৰী, ধেমাজী জিলা কেইখনৰ কাম সোনকালে কৰা হয়।

(সদনত ..... গোলমাল .....)

★ ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানীত যিবিলাক ঠাই ক্ষতিগ্রস্ত হৈছে সেইবিলাক কমিটিয়ে নিৰ্বাচন কৰি দিয়ে আৰু ডি, চিৰ পৰা আহে, তাত যদি কোনোৱাই কৱবাত পোৱা নাই, মোৰ দৃষ্টি গোচৰ হয়, তেতিয়া হলে মই ব্যৱস্থা কৰি দিম।

★ ডাঃ কমলা কান্তি কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ছয়গাওঁ, গড়ৈ মাৰীৰ কাৰণে ডি, চিৰ পৰা ৫ কোটি বিচৰা হৈছে। তাৰে ৫০ লাখ টকা চি, আৰ, এৰ পৰা দিছে। ডি, চিৰ পৰা প্রপ'জেলটো আহিছে যেতিয়া বাৰিষাৰ আগতে কাম কৰিব লাগে নহলে গড়ৈমাৰী, সোণতলী ব্রহ্মপুত্রৰ বুকুত নিঃচিন্ন হৈ যাব। লগতে ২ শ ৭০ হেক্টৰ মাটি সংৰক্ষণ কৰিব লাগে।

★ শ্রী ৰঞ্জিত দত্ত ঃ মাননীয়, অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে চি, আৰ, এফৰ টকা যিমান আছে বুলি কৈছে সেই হিচাবে শোণিতপুৰ জিলাত গড়া খহনীয়া হৈ আছে। ডি, চিয়ে নিৰ্দ্দেশ দিব লাগে যাতে চি, আৰ এফৰ ফাণ্ড দিয়ে। ডি, চিক চেয়াৰমেন কৰি জিলা পৰ্য্যায়ৰ এখন চি, আৰ, এফ, কমিটি আছে সেইখন এতিয়াও বাহাল আছে নেকি? মিটিং কেতিয়া বহিব লাগে কিবা নিৰ্দ্দেশ আছে নেকি?

★ ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, শোণিতপুৰ জিলাৰ গড়া

* Speech not corrected

খহনীয়াৰ কথা কৈছে। সেইটো আমি চাম। ডি, চিয়ে পঠালে সুবিধা হয়। ডি, চিয়ে পঠোৱা নাই। বিশেষ কিবা থাকিলে লিখি দিলে ভাল হয়।

☆ শ্রীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, চি. আৰ. এফ.ৰ অধীনত যিবিলাক আঁচনি গ্রহণ কৰা হৈছে সেইবোৰ গাইড লাইন মতে কৰা হৈছে নে নাই সেইটো ভালদৰে চাব লাগে। আমি বহুতো ক্ষেত্রত দেখিবলৈ পাইছো যে যিবিলাক ঠাইত প্রতি বছৰে বানপানী হৈ আছে আৰু ৰাস্তা ঘাট ভাঙি চিঙি নিছে সেইবিলাক ঠাইৰ ৰাস্তা মেৰামতি বা নির্মাণ নকৰি বানপানী নোহোৱা ঠাইৰ ৰাস্তা নির্মান কৰা হৈছে। এই স্কীমবোৰ ঠিকাদাৰ সকলে বনাই দিয়া স্কীম অনুসৰি কৰা হৈছে নে উপায়ুক্তই দিয়া স্কীম অনুসৰি হৈছে সেইটো ভালদৰে চাব লাগে। মোৰ সমষ্টিটোত প্রতি বছৰে বানপানী হয় আৰু ৰাস্তা ঘাটৰ অৱস্থা একেবাৰে বেয়া। তথাপিও জলসম্পদ বিভাগ বা চি. আৰ. এফ.ৰ এটা পইচাও আমি পোৱা নাই। গতিকে বানপানী আৰু গৰাখহনীয়াই সৃষ্টি কৰা সমস্যা সমূহৰ ক্ষেত্রত ৰাস্তা পদুলিবোৰ অতি সোনকালে মেৰামতি কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে আৰু জিলাৰ উপায়ুক্ত সকলে যিবোৰ স্কীম দিয়ে সেইমতে গাইড লাইন অনুসৰি কামবোৰ কৰিব লাগে। এই ক্ষেত্রত মই মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে ৰঙিয়া-ৰাজহ চক্রত প্রতি বছৰে বানপানী হৈ আছে আৰু তাত ৰাস্তা ঘাটৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। গতিকে সেইবোৰ মেৰামতি কিম্বা নির্মানৰ কাৰনে উপায়ুক্তই কি ৰিপর্ট দিছে আৰু সেই ক্ষেত্রত কিবা ব্যৱস্থা গ্রহণ কৰিছে নেকি?

★ শ্রীভূৱন পেগু ঃ অধ্যক্ষ মহোদয়, গাই নদীৰ মথাউৰিৰ কাৰণে এক কোটি টকা দিয়া হৈছিল। কিন্তু তাত আজিলৈকে কাম হোৱা নাই। এই বিষয়ে মন্ত্রী মহোদয়ে জনাব নেকি?

মাননীয় অধ্যক্ষ ঃ ইয়াৰ পিচতো ৰাজহ বিভাগৰ ওপৰত আলোচনা হব। গতিকে

---

* Speech not corrected

এই বিষয়ত তেতিয়া আলোচনা কৰিব পাৰিব।

★ শ্রীনুৰুল হুছেইন ঃ অধ্যক্ষ মহোদয়, বানপানীত ক্ষতিগ্রস্ত লোক সকলক সাহার্য্য দিয়া হৈছে বুলি কৈছে যদিও মোৰ সমষ্টিত এই টকা আজিলৈকে কোনেও পোৱা নাই। যিবিলাক টকা দিয়া বুলি কৈছে সেইবিলাক টকা বন্ধ হৈ আছে। গতিকে এই টকা বিলাক সোনকালে আদায় দিয়াৰ ব্যৱস্থা কৰিব নে? আন এটা কথা হ'ল ২০০৫ চনতে আর্মিৰ গুলীত নিহত হোৱা ব্যক্তিৰ পৰিয়ালে আজিলৈকে কোনো সাহায্য পোৱা নাই। এই ক্ষেত্রতো ব্যৱস্থা গ্রহণ কৰিব লাগে।

★ ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, গাই নদীৰ মথাউৰিৰ ক্ষেত্রত মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো মোক ভালদৰে বুজাই দিলে মই চোৱা চিতা কৰি কব পাৰিম। মাননীয় সদস্য শ্রীহুছেইন ডাঙৰীয়াই চেংচন হোৱাৰ পিচতো টকা পোৱা নাই বুলি কৈছে। টকা এটা চেংচন হোৱাৰ পিচত লগে লগে পাব লাগে। নোপোৱাটো বেয়া কথা। যদি তেনে হৈছে, তেনেহলে মাননীয় সদস্য গৰাকীয়ে মোক সবিশেষ তথ্য দিলে মই ব্যৱস্থা লম! টকাটো ইয়াৰ পৰা উপায়ুক্তলৈ গৈছে নে নাই সেইটো চাব লাগিব।

Mr. Speaker : Starred Question No. 23, Hon'ble Member, Dr. Alaka Sarma.

Sub : Deportation of illegal migrants.

Dr. Alaka Sarma asked :

★ 23. Will the Minister of Implemetation of Assam Accord be pleased to state :

(a) Is it a fact that Govt. of India through an affidavit, filed by the Deputy Secretary in MOH, clearly stated that the State Government has the power to identify, detect

★ Speech not corrected

and deport illegal migrants under provisions of the Foreigners Act, 1946?

(b) Whether the State Government is aware that the power to identify, detect and deport illegal migrants is vested with the Government of Assam?

(c) How many illegal migrants have been identified by the Govt. of Assam, during 2005-06, 2006-07 & 2007-08?

(d) How many of these are deported? How many are still in the custody of the Government?

(e) Whether Govt. of Assam has submitted any note, memorandum to Government of India, seeking its help in solving the problem of deportation?

(f) If so, kindly place the copies of such communication on the table of the House?

Dr. Bhumidhar Barman (Minister of Implementation of Assam Accord Department) replied :

(a) Yes

(b) Yes

(c) Number of illegal migrants/illegal foreigners identified during 2005, 2006, 2007 and 2008 is as below :

	Illegal migrants	Illegal foreigners
2005	431 (upto July)	177
2006	Nil	60
2007	Nil	565
2008	Nil	2877

(d) From 2005 to 2008 a total of 41 declared illegal foreigners have been deported. Number of illegal foreigners in custody is being collected.

(e) Government of Assam has submitted report on the difficulties in the matter of deportation is specific cases to the Government of India.

(f) Copies of letters No. PLB. 142/2005/73 dated 27.7.2006, No. PLB. 142/2005/136 dated 26.10.2007 and No. PLB. 239/2008/28 dated 30.3.2009 enclosed. (See Annexure-III)

★ ডঃ অলকা শর্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ দায়িত্ব চৰকাৰ আৰু আমাৰ সকলোৰে আছে যদিও চৰকাৰৰ দায়িত্ব আটাইতকৈ বেছি আৰু সেই কাৰণে এই ক্ষেত্রত চৰকাৰে কঠোৰ ব্যৱস্থা গ্রহণ কৰিব লাগে। কিন্তু অতি দুখেৰে সৈতে আমি কব লগা হৈছে যে চৰকাৰে সদনত আজি যি হিচাব দিছে সেইমতে ২০০৫ চনৰ পৰা এতিয়ালৈকে মাত্র ২৮৭৭ জন বিদেশী চিনাক্তকৰণ কৰা হৈছে আৰু তাৰ ভিতৰত ৪১ জনক বহিস্কাৰ কৰা হৈছে। মোৰ প্রশ্নৰ উত্তৰত মন্ত্রী মহোদয়ে কৈছে যে বিদেশী বহিস্কাৰৰ অধিকাৰ ৰাজ্য চৰকাৰৰো আছে। কিন্তু তেনে অৱস্থাটো এই ক্ষেত্রত আমি এটা কথাই দেখিছো যে বিদশী বহিস্কাৰৰ ক্ষেত্রত চৰকাৰৰ সদিচ্ছা নাই। এই সংক্রান্তত ভাৰত চৰকাৰলৈ যিবোৰ চিঠি পত্র লিখা হৈছে সেইবোৰৰ ক্ষেত্রত ভাৰত চৰকাৰে কি ধৰণে কামবোৰ কৰিবলৈ আগ বাঢ়িছে বা গুৰুত্ব সহকাৰে কামবোৰ কৰা পৰিলক্ষিত হোৱা নাই। গতিকে কামবোৰ এনেধৰণে হৈ থাকিলে আমি কেতিয়াও বিদেশী সমস্যা সমাধান কৰিব নোৱাৰিম। গতিকে এই ক্ষেত্রত চৰকাৰৰ স্থিতি কি বা কেনে ধৰণে ব্যৱস্থা গ্রহণ কৰিব সেই বিষয়ে জনালে সুখী হ'ম।

★ Speech not corrected

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিদেশী বিতাৰণৰ ক্ষেত্ৰত আমাৰ সম্পূৰ্ণ আস্থা আছে, কিন্তু এই ক্ষেত্ৰত আমাৰ কিছুমান অসুবিধাও আছে। আমাৰ আগৰ মুখ্য মন্ত্ৰী, শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত যেতিয়া চৰকাৰখনত আছিল, সেই সময়ত বিদেশী বিতাৰণ আৰু বিদেশী বহিস্কৰণৰ কাৰণে যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেই সময়ত তেখেত সকলেও কৰিব নোৱাৰিলে। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰও আন্তৰিকতা আছে, কিন্তু কৰিব পৰা নাই কাৰণ আই এম ডি টিৰ আধাৰত যি ধৰণে আইন প্ৰণয়ন কৰা হৈছে তাত বহুতো অসুবিধা আছে। সেই অসুবিধাবোৰ আমি আঁতৰ কৰিব লাগিব। বিদেশীসকলে উপায়ন্তৰ হৈ হাইকোৰ্টলৈ যায়। হাইকোৰ্টত গৈ দেখে যে কেচটো বেয়া হয় তেতিয়া তেওঁলোক অদৃশ্য হৈ যায়। তেখেত সকলে কেচটো বেয়া হোৱা যেন পালে তাৰ পৰা বেলেগ ঠাইলৈ গুছি যায়। মানুহবোৰ যেতিয়া ৰি এচ এফ থকা বৰ্ডাৰলৈ যায় তেতিয়া বি ডি আৰে তেখেত সকলক একচেপ্ত নকৰা হ'ল। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব যাতে মানুহবিলাকক ঘূৰাই লৈ যায়। যেতিয়ালৈকে তেওঁলোকে গ্ৰহণ নকৰে তেতিয়ালৈকে তাতে থাকিব। ধুবুৰীৰ দৰে সীমামুৰীয়া ঠাইবিলাকত আমাৰ চিনচিআৰিটি আছে তাৰ কাৰণে আমাৰ মাননীয় সদস্য সকল গৈছে। আমি সম্পূৰ্ণৰূপে চেষ্টা কৰি আছোঁ আৰু ভৱিষ্যতেও কৰি যাম। আপোনালোকে আমাক সহায় সহযোগ কৰিব।

★ শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ আমাৰ আন্তৰিকতা নোহোৱা নহয়। কিন্তু আই এম ডি টি আইন যিখন আছে তাত বিদেশী বহিস্কৰণ তথা চিনাক্তকৰণৰ ক্ষেত্ৰত বহুতো অসুবিধা সন্মুখীন হবলগীয়া হৈছে। ইয়াত দুটা কথা ভাল হৈছে। এটা কথা হৈছে অসমৰ কংগ্ৰেছে হওক, এজিপি, বিজেপিকে আদি কৰি বিভিন্ন ৰাজনৈতিক দল তাৰ পিছত ছাত্ৰ সন্থা, জাতীয়তাবাদী আদিলৈ যিমানবিলাক সংগঠন আছে সেইবিলাকে ১৯৭১

★ Speech not corrected

চনক ভিত্তিবর্ষ হিচাবে মানি লৈছে। এইটো হৈছে অসমৰ এটা শুভ লক্ষণ।

দ্বিতীয়তে, আই এম ডি টি আইন খন স্পেয়াৰ কৰা হৈছে বিদেশীৰ এগেইনষ্টে কমপ্লেইন দিয়াৰ পিছত। এই ক্ষেত্ৰত অসম চৰকাৰক ক্ষমতা দিছে। বিদেশী চিনাক্তকৰণ, বিদেশী বহিস্কৰণ আদি ৩ টা বস্তু গণপৰিষদ চৰকাৰৰ দিনত নাছিল। অসমত বিদেশী প্ৰবজন ঘটিয়ে আছে এইটো ৰোধ কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰী মহোদয়ে বাংলা দেশৰ চৰকাৰৰ লগত আলোচনা কৰি বিদেশী লোক সকলক ওভটাই পঠিয়াব লাগে। অল পাৰ্টীয়ে এই সম্পৰ্কত কিমান চিৰিয়াচলি লৈছে তাৰ কিবা ৰিজাল্ট পাইছে নেকি? ইয়াত ভাৰত চৰকাৰৰ গৃহমন্ত্ৰী পি, চিদাম্বৰম ডাঙৰীয়াৰ লগত মই নিজে আছো। মই দেখিছো ভাৰত চৰকাৰে কিমান চিৰিয়াচলি লৈছে আৰু অসম চৰকাৰে কিমান চিৰিয়াচলি লৈছে। গতিকে গৃহ মন্ত্ৰী মহোদয়ক আমি অৱগত কৰিলে ভাল পাম।

★ ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, বিৰোধী দলৰ দলপতি পাটোৱাৰী ডাঙৰীয়াই কোৱা কথাখিনিৰ লগত আমি সকলোৱে একমতত উপনীত হৈছোঁ। এ জি পি, বি জে পিকে আদি কৰি সকলো দলে এক মতত উপনীত হ'লে ভাল হয়। আমাৰ হাতত থকা চিঠিৰ লেফাৱেঞ্চ দিছো কি কি হৈ আছে। এই সকলোবিলাক আমি জনাই আছো। এতিয়া বৰ্ডাৰ চীল কৰা ক্ষেত্ৰত তেখেত সকলে যথেষ্ট গুৰুত্ব দিছে। বিদেশী লোক সকলক চিনাক্ত কৰাৰ পিচত যেতিয়া পঠিয়াব খোজে তেতিয়া সেই দেশৰ চৰকাৰে গ্ৰহণ নকৰে ফলত লোক সকল তাৰ পৰা পলাই আহে।

★ শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এখন কমিটী কৰিব লাগে। এই কমিটীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি বিদেশী চিনাক্তকৰণ কৰি বি ডি আৰ-ৰ লগত টেকআপ কৰিব লাগে।

★ Speech not corrected

এইটো ক্ষেত্রত চৰকাৰ চিৰিয়াচ নহয়। কাৰণ ২০০৮ চনত এই বিধান সভাত ৩ বাৰ আলোচনা হৈছিল। বাংলাদেশী চিনাক্তকৰণ কৰা পিছত তেওঁলোকে কিয় একচেপ্ত নকৰে? ২০০৮ চনত কেন্দ্রীয় চৰকাৰলৈ এখন চিঠি লিখিব লাগিছিলে। ২০০৭ চনত আৰু ২০০৮ চনত জনাইছে। ৰাজীৰ ৰৰা ডাঙৰীয়াই ২০০৯ চনত এখন চিঠি দিছে। বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰকৰণ কৰা কামত কোনেও চিৰিয়াচ নহয়। আপোনালোকে এই বিলাক কৰিছে, নাইকিয়া কৰিব বিচাৰিছে।

Mr. Speaker : Question Hour is over.

(Starred Question Nos. 24 to 40 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ কৰ আদায়ৰ পৰিমাণ।

শ্রী প্রশান্ত ফুকনে সুধিছে ঃ

★ ২৪। মাননীয় নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা ৫ বছৰত ডিব্রুগড় পৌৰ সভাৰ বাবে বিভিন্ন শিতানলৈ চৰকাৰৰ পৰা কিমান ধন আহিল?

(খ) বিভিন্ন বজাৰ আদিৰ পৰা যোৱা ৫ বছৰত চৰকাৰে কিমান কৰ বিভিন্ন শিতানৰ পৰা আদায় কৰিলে? (তালিকা সহ সদনত দাখিল কৰিব)

(গ) সেই ধনখিনি কি কি উন্নয়ণ কামত ব্যয় কৰিলে? (তালিকা সহ, Cash Book No. সহ আৰু Vr. সহ সদনৰ মেজত দাখিল কৰিব?

(ঘ) সেই ধনখিনি খৰছ কৰোতে Board Meeting-ৰ অনুমোদন লৈছিলনে? যদি লৈছিল, Meeting-ৰ প্রতিবেদন সহ দাখিল কৰিবনে?

(ঙ) বিজ্ঞাপন আদিক অনুমতি দিওঁতে কিমান টকা পালে তালিকা সহ সদনত

দাখিল কৰিবনে?

(চ) যোৱা ৫ বছৰত যান বাহন মেৰামতি কৰোঁতে কিমান টকা ব্যয় কৰিলে Vr. সহ সদনত দাখিল কৰিবনে?

(ছ) যোৱা ৫ বছৰত কিমান Tube light (streat light) কিনা হল আৰু কিমান Rate ত কিনিলে, কিমান খৰছ হৈছিল, Bill সহ সদনত দাখিল কৰিবনে আৰু তাৰ বাবে নিবিদা গ্ৰহণ কৰা হৈছিলনে (Paper cut দাখিল কৰিব)?

শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ণৰ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা পাঁচ বছৰত ডিব্ৰুগড় পৌৰ সভাই বিভিন্ন শিতানত চৰকাৰৰ পৰা ৪৩৪.১৪ লাখ টকা লাভ কৰে।

(খ) কৰ, বজাৰ আদিৰ পৰা যোৱা পাঁচ বছৰত বিভিন্ন শিতানত আদায় কৰা টকাৰ পৰিমাণ হল মুঠ ৫,৫০,৮৯,৭০৪.০০ টকা (তালিকা বিচৰা হৈছে)।

(গ) সেই ধন খিনি পৌৰ সভাৰ কৰ্মচাৰীৰ দৰমহা, ৰাস্তাৰ লাইটৰ (Street light) বিজুলীৰ খৰচ আৰু যাৱতীয় যান-বাহন আদিত খৰচ কৰা হয়। (তালিকা সহ, কেচবুক সহ আৰু Vr. বিচৰা হৈছে)।

(ঘ) 'গ' ত উল্লেখ কৰা খৰচৰ বাবে বৰ্ডৰ অনুমতি লব নালাগে।

(ঙ) বিজ্ঞাপন আদিৰ অনুমতি দিওতে মুঠ ২,২৩,২৩৩.০০ টকা পোৱা হয়। (তালিকা বিছৰা হৈছে)।

(চ) যোৱা পাঁচ বছৰত যান-বাহনৰ সামগ্ৰী ক্ৰয় আৰু মেৰামতি কৰোতে মুঠ ৩,৮৮,৫৬৯.০০ টকা খৰচ কৰা হয়। (Vr. বিচৰা হৈছে)

(ছ) যোৱা পাঁচ বছৰত মুঠ ১০৫৬ টা টিউব লাইট (Street light) কিনা হয়। ইয়াৰ বাবদ খৰছ হয় ৭,৯০,০০০.০০ টকা। (বিল আৰু পেপাৰ কাট বিচৰা হৈছে)।

Sub : Implementation of order of Gauhati High Court.

Shri Mission Ranjan Das asked :

★ 25. Will the Minister of Urban Development be please to state :

(a) Whether the Govt. has takebn steps to implement the order passed by Hon'ble Gauhati High Court on 29-5-2009 in respect of appointments of Administrators in different Municipalities and Town Committees and appointment of State Chief Election Commissioner and holding of elections in urban local bodies?

(b) If so, state it in details?

(c) If not, State reason thereof?

(d) When election of urban local bodies in Assam will be held please state it in details?

Sri Dinesh Prasad Goala, (Minister, Urban Development) replied :

(a) Yes.

(b) The Govt. has replaced the non-official Administrators and Adhoc Committees running the affaris of the urban local bodies with official of the state Govt. in all the cases where duly elected body is not in place. The Govt. is also taking all necessary steps to ensure the compliance of the orders of the Hon'ble High Court.

(c) Does not arise.

(d) Election to the urban local bodies will be held as per date fixed by the Assam State Election Commission.

বিষয় ঃ গৰাখহনীয়াত জাঁহ যোৱা গাওঁ।

শ্রী ফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

★ ২৬। মাননীয় ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ মাটি কালি বর্ত্তমান কিমান? অসমৰ ৰাজহ মেপ সদনৰ মেজত দাখিল কৰিবনে?

(খ) অসমত বর্ত্তমান কিমান ভূমিহীন লোক আছে জিলা ভিত্তিত তথ্য দিব? অসমৰ কোন কোন মথাউৰিত বর্ত্তমান কিমান সংখ্যক লোকে বসবাস কৰি আছে? (মথাউৰিৰ নামৰ বিপৰীতে বসবাস কৰা লোকৰ সংখ্যা জনাব)

(গ) ২০০১ চনৰ পৰা বর্ত্তমানলৈ কেন্দ্রীয় চৰকাৰৰ পৰা অসম চৰকাৰে চি, আৰ, এফ-ৰ কিমান ধন লাভ কৰিলে? এই ধনৰ বিপৰীতে কিমান ধন ব্যয় কৰা হ'ল আৰু কিমান ধন এতিয়াও অব্যৱহৃত হৈ আছে? (বিত্তীয় বর্ষ অনুযায়ী সদনত তথ্য দিব)

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ মাটি কালি ৭৮৪৩৮.০০ বর্গ কিলোমিটাৰ। অসমৰ মেপ এখন সদনৰ মেজত দাখিল কৰা হ'ল। (পৰিশিষ্ট- 'ক')

(খ) জিলা ভিত্তিত ভূমিহীন লোকৰ সংখ্যা, মথাউৰিৰ ওপৰত বাস কৰি থকা পৰিয়ালৰ সংখ্যা ও বাস কৰি থকা মথাউৰিৰ নাম উল্লেখ কৰি এখন তালিকা 'খ' পৰিশিষ্টত দাখিল কৰা হ'ল। (See Annexure – IV) লক্ষীমপুৰ আৰু গোলাঘাট জিলাৰ পৰা উত্তৰ প্রস্তুত কৰা সময়লৈ এই বিষয়ৰ প্রতিবেদন পোৱা হোৱা নাই।

(গ) ২০০১-০২ চনৰ পৰা ২০০৮-০৯ বর্ষলৈ চি, আৰ, এফ/ এন, চি, চি,

এফ শিতানত পোৱা ধনৰপৰিমাণ ২০৩৫.০৫ কোটি টকা (কেন্দ্রীয় চৰকাৰৰ অংশ- ১৪৬১.১২২৫ কোটি টকা আৰু ৰাজ্য চৰকাৰৰ অংশ ৫৭৩.৯২৭৫ কোটি টকা)। ইয়াৰ বিপৰীতে ব্যয় কৰা ধনৰ পৰিমাণ ১৫২৩.১২২ কোটি টকা। অব্যৱহৃত ধনৰ পৰিমাণ ৫১১.৯৩ কোটি টকা। বিত্তীয় বৰ্ষ অনুযায়ী চি, আৰ, এফ ও এন, চি, চি, এফ শিতানত পোৱা ধনৰ হিচাব 'গ' পৰিশিষ্টত দাখিল কৰা হ'ল।
(See Annexure – V)

বিষয় ঃ গুৱাহাটীৰ পৰিয়ালক মাটিৰ পট্টা।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

☆ ২৭। মাননীয় ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৬ চনৰ পৰা এতিয়ালৈকে গুৱাহাটী মহানগৰীত কিমানটা পৰিয়ালক মাটিৰ আৱণ্টন ও পট্টা দিয়া হ'ল জনাবনে?

(খ) ২০০৬ চনৰ পৰা এতিয়ালৈকে মহানগৰীৰ পৰিয়ালক পট্টা দিয়াৰ বাবদ কিমান ৰাজহ সংগ্রহ হ'ল?

(গ) ২০০৬ চনৰ পৰা এতিয়ালৈকে বিশেষ ভূমি উপদেষ্টা বোৰ্ডত অনুমোদিত হোৱা কিমানটা পৰিয়ালক মাটিৰ আৱণ্টন বা পট্টা দিয়াৰ বাবে চৰকাৰে সিদ্ধান্ত ললে আৰু কিমান পৰিয়ালক মাটিৰ আৱণ্টন বা পট্টা দিয়াৰ বাবে ফাইল জমা হৈ আছে?

(ঘ) উক্ত জমা হৈ থকা ফাইল সমূহ মোকলাই নিদিয়াৰ কাৰণ কি?

(ঙ) গুৱাহাটী মহানগৰীত মাটিৰ দালালে গুৱাহাটীৰ বিভিন্ন স্থানৰ পৰিয়ালক যে হাৰাশাস্তি দি আছে, এই কথাটো চৰকাৰ অৱগতনে? যদি অৱগত, তেনেহলে এই ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰীত ২০০৬-চনৰ পৰা ভূমি নীতি অনুসৰি ২০৬ টা পৰিয়ালক চৰকাৰী ভূমি পট্টন দিয়া হৈছে।

(খ) ২০০৬ চনৰ পৰা গুৱাহাটী মহানগৰীত ভূমি-হীন পৰিয়ালক মাটি পট্টন দিয়াৰ বাবদ ২,৪৪,১৪,৮১২.০০ টকাৰ ৰাজহ সংগ্ৰহ কৰা হয়।

(গ) ২০০৬ চনৰ পৰা ৮৫৪ টা ব্যক্তিগত পট্টন প্ৰস্তাৱ বিশেষ ভূমি উপদেষ্টা কমিটিয়ে অনুমোদন জনাইছে। ইয়াৰ ভিতৰত ২০৬ টা ব্যক্তিগত প্ৰস্তাৱ পট্টনৰ বাবে সিদ্ধান্ত হৈছে আৰু বাকী ৬৪৮ টা প্ৰস্তাৱৰ ওপৰত সিদ্ধান্ত লবলৈ বাকী আছে।

(ঘ) প্ৰস্তাৱসমূহ Cabinet ত দাখিল কৰাৰ বাবে বিভাগীয় ব্যৱস্থা লৈ থকা হৈছে।

(ঙ) হয় অৱগত। প্ৰচলিত আইন অনুসৰি ব্যৱস্থা লৈ থকা হৈছে। লগতে এনে কাৰ্য্য প্ৰতিৰোধৰ ৰাবে এখন কাঠোৰ আইন বলবৎ কৰাৰ বাবদ বিভাগীয় ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ আঁচনি ৰূপায়ণ।

ডাঃ কমলা কান্ত কলিতাই সুধিছে ঃ

★ ২৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ৰূপায়ণ কৰা আঁচনি সমূহ কি কি জনাবনে?

(খ) আঁচনি সমূহ সঠিক ভাবে ৰূপায়ণ হৈছে নে?

(গ) ছয়গাওঁ সমষ্টিৰ কিমানটা পানী যোগান আঁচনি বিকলহৈ আছে জনাবনে?

(ঘ) বিকল হৈ থকা আঁচনি সমূহ ৰূপায়ণ কেতিয়া কৰা হৈছে?

শ্রী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা খোৱা পানী যোগানৰ বাবে পাইপ পানী যোগান, হস্তচালিত নলী নাদ, পকী কুঁৱা আদি আঁচনি ৰূপায়ন কৰা হয়। লগতে গ্রাম্যাঞ্চলত অনাময় আঁচনি ৰূপায়ণ কৰা হয়।

(খ) চৰকাৰী নির্দেশনাৱলী মতে ৰূপায়ণ কৰা হৈছে।

(গ) বর্ত্তমান ছয়গাওঁ সমষ্টিত ৬ টা পানী যোগান আঁচনি বিকল হৈ আছে।

(ঘ) বিকল হৈ থকা আঁচনি সমূহৰ ৰূপায়ণ কৰা বছৰসমূহ আঁচনিৰ বিপৰীতে তলত দিয়া হ'ল।

আঁচনিৰ নাম	ৰূপায়ণ কৰা বছৰ
১। মেৰগেন্দা পানী যোগান আঁচনি	১৯৮৩-৮৪
২। ভালুকাবাৰী পথাৰ পানী যোগান আঁচনি	১৯৮৫-৮৬
৩। জামবাৰী নং - ২ পানী যোগান আঁচনি	২০০৩-০৪
৪। বামুনগাওঁ পানী যোগান আঁচনি	১৯৯৮-৯৯
৫। ভাটিপাৰা পানী যোগান আঁচনি	২০০৪-০৫
৬। জোৰশিমলু পানী যোগান আঁচনি	২০০৪-০৫

Sub : Unregulated discharges of Power Project.

Shri Uddhab Barman asked :

★ 29. Will the Minister of Water Resources be pleased to state :

(a) Whether the Govt. is aware of the fact that the unregu-

lated discharges of power projects are the major cause of the flood and erosion in the river Beki and other rivers flowing from Bhutan?

(b) If so, what are the steps Govt. is taking or has planned to take in order to minimize ill effects of these floods & erosions?

Shri Prithibi Majhi (water Resources Minister) replied :

(a) Yes,

(b) (i) To mitigate this recurrences flood problem, Govt. of Assam had approached the Govt. of India and accordingly Govt. of India in coordination with Royal Govt. of Bhutan constituted a Joint Group of expert (JGE) in July, 2004. This JGE with members of India and Bhutan is to coordinate the Flood Management works of the rivers flowing from Bhutan and through Assam in India. A joint Technical Team (JIT) was also constituted to study on spot the problematic rivers common to Assam in India and Bhutan and suggest remedial measures and submit their findings to the JGE and the JGE would then suggest necessary work plan to respective Government for implementation etc.

(ii) In addition, Government has taken a number of schemes to minimize ill effects of the flood & erosions caused by river Beki and other rivers namely Sankosh, Manas, Hakua, Pagladiya, Mora-Pagladia, Dhansiri and Golandi etc flowing from Bhutan.

The name of these schemes undertaken by this deptt. is annexed in Annexure - I. (See Annexure – VI)

বিষয় ঃ গৰাখনীয়াৰ কৱলত পৰা ভূমি।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

★ ৩০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত ব্ৰহ্মপুত্ৰ, বেকী, মানাহ, বুঢ়াদিয়া, কালদিয়া আদি নদীত হোৱা বানত চলিত বৰ্ষত বৰ্ত্তমানলৈকে জিলাখনত কিমান বৰ্গ কিলোমিটাৰ ভূমি গৰাখহনীয়াৰ কৱলত পৰিল? (পৃথকে পৃথকে বিতং তথ্য দাখিল কৰিব)

(খ) এই গৰাখহনীয়াৰ ফলত বৰ্ত্তমানলৈকে হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ কিমান?

(গ) এই গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে বৰ্ত্তমানলৈকে কোন কোন শিতানৰ পৰা কিমান পুঁজি মোকলাই দিছে?

(ঘ) যোৱা ২৬ মে' ২০০৯ ইং তাৰিখে আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ কুৰশ্ৰী নদীৰ বান্ধ ভাঙি বেকী আৰু পোকাখোৱা নদীত তীব্ৰ সোতৰ সৃষ্টি কৰি বৰপেটা, সৰভোগ, জনীয়া আদি সমষ্টিৰ বিস্তৃৰ্ণ অঞ্চল প্লাৱিত কৰি তোলে? ইয়াৰ প্ৰতিকাৰৰ বাবে বৰ্ত্তমানলৈকে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰী পৃথিৱী মাঝি (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) চলিত বৰ্ষত ব্ৰহ্মপুত্ৰ নদীৰ ভোগেৰপাৰ অঞ্চলত প্ৰায় ০.০০৫ বৰ্গ কিঃ মিঃ বেকী নদীৰ লাংলা অঞ্চলত প্ৰায় ০.০০২ বৰ্গ কিঃ মিঃ, মানাহ নদীৰ ময়নবড়ী অঞ্চলত প্ৰায় ০.০০১ বৰ্গ কিঃ মিঃ মাটি খহনীয়াত জাঁহ গৈছে। কালদীয়া নদীত চলিত বৰ্ষত কোনো ধৰণৰ খহনীয়া হোৱা নাই।

(খ) এই গৰাখহনীয়াৰ ফলত জাঁহ যোৱা মাটি কালিৰ ক্ষতি আনুমানিক ১০.০০ লাখ টকা হ'ব।

হঠাৎ অহা বানে বেকী নদীৰ বৰদাংগা অঞ্চলত চলি থকা C.R.F. আঁচনিৰ তিনিখন পাইল স্ক্রিন আৰু সম্পূৰ্ণ প্ৰায় মথাউৰিষ ২০০ মিঃ অংশ উটুৱাই নিয়াৰ ফলত প্ৰায় ২.২০ কোটি টকাৰ ক্ষতি হয়।

(গ) এই গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে চলিত বিত্তীয় বৰ্ষত কোনো শিতানত পুঁজি মোকলাই দিয়া নাই।

(ঘ) কুৰিশ্বু নদীৰ পানীয়ে বেকী নদীত তীব্ৰ সোঁতৰ সৃষ্টি কৰাত C.R.F. শিতানত কৰি থকা কামৰ যি ক্ষতি হল তাৰ পুনঃনিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে ৭৫% কাম সম্পূৰ্ণ হৈছে।

এই সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে অসম চৰকাৰৰ অনুৰোধত ভাৰত চৰকাৰে ভূটান চৰকাৰৰ লগত আলোচনা কৰি ২০০৪ চনৰ জুলাই মাহত Joint Group of Expert (JGE) নামেৰে এখন কমিটি গঠন কৰে। এই কমিটিখনে Joint Technical Team (JIT) - নামেৰে আৰু এখন কমিটি গঠন কৰি ভূটানৰ পৰা বৈ অহা বিভিন্ন নদীৰ পৰ্য্যালোচনা আৰু পৰ্যবেক্ষণ কৰি আছে।

বিষয় ঃ চি, আৰ, এফ, আঁচনিৰ ধন।

শ্ৰী অনন্ত ডেকাই সুধিছে ঃ

★ ৩১। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চি, আৰ, এফ আঁচনিৰ অধীনত ৰাজ্যখনৰ বান বিধ্বস্ত ৰাস্তা-ঘাট সমূহ মেৰামতিৰ বাবে ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত সৰ্বমুঠ কিমান টকা মোকলাই দিয়া হৈছে? বিভিন্ন জিলাত মোকলাই দিয়া ধনৰ পৰিমাণ কিমান?

(খ) ৫৭ নং ৰঙিয়া বিধান সভা সমষ্টিত উক্ত দুয়োটি বৰ্ষত কি কি আঁচনিৰ বিপৰীতে টকা মোকলাই দিয়া হৈছে?

(গ) CRF আঁচনিৰ অধীনত বান বিধ্বস্ত ৰঙিয়া হাজো পথৰ বাবে কিমান টকা মোকলাই দিয়া হৈছে?

(ঘ) বানে নগৰকা কোনো ৰাস্তাৰ কাৰণে CRF আঁচনিত ধন ধার্য্য কৰা হৈছে নেকি?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চি, আৰ, এফ আঁচনিত ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বছৰ দুটাত আৱণ্টন দিয়া টকাৰ পৰিমাণ ক্রমে ২৬০.৪৮২ কোটি টকা আৰু ২৪২.২৯৯ কোটি টকা। বিভিন্ন জিলালৈ মেৰামতি কামৰ বাবে আৱণ্টন দিয়া টকাৰ পৰিমাণ জিলাৰ নামৰ বিপৰীতে দেখুৱাই 'ক' পৰিশিষ্টত দাখিল কৰা হল। (See Annexure-VII)

(খ) ৫৭ নং ৰঙিয়া বিধান সভা সমষ্টিৰ অন্তর্গত এলেকাত এনে কামৰ বাবে যোৱা দুটা বছৰত আৱণ্টন জনোৱা আঁচনিৰ তালিকা 'খ' পৰিশিষ্টত দাখিল কৰা হল। (See Annexure-VIII)

(গ) চি, আৰ, এফ, আঁচনিৰ অধীনত বান বিধ্বস্ত ৰঙিয়া-হাজো পথ মেৰামতিৰ বাবে কোনো আৱণ্টন উক্ত বছৰ দুটাত দিয়া হোৱা নাই।

(ঘ) বানে নগৰকা কোনো ৰাস্তা মেৰামতিৰ বাবে চি, আৰ, এফ, আঁচনিত ধন মঞ্জুৰ কৰা হোৱা নাই।

Sub : Drinking water supply in Urban Area.

Shri Drupad Borgohain asked :

★ 32. Will the Minister of Urban Development be pleased to state :

(a) What measures have been taken in recent years to improve the drinking water supply in Urban Areas of

the state?

(b) What steps have been taken to those towns where Municipalities have taken responsibility of drinking water supply to their population effectivety?

(c) Give details of measures taken in Nazira Municipality Area as regards to drinking water, after the Nazira Municipality has taken over the drinking water suplly in its hand.

(d) Whether the Govt. has planned to have a complete project of supplying drinking water from the Dikhow River for the twin towns of Nazira and Simaluguri?

Sri Dinesh Prasad Gowala (Minister of Urban Development) replied :

(a) Urban Development Deptt. has taken up 49 Nos. of water supply projects in 36 Towns out of 87 ULB's, out of which 13 Nos. of projects are commissioned and maintained properly. 23 nos of projects are under execution. Further 14 nos of DPRs are under consideration of the Govt. for approval. For remaining Town ships DPR's are under preparation in a phased manner.

Further as PHE Deptt. has also taken up some water supply schemes in ULB areas, details have been called for from the Department concerned.

(b) The information is being obtained from the PHE Department and the Urban Local Bodies.

(c) The PHE Department handed over the water supply scheme to Nazira Municipal Board on 24-7-2008.

Nazira Municipal Board has been providing drinking water to the residents through street taps. The Municipal Board has received more then 300 applications for providing house connections.

The house connections are yet to be provided by the Municipal Board as technical monitoring commitee with PHE & ASEB is to be consituted to provide technical assistance to the municipal Board. The technical monitoring committee is being constitured by the Municipal Board shortly.

(d) Yes, The DPRs for the twin towns have prepared and under the consideration of the Govt.

Subject : No. of Development schemes.

Shri Sirajuddin Ajmal asked.

☆ 33. Will the Minister of Urban Development be pleased to state :

(a) What is the amount of fund that has been sanctioned to the Town Committee of Daboka Town under Jamunamukh LAC for various developmental works in the years 2007-08 and 2008-09 ?

(b) Whether the Govt. is aware that there are no drainages along the major roads passing thorough the town, no sufficient street lights along the major roads & byroads and no sufficient supply of drinking waters in the town areas till date? Is there any Government proposal to amend these shortcomings? (Give in details)

(c) Whether the Government is aware that Wards No. 5 &

4 of the Daboka Town are severely in danger of river bank erosion by the river Jamuna? What is the Government proposal in this regard?

(d) What are the Developmental Schemes implemented by the Daboka Town Commitee in the year 2006-07 & 2007-08 (furnish in details)

(e) What is the action plan of the Town Committee in the year 2008-09? (Give in details)

Shri Dinesh Prasad Goala (Minister, Urban Development) replied :

(a) The amounts of funds to Doboka Town Committee under Jamunamukh LAC during the year 2007-08 & 2008-09 are as follows :

2007-08	2008-09
1. SJSRY Rs. 23.00 Lakhs	Under the award of 12th
2. Grants under CM's Budget Speech - Rs. 32.00 Lakhs	finance commission – 4.57 Lakhs

(b) Yes, The Govt. is providing grants for development works to various Urban Local Bodies including Doboka through the awards the Central Finance Commission, the Assam Finance Commission Awards and also through Assam Bikash Yojana. Besides the above funding for the urban infrastructure improvement can also be obtained from Central schemes like UIDSSMT.

(c) Yes, Although no scheme has been implemented in this area, however one memo of works amounting to Rs.

13.07 core covering the above effected areas has been recommended by the State Technical advisory Committee (TAC) meeting as intimated by the Water Resource department, Govt. of Assam. The DPR is under preparation and will be submitted shortly to the Central Government for necessary approval and sanction. After getting sanction from the Central Govt. the work will be taken up.

(d) The Development scheme implemented by the Daboka Town Commitee in the year 2006-07 and 2007-08 at Annexure-A. (See Annexure - IX)

(e) Action plan of the Town Committee is enclosed at Annexure-B. (See Annexure–X)

বিষয় ঃ প্রাকৃতিক দুর্যোগত ক্ষতিগ্রস্তক সাহার্য্য।

শ্রী নুৰুল হুছেইনে সুধিছে ঃ

★ ৩৪। মাননীয় ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৰাখহনীয়া, বানপানী, ধুমুহা আদি প্রাকৃতিক দুর্যোগত ক্ষতিগ্রস্ত পৰিয়ালক ক্ষতিপূৰণ আৰু সাহার্য্যৰ কি ব্যৱস্থা আছে?

(খ) হাজো সমষ্টিৰ এনে কিমান পৰিয়ালে যোৱা দুবছৰত কিমান সাহার্য্য বা ক্ষতিপূৰণ পাইছে? (তথ্য দিব)

(গ) যিবোৰ পৰিয়ালে পোৱা নাই, কেতিয়া পাব?

(ঘ) সাহার্য্যৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি নেকি?

ডাঃ ভূমিধৰ বর্মন (ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রাকৃতিক দুর্য্যোগত ক্ষতিগ্রস্থ পৰিয়ালৰ সাহায্যৰ বাবে 'দুর্য্যোগ সাহায্য পুঁজি'ৰ নির্দ্ধাৰিত নিয়মাৱলীৰ অধীনত— দুর্য্যোগত মৃত্যু হোৱা লোকৰ পৰিয়াললৈ এককালীন সাহায্য; দুর্য্যোগত আঘাট প্রাপ্ত হৈ অংগ-প্রত্যংগ হেৰুওৱা লোকলৈ আঘাটৰ মাত্রা আৰু ধৰণ অনুসৰি এককালীন সাহায্য; চিকিৎসালয়ত থাকি চিকিৎসা লবলগীয়া হলে নির্দ্ধাৰিত পৰিমাণৰ চিকিৎসা সাহায্য; দুর্যোগত ক্ষতিগ্রস্ত পৰিয়াললৈ কাপোৰ কানি, বাচন-বর্ত্তন আদি ক্রয়ৰ বাবে সাহায্য; দুর্যোগত ঘৰ-দুৱাৰ ক্ষতিগ্রস্ত হোৱা পৰিয়াললৈ পুনঃসংস্থাপন সাহায্য, পাৰিতোষিক সাহায্য, আদি প্রদান ব্যৱস্থা আছে।

(খ) হাজো বিধান সভা সমষ্টিৰ অন্তর্গত প্রাকৃতিক দুর্যোগত আক্রান্ত পৰিয়াললৈ যোৱা দুবছৰত প্রদান কৰা সাহায্য এনে ধৰণৰ —

১।	বানপানী	৬৫০ টা পৰিয়াললৈ	১০,০২,৫০০.০০
২।	অগ্নিকাণ্ড	৪৬ টা পৰিয়াললৈ	৩,১১,৫০০.০০
৩।	এককালীন সাহায্য (২০০৪ চনৰ বানপানীত মৃত পৰিয়াললৈ)	১ টা পৰিয়াললৈ	৫০,০০০.০০

(গ) প্রাকৃতিক দুর্যোগত আক্রান্তলৈ অনুমোদিত সাহায্য বিধিমতে পাবলগীয়া পৰিয়াললৈ তৎকালে প্রদান কৰিবলৈ উপায়ুক্ত মহোদয়ক জনোৱা হৈছে।

(ঘ) সাহায্যৰ পৰিমাণ বৃদ্ধিৰ ব্যৱস্থা ভাৰত চৰকাৰৰ গৃহ মন্ত্রনালয়ে সকলো ৰাজ্যৰ পৰা পোৱা প্রস্তাৱ মর্মে কৰে।

বিষয় ঃ ভূমি বাজহৰ পৰিমাণ।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

★ ৩৫। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজহ বিভাগে বছৰি কিমান টকা ভূমি ৰাজহ হিচাবে লাভ কৰে?

(খ) উৰ্পাজন হোৱা টকা সৰ্বমুঠ কিমান বিঘা মাটিৰ পৰা লাভ কৰে?

(গ) সকলোভূমিৰ ৰাজহৰ পৰিমাণ একেই নে?

(ঘ) যদিহে একেই নহয়, তেনেহলে বিভিন্ন ভূমিৰ ৰাজহ নিৰিখ কিমান জনাবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগৰ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৮ কোটি ৬৮ লাখ ১১ হাজাৰ ৩১৬ টকা (২০০৮-০৯ বৰ্ষৰ বাবে)।

(খ) ১৫ খন জিলাৰ পৰাহে এতিয়ালৈকে তথ্য পোৱা বাবে খাজনা নিৰ্দ্ধাৰণ কৰা সৰ্বমুঠ মাটিৰ পৰিমান জনাব পৰা ন'গল। ধুবুৰী, মৰিগাওঁ, কৰিমগঞ্জ, গোৱালপাৰা, বঙাইগাওঁ, নগাওঁ, নলবাৰী, হাইলাকান্দি, কামৰূপ(নগৰ), দৰং, তিনিচুকীয়া, শিৱসাগৰ, ৰৰপেটা, গোলাঘাট আৰু ধেমাজি জিলাৰ খাজনা নিৰ্দ্ধাৰন কৰা মাটিৰ পৰিমান ১,৭১,০৪,৪৯৯ বিঘা ২ কঠা ৬ লেছা।

(গ) ভূমি ৰাজহৰ পৰিমাণ সকলো প্রকাৰ মাটিৰ বাবে একে নহয় আৰু একে শ্রেণীৰ মাটিৰ খাজনা বেলেগ বেলেগ জিলাৰ বাবেও একে নহব পাৰে।

(ঘ) মাটিৰ ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি এখন জিলাৰ পুনৰ বন্দবস্তি প্রক্রিয়া কালত মাটিৰ খাজনা নিৰ্দ্ধাৰনৰ বাবে উক্ত এলেকাৰ অন্তর্গত মাটি সমূহ ঘাইকৈ বস্তি বা আবাস স্থল, বেপাৰৰ ঠাই, উদ্যোগ, আৰু কৃষি শ্রেণীত ভাগ কৰি লোৱা হয়। মাটিৰ খাজনা নিৰ্দ্ধাৰণ কৰিবলৈ প্রথমে উল্লেখ কৰা ৩ টা শ্রেণীৰ মাটিৰ বজাৰ মূল্যৰ ওপৰত আৰু কৃষি শ্রেণী মাটিৰ ক্ষেত্রত মাটিৰ উৰ্ব্বতা, মাটিৰ পৰা পোৱা ফছলৰ পৰিমাণ ইয়াৰ মূল্য আৰু ৰাইজৰ আর্থিক স্বচ্ছলতা আদি দিশ সমূহ নিৰূপণ কৰি মাটিৰ খাজনা নিৰূপণ কৰা হয়। যিহেতু বেলেগ বেলেগ জিলাৰ মাটিৰ মূল্য

বা মাটিৰ পৰা পোৱা ফছল বা তাৰ পৰা পাবলগীয়া মূল্য আদি একে নহয়, সেয়ে প্ৰতিখন জিলাৰ শ্ৰেণীভেদে মাটিৰ খাজনাও একে নহয়। উদাহৰণ স্বৰূপে কামৰূপ (নগৰ) জিলাৰ সোনাপুৰ এলেকাৰ বস্তি শ্ৰেণী মাটিৰ খাজনা বিঘাই প্ৰতি ৫.৭৮ টকা, বেপাৰৰ ঠাইৰ বাবে বিঘাই প্ৰতি ৫৮.০০ টকা আৰু উদ্যোগ শ্ৰেণীৰ বাবে ৫০০.০০ টকা যদিও বস্তি শ্ৰেণী মাটিৰ বাবে মৰিগাওঁ জিলাত গ্ৰাম্য অঞ্চলত ক্ৰমে ৫.২৬ টকাৰ পৰা ৫.৭৫ টকা আৰু নগৰ অঞ্চলত ১৩.০০ টকা প্ৰতি বিঘা বেপাৰৰ শ্ৰেণীৰৰ বাবে নগৰ অঞ্চলত ১০.০০ টকাৰ পৰা ৮০.০০ টকা প্ৰতি বিঘা নিৰ্দ্ধাৰন কৰা আছে। আকৌ ধুবুৰী জিলাত বিশেষ বেপাৰৰ মাটিৰ বিঘাই প্ৰতি খাজনা ৭৫.০০ টকাৰ পৰা ৩০০.০০ টকা, আৰু বিশেষ বস্তি মাটিৰ খাজনা ১৫.০০ টকাৰ পৰা ৩৫.০০ টকা প্ৰতি বিঘাই ধাৰ্য্য কৰা হৈছে। চাহ খেতি কৰা মাটিৰ খাজনা ব্ৰহ্মপুত্ৰ উপত্যকা জিলা সমূহত প্ৰতি বিঘাত ২২.০০ টকাকৈ আৰু ৰবাক উপত্যকা জিলাসমূহত ১৬.০০ টকাকৈ ১/৭/২০০৩ ইং তাৰিখৰ পৰা ধাৰ্য্য কৰা হৈছে।

বিষয় ঃ শৰণাৰ্থীৰ সংখ্যা।

শ্ৰী লিয়াকৎ আলী খানে সুধিছে ঃ

★ ৩৬। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বড়োলেণ্ডৰ বিভিন্ন অঞ্চলত কিমান হাজাৰ শৰনাৰ্থী এতিয়ালৈকে আশ্ৰয় শিবিৰত আছে?

(খ) এই শৰনাৰ্থী সকলে খোৱা-লোৱা, পিন্ধন, থকাৰ ঘৰ, শিক্ষা, স্বাস্থ্য, সামাজিক ও অৰ্থনৈতিক ব্যৱস্থাৰ সুবিধা পাইছে নে?

(গ) এই শৰনাৰ্থীসকলক এই দ্বিতীয় বছৰত পুনৰ সংস্থাপন দিয়া হবনে? যদি দিয়া হয় কি ধৰণে দিয়া হব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ)(সাহায্য আৰু পুনৰ সংস্থাপন শাখাৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৪৫,৯৩০ জন।

(খ) পাইছে।

(গ) বৰ্ত্তমান দ্বিতীয় বছৰতে পুনৰ সংস্থাপন দিয়াৰ বাবে চেষ্টা কৰা হৈছে। আশ্রয় শিবিৰত থকা লোক সকলক অসমৰ বিভিন্ন জিলাত পট্টাদাৰৰ পৰা ৪০০০ বিঘা মাটি খৰিদ কৰি সেই মাটি আৰণ্টন দি পুনৰ সংস্থাপন কৰাৰ বাবে মাটি বিচাৰি জাননী খবৰ কাগজৰ জৰিয়তে প্রচাৰ কৰা হৈছে, লগতে উপযুক্ত মাটি পোৱা নহলে নগদ ধন আদায় দি পুনৰ সংস্থাপন কৰাৰ বাবেও বিবেচনা কৰি থকা হৈছে।

বিষয় ঃ শৰণার্থীৰ পুনৰ সংস্থাপন।

শ্রী আব্দুল আজিজে সুধিছে ঃ

★ ৩৭। মাননীয় ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কি কাৰণত আজিলৈকে বঙাইগাওঁ জিলাৰ শৰণার্থী সকলক পুনৰ সংস্থাপন কৰা নহল? এই বিষয়ে সবিশেষ তথ্য সদনত দাখিল কৰিবনে?

(খ) ওদালগুৰি জিলাৰ শৰণার্থী সকল আজিও নিজ নিজ এলেকালৈ ঘুৰি যাব নোৱাৰাৰ কাৰণ কি? কিমান সংখ্যক শৰণার্থী আজিও কেম্পত আছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগ (সাহায্য আৰু পুনৰ সংস্থাপন শাখাৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৩ চনত গোষ্ঠীগত সংঘর্ষত ক্ষতিগ্রস্ত হৈ বর্ত্তমানে বঙাইগাওঁ জিলাৰ শিবিৰত থকা শৰণার্থী সকলক পুণৰ সংস্থাপনৰ বাবে পৰিয়ালে প্রতি

১০,০০০/- টকাকৈ পুনৰ সংস্থাপন সাহায্য দিয়া হৈছিল। তদুপৰি ৯৩৪ টা পৰিয়ালক অতিৰিক্তভাৱে আৰু ১০,০০০/- টকাকৈ সংস্থাপনৰ বাবে আৰ্থিক সাহায্য দিয়া হয়। কিন্তু তেওঁলোকৰ নিজা পট্টা মাটি নথকাৰ কাৰণে পুনৰ সংস্থাপনৰ সাহায্য পোৱা স্বত্তেও সংস্থাপিত হোৱা নাই।

চৰকাৰে তেওঁলোকক চৰকাৰী মাটি আৱণ্টন দি পুনৰ সংস্থাপন কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছিল। কিন্তু স্থানীয় ৰাইজৰ প্ৰৱল বিৰোধিতাৰ বাবে আইন শৃঙ্খলা পৰিস্থিতি উদ্ভৱ হোৱাত আৰু ন্যায়ালয়ৰ পৰা স্থগিতাদেশ পোৱা বাবে সংস্থাপন কৰিব পৰা হোৱা নাই।

(খ) ওদালগুৰি জিলাত কোনো ক্ষতিগ্ৰস্ত পৰিয়াল বৰ্ত্তমান সাহায্য শিৰিৰত নাই বুলি জিলা উপায়ুক্ত মহোদয়ে জনাইছে। গতিকে নিজ এলেকালৈ ঘূৰি নোযোৱাৰ প্ৰশ্ন নুঠে।

বিষয় ঃ পট্টাত অনুমোদন।

শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

★ ৩৮। মাননীয় ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাৰ্ঘেৰিটা, শদিয়া আৰু তিনিচুকীয়াৰ ভূমি পৰামৰ্শদাতা সমিতিয়ে অনুমোদন জনোৱা ৮ বিঘাৰ তলৰ মাটিৰ কিমান পট্টাত অনুমোদন জনাবলৈ বাকী আছে? (সংখ্যাটো দিব)

(খ) কিমান আবেদন চৰকাৰৰ ঘৰলৈ পঠোৱা হৈছে আৰু কিমান সংখ্যক আবেদন অনুমোদিত হৈ ঘূৰি আহিল? (সংখ্যা দিব)

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

তিনিচুকীয়া জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্যমতে —

(ক) মার্ঘেৰিটা, শদিয়া আৰু তিনিচুকীয়াৰ ভূমি পৰামৰ্শদাতা সমিতিয়ে অনুমোদন জনোৱা ৮ বিঘাৰ তলৰ মুঠ ৩৪৮০ টা প্ৰস্তাৱৰ পট্টাত অনুমোদন জনাবলৈ বাকী আছে।

(খ) ৭০ টা প্ৰস্তাৱ তিনিচুকীয়া জিলাৰ পৰা পোৱা হৈছে। ইতিমধ্যে ৩ টা প্ৰস্তাৱত পট্টনৰ অনুমোদন দিয়া হৈছে। চৰকাৰৰ শেহতীয়া সিদ্ধান্ত অনুসৰি কেবিনেটৰ অনুমোদনৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ Piped water supply scheme এর কাজ।

শ্রী ছিদ্দিক আহমেদ জিজ্ঞাসা করেছেন ঃ

★ ৩৯। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় দক্ষিণ করিমগঞ্জ সমষ্টিতে কতটি Pipe Water Supply Scheme অর্ধ সমাপ্ত অৱস্থায় আছে?

(খ) এই scheme গুলি সম্পূর্ণ করিতে কতদিন সময় লাগবে?

শ্রী রিহণ দৈমারী (জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী) য়ে উত্তর দিয়েছে ঃ

(ক) করিমগঞ্জ জিলায় দক্ষিণ করিমগঞ্জ সমষ্টিতে মোট ৬ (ছয়)টি Pipe Water Supply Scheme অর্ধ সমাপ্ত (নির্মিয়মান) অৱস্থায় আছে এবং ১৩ টি Pipe Water Supply Scheme নির্মীয়মান অৱস্থায় আছে।

(খ) এই অর্ধ সমাপ্ত Scheme গুলি ডিসেম্বর/২০০৯ এর মধ্যে সম্পূর্ণ করার ব্যৱস্থা নেওয়া হয়েছে।

বিষয় ঃ IRP / TSC আঁচনি।

শ্রীৰচুল হকে সুধিছে ঃ

★৪৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ IRP আঁচনিৰ বাবে ২০০৮-০৯ বিত্তীয় বৰ্ষত মুঠ কিমান পৰিমাণৰ ধন আৱন্টন দিয়া হৈছিল ?

(খ) এই IRP আঁচনি ৰূপায়ণ কৰিবলৈ বিভাগে নিয়ম অনুসৰি নিবিদা আহ্বান কৰিছিল নে?

(গ) যদি কৰিছিল, তেন্তে ২০০৯ৰ মাৰ্চৰ শেষৰ ফালে একে ৰাতিৰ ভিতৰত কি নিয়মৰ ভিত্তিত ঠিকাদাৰক Supply Order ৰ লগতে Payment দিয়া হ'ল ?

(ঘ) ধুবুৰী সমষ্টিত TSC আঁচনিৰ কামসমূহ কি নিয়মৰ ভিত্তিত বিতৰণ কৰা হৈছে?

(ঙ) এই TSC আঁচনিৰ কামসমূহ সমষ্টিটোত কোন কোন এলেকাত কৰা হৈছে? (এলেকাৰ নামৰ লগতে কামৰ বিবৰণৰ সবিশেষ সদনৰ মেজত দাখিল কৰিব)

(চ) উক্ত TSC আঁচনিৰ কামসমূহ কোনো প্ৰতিষ্ঠান বা NGO ক অৰ্পণ কৰা হৈছে নেকি ?

(ছ) যদি হৈছে, তেন্তে NGO সমূহক কামসমূহ ভগায় দিয়া হৈছে নে ?

শ্ৰী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰীয়ে উত্তৰ দিছে) ঃ

(ক) ধুবুৰী জিলাত ২০০৮-০৯ বিত্তীয় বৰ্ষত IRP আঁচনিৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ ৪৯,২৫ লাখ টকা।

(খ) ২০০৭-০৮ চনত অনুমোদিত হোৱা এই IRP সমূহ ৰূপায়ণ কৰিবলৈ নিয়ম মতে নিবিদা আহ্বান কৰা হৈছিল।

(গ) ২০০৯ চনৰ মাৰ্চৰ শেষৰ ফালে একে ৰাতিৰ ভিতৰতে ঠিকাদাৰক Supply Order আৰু Payment দিয়া কথাটো সত্য নহয়।

(ঘ) ধুবুৰী সমষ্টিৰ TSC ৰ কামসমূহ ধুবুৰী জিলা পানী আৰু অনাময় মিচনৰ সভাৰ প্ৰস্তাৱ অনুসাৰি ব্লক পৰ্য্যায়ৰ এক পাচজনীয়া সমিতিয়ে অনুমোদিত কৰা স্বেচ্ছাসেৱী সংগঠন সমূহক বিতৰণ কৰা হয়।

(ঙ) ধুবুৰী সমষ্টিত সম্পূৰ্ণ অনাময় অভিযান আঁচনিৰ কামসমূহ কোন কোন গাওঁ পঞ্চায়তত কৰা হৈছে আৰু কামৰ অগ্ৰগতিৰ বিতং তথা অনুসূচী - ১ত সংলগ্ন কৰি দিয়া হ'ল। (See Annexure XI)

(চ) TSC আঁচনিৰ নিৰ্মাণৰ কামসমূহ বিভিন্ন স্বেচ্ছাসেৱী সংগঠন (NGO) ৰ জৰিয়তে কৰা হয়।

(ছ) হয়। NGO সমূহৰ মাজত কামবোৰ ভগাই দিয়া হৈছে।

UNSTARRED QUESTIONS AND ANSWERS

বিষয় ঃ খোৱা পানীৰ আঁচনি।

শ্ৰী হিৰেণ কুমাৰ দাসে সুধিছে ঃ

★ ৪৪। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ পৌৰসভা আৰু টাউন কমিটিৰ জৰিয়তে বিভাগৰ কি কি আঁচনিৰ দ্বাৰা উন্নয়ন সাধন কৰে?

(খ) বিভাগৰ তৰফৰ পৰা যোৱা ২০০৭-০৮ বৰ্ষত খোৱা পানী যোগানৰ অৰ্থে ৩০.৩৬ কোটি টকা ৪০ খন নগৰৰ বাবে অনুমোদন দিয়া হৈছিল নেকি? যদি হৈছিল, এই ৪০ খন নগৰ কোন কোন নগৰ আৰু কিমান টকাকৈ ধাৰ্য্য কৰা হৈছিল?

(গ) মঙ্গলদৈ পৌৰসভা এলেকাৰ ভেৰাৰ ঘাট, গান্ধীময়দান আৰু টেঙাবাৰীৰ

পানী যোগান আঁচনি কেইটা বর্ত্তমান বিকল অৱস্থাত থকাৰ কথাটো বিভাগ অৱগতনে? যদি অৱগত, মঙ্গলদৈ চহৰৰ উক্ত আঁচনি কেইটা নতুনকৈ নিৰ্ম্মাণ কৰাৰ বাবে কোনো ব্যৱস্থা হাতত লৈছে নেকি?

(ঘ) মঙ্গলদৈ পৌৰ সভাই Integrated Housing and Slum Development Project ৰ অধীনত বিভিন্ন কামৰ বাবে মুঠ ৩.৫০ কৌটি টকাৰ নিবিদা যোৱা ২০০৮ বৰ্ষৰ ডিচেম্বৰ মাহতে হৈ যোৱাৰ পাচতো এতিয়ালৈকে কাম আৰম্ভ নকৰাৰ কাৰণটো কি জনাবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) পৌৰসভা ও নগৰ সমিতি সমূহৰ দ্বাৰা তলত উল্লেখ কৰা আঁচনি সমূহৰ জৰিয়তে নিজ নিজ পৌৰ সভা আৰু নগৰ সমিতি এলেকাৰ উন্নয়ন সাধন কৰে ঃ

১) সৰু আৰু মজলীয়া নগৰ আন্তঃ গাঠনি উন্নয়ন আঁচনি (UIDSSMT)

২) সংহত গৃহ নিৰ্ম্মাণ আৰু বস্তি উন্নয়ন আঁচনি (IHSDP)

৩) দহ শতাংশ সাধাৰণ পুজি (100% Pool Fund)

৪) স্বৰ্ণ জয়ন্তী ৰোজগাৰ যোজনা আঁচনি (SJSRY)

ইয়াৰ উপৰিও বিত্ত আয়োগৰ অনুদান আৰু আদায়কৃত মটৰ পৰিবহন কৰৰ পৰা পোৱা ধনৰ জৰিয়তেও পৌৰসভা আৰু নগৰ সমিতি এলেকাত উন্নয়ন আঁচনি লোৱা হয়।

(খ) ২০০৭-০৮ বৰ্ষত ৪০ খন নগৰৰ খোৱাপানী যোগানৰ বাবে ৩০.৩৬ কোটি টকা এই বিভাগৰ দ্বাৰা মোকলাই দিয়া হোৱা নাই। কিন্তু উক্ত বছৰতেই চলিত আঁচনিৰ বাবে ১৫খন নগৰৰ বিপৰীতে পৰিষদৰ দ্বাৰা ৰূপায়ন কৰাৰ বাবে মোকলাই দিয়া হৈছে। বিতং তালিকা পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল। (See Annexure XII)

(গ) মঙ্গলদৈ পৌৰসভা এলেকাৰ ভেৰাৰ ঘাট, গান্ধীময়দান আৰু টেঙাবাৰীৰ পানী যোগান আঁচনি কেইটাৰ বিষয়ে চৰকাৰ অৱগত আৰু আঁচনি কেইটাৰ বৰ্ত্তমান অৱস্থা তলত উল্লেখ কৰা হ'ল ঃ-

১) ভেৰাৰঘাট ঃ বিকল হৈ আছে আৰু পৌৰ প্ৰশাসন সঞ্চালকালয়ৰ পৰা প্ৰতিবেদন বিচৰা হৈছে।

২) টেঙাবাৰী ঃ যান্ত্রিক বিজুতিৰ বাবে বন্ধ হৈ আছে। আৰু বৰ্ত্তমান মেৰামতি কৰি থকা হৈছে, আৰু শীঘ্রেই ইয়াক কার্য্যক্ষম কৰা হ'ব।

৩) গান্ধী ময়দানঃ পানী যোগান আঁচনি চলি আছে।

(ঘ) বিষয়টো বৰ্ত্তমান বিবেচনাধীন হৈ আছে।

বিষয় ঃ পানী যোগান আঁচনি।

শ্রীসুশীল দত্তই সুধিছে ঃ

৪৫। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্ত্তমান কোন কোন পৌৰসভা আৰু নগৰ সমিতিত পানী যোগান আঁচনি আছে? (পানী যোগান আঁচনি থকা আৰু নথকা প্রতিটো পৌৰসভা আৰু নগৰ সমিতিৰ নাম উল্লেখ কৰিব)

(খ) জনসংখ্যা অনুপাতে উক্ত পানী যোগান আঁচনি সমূহ যথেষ্ট হয়নে?

(গ) লামডিং পৌৰসভাৰ অন্তর্গত কোনো পানী যোগান আঁচনি আছেনে?

(ঘ) যদি নাই, তেনেহলে লামডিং পৌৰসভাৰ অন্তর্গত কোনো পানী যোগান আঁচনি লোৱাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নগৰ উন্নয়ন বিভাগৰ অধীনত অসম পানী যোগান ও পয় প্রণালী পৰিষদৰ

জৰিয়তে পানী যোগান আঁচনি থকা ও নথকা নগৰ সমিতি ও পৌৰসভা সমূহৰ বিতং তথ্য পৰিশিষ্ট ক'ত দেখুওৱা হৈছে । (See Annexure-XIII) যিহেতু এই বিভাগৰ বাহিৰেও জনস্বাস্থ্য কাৰীকৰি বিভাগৰো নগৰ অঞ্চলত পানী যোগান আঁচনি আছে। সেয়েহে জনস্বাস্থ্য ও কাৰীকৰি বিভাগৰ পৰাওঁ বিতং তথ্য বিচৰা হৈছে। তথ্যখিনি পোৱাৰ পিছত দাখিল কৰা হব।

(খ) পৰিকল্পনা প্ৰস্তুত কৰা জনসংখ্যা অনুপাতে যথেষ্ট।

(গ) নগৰ উন্নয়ন বিভাগৰ অধীনত কোনো আঁচনি নাই।

(ঘ) লামডিং পৌৰসভাৰ অন্তৰ্গত অঞ্চল সমূহলৈ পানী যোগান ধৰিবলৈ এই বিভাগৰ জৰিয়তে এখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

Sub. : Central Assistance.

Shri Kartik Sena Sinha asked :

46. Will the Minister of Border Areas Development be pleased to state :

(a) When SLC meeting for finalisation of Schemes for 2008-09 Financial year was held? What are schemes selected/ finalised by the SLC and subsequently sanctioned by the Govt. of India?
(Please submit details of sanctioned schemes)

(b) Whether sanctioned schemes which was submitted by the concern D.C. as per guidelines can be modified by simply taking feasibility report/recommendation of D.C.without conducting the District Level Committee Meeting?

(c) Is it true that few schemes under Patharkandi and

Lowairpoa Block schemes are changed/modified?

(d) If so, please state reason for modification and new schemes in details showing its importance?

(e) Is it true that allotted fund from Govt. of India for the State of Assam is curtailled during 2008-09 and 2009-2010.

(t) What are the reasons for failure to achieve and demand more fund for greater development of International Border Areas?

Sri Gautam Roy (Minister, Border Areas Department) replied :

(a) The State Level Screening Committee (SLSC) meeting for finalistion of scheme under BADP (SCA) 2008-09 was held on 17.7.08. Schemes selected and finalized by SLSC and subsequently approved by Govt. of India are attached in Annexure-I. (See Annexure XIV)

(b) There is a Block Level Committee for selection of schemes of Border Areas Development programme (SCA) for each Block. The Deputy Commissioner of the concerned District submit the schemes to the Director of Border Areas, Assam, after approval by the Committee.

The State Level Screening Committee (SLSC) is mandated to finalize the list of schemes for implementation and to approve the Annual Action Plan. Any change in the scheme will be considered in the Department of Border Management, Ministry of Home Affairs, Govt. of India, only after it is recommended by the State Government on account of operational difficulties, Special

circumstances.

(c) Yes.

(d) Reasons for modification are:-

(i) Non-submission of records to establish availability of land.

(ii) New schemes were taken to meet critical gaps in the field of Education, Drinking water and approach road to a village.

(e) Government of India has not released the full amount from the amount allocated for 2008-09 under BADP. For the year 2009-10, Govt. of India has communicated the allocation of fund under BADP and no amount has been released so far.

(f) Normal allocation under BADP has been increased every year upto 2008-09. Demand for more fund can be made if suitable projects fulfilling the requirement of guidelines are formulated subject to timely provision of U.Cs

বিষয় ঃ ম্যাদি পট্টা প্রদান।

শ্রী বলিন চেতিয়াই সুধিছে ঃ

৪৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শদিয়া সমষ্টিত ইতিমধ্যে বহু কেইবাৰৰ LAC ত অনুমোদন জনোৱা বহুলোকৰ ম্যাদি পট্টা যোৱা বহুদিন ধৰি দিয়া হোৱা নাই। LAC ত অনুমোদন হোৱাৰ পাছতো ম্যাদি পট্টা কিয় দিয়া নাই অনুগ্রহ কৰি জনাবনে?

(খ) উক্ত ব্যক্তি সকলক মাটিৰ ম্যাদি পট্টা দিয়াৰ কি ব্যৱস্থা গ্রহণ কৰিছে আৰু কেতিয়া দিয়াৰ ব্যৱস্থা কৰিব জনাবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভূমি উপদেষ্টা সমিতিয়ে অনুমোদন জনোৱা ৫২৬ (পাঁচশ ছাব্বিশ) জন লোকক ম্যাদি পট্টা প্রদান কৰা হৈছে। ১৫১৬ জন লোকক আৱণ্টন পত্র দিয়া হৈছে।

(খ) শদিয়া সমষ্টিৰ মাটি জনজাতীয় বেষ্টনী ভূক্ত হোৱাত ম্যাদি পট্টা প্রদানত কিছু সময়ৰ প্রয়োজন হয়। বৰ্ত্তমান ভূমি উপদেষ্টা সমিতিৰ অনুমোদন প্রাপ্ত ও উপায়ুক্ত কার্য্যালয়ত থকা প্রস্তাৱসমূহ খৱতকীয়াভাৱে ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা গ্রহণ কৰা হৈছে।

বিষয় ঃ টকা আৱণ্টন।

শ্রী অভিজিত হাজৰিকাই সুধিছে ঃ

৪৮। **মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ৰাজ্যখনত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা " Total Sanitation Campaign" ৰ নামৰ আঁচনিৰ বাবে মুঠ কিমান টকা আৱণ্টন দিছে আৰু কিমান টকা মোকলাই দিছে? (প্রতি জিলা অনুসৰি সফলতাৰ হাৰৰ লগতে সবিশেষ জনাব)

(খ) ৰঙাপাৰা সমষ্টিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত মুঠ কিমান টা আঁচনি চলি আছে। প্রতিটো আঁচনিৰ সফলতাৰ হাৰ, অৱণ্টিত টকাৰ পৰিমাণ, মোকলাই দিয়া টকাৰ পৰিমাণ জনাবনে? এই সমষ্টিত নতুনকৈ লবলগীয়া আঁচনি সমূহৰ বিষয়ে জনাবনে?

(গ) শোণিতপুৰ জিলাৰ কিমানটা P.H.E. বিভাগৰ আঁচনি অ-কার্য্যক্ষম হৈ আছে?

শ্রী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত কৰি থকা " Total Sanitation Campaign" নামৰ

আঁচনিখনৰ অধীনত মুঠ আৱণ্টিত ধন হ'ল কেন্দ্রীয় চৰকাৰৰ পুঁজিৰ ৫৪৩৪২.১৯ টকা ৰাজ্য চৰকাৰৰ পুঁজিৰ ১৮৮৮৭.৭০ টকা আৰু হিতাধিকাৰীৰ বাবে ৬৮৮০.৪৪ টকা। তাৰ ভিতৰত কেন্দ্রীয় পুঁজিৰ ১৫২৮.০৪ টকা ৰাজ্য পুঁজিৰ ২১২৮.৪৩ টকা মোকলাই দিয়া হৈছে। হিতাধিকাৰীৰ ৭০৫.২৭ টকা সংগ্রহ কৰা হৈছে।

প্রতিখন জিলাৰ টকা আৱণ্টন আৰু মোকলাই দিয়াৰ বিৱৰণ অনুসূচী-১ ত সংলগ্ন কৰা হ'ল। (See Annexure – XV) প্রতিখন জিলাৰ সফলতাৰ হাৰৰ তথ্য অনুসূচী-২ ত সংলগ্ন কৰা হ'ল। (See Annexure – XVI)

(খ) ৰঙাপাৰা সমষ্টিত মুঠ ১৭ খন পাইপ পানী যোগান আঁচনি চলি আছে আৰু ১১ খন পাইপ পানী যোগান আঁচনি নির্মীয়মান অৱস্থাত আছে। আঁচনি সমূহৰ সফলতাৰ হাৰ আৱণ্টিত আৰু মোকলাই দিয়া ধনৰ পৰিমাণ আদিৰ তথ্য তালিকা - 'খ' ত সংলগ্ন কৰা হ'ল। (See Annexure – XVII) এই সমষ্টিত নতুনকৈ ৪ খন পাইপ পানী যোগান আঁচনি অনুমোদন দিয়া হৈছে।

(গ) শোণিতপুৰ জিলাৰ অধীনত মুঠ ১৭ টা পাইপ পানী যোগান আঁচনি অকার্য্যক্ষম হৈ আছে।

বিষয় ঃ বানপানী আৰু গৰাখনীয়া।

শ্রী আব্দুল খালেকে সুধিছে ঃ

৪৯। মাননীয় ৰাজহ আৰু দুর্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চলিত বছৰৰ মে' মাহত ভূটানে হঠাতে পানী এৰি দিয়াৰ ফলত বৰপেটা জিলাত কিমান ক্ষয় ক্ষতি হ'ল অনুগ্রহ কৰি জনাবনে?

(খ) আকস্মিক এই বানপানীৰ ফলত বৰপেটা জিলাৰ কলগাছিয়া আৰু বাঘবৰ

ৰাজহ চক্ৰৰ খেতি পথাৰৰ কিমান ক্ষয়ক্ষতি হ'ল? (অনুগ্ৰহ কৰি সদনৰ মজিয়াত গাওঁভিত্তিক তালিকা দাখিল কৰিব)

(গ) এই দুৰ্য্যোগত বাঘবৰ চক্ৰৰ অন্তৰ্গত কাৰৈমাৰী, আলিপুৰ আৰু হাছানপুৰৰ কিমান পশুধন নাইকিয়া হল? খেতিপথাৰ আৰু পশুধনৰ ক্ষতি পূৰণ দিয়াৰ বিষয়ে চৰকাৰে কি চিন্তা কৰিছে?

(ঘ) আকস্মিক এই দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা গৰাখহনীয়াৰ ফলত মে' মাহত বাঘবৰ ৰাজহ চক্ৰ এলেকাত কিমান পৰিয়াল গৃহহাৰা হ'ল? (গাওঁভিত্তিক তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(ঙ) গৃহহীন হোৱা এই পৰিয়াল সমূহক চৰকাৰে কি ধৰণৰ পুনৰ সংস্থাপন দিয়াৰ কথা চিন্তা কৰিছে?

ডাঃ ভূমিধৰ বৰ্মণ (ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বছৰৰ মে' মাহত ভূটানে হঠাতে পানী এৰি দিয়াৰ ফলত বৰপেটা গ্ৰাম্য পথ সংমণ্ডলৰ অধিনস্থ চাফা কামাৰ-কাহিতামা পথৰ বেকী নদীৰ ওপৰত থকা পকী দলংখনৰ সংলগ্ন কাঠৰ দলং খন উটুৱাই নিয়াৰ উপৰিও দুয়ো মূৰৰ ৰাস্তাৰ কিছু অংশ খহাই নিয়ে; কলগাছিয়া সৰ-ভোগ পথৰ ঠায়ে ঠায়ে প্ৰায় ২২৫০ মিটাৰ পথ পানীত ডুব যায় আৰু ক্ষতি সাধন কৰে; খাটাকুচি-চাকলা পথৰ প্ৰায় ২৬০০ মিটাৰ পথ পানীত ডুব যায় আৰু ২ টা কালভাৰ্ট সম্বথিতে পথটোৰ ক্ষতি হয়; আমতলা-লাচাংগা পথৰ প্ৰায় ৩২৪০ মিটাৰ পথ পানীত ডুব যায় আৰু পথটোৰ দুটা অংশ খহাই নিয়াৰ লগতে পানীত ডুব যোৱা অংশৰ ক্ষতি হয়।

আনহাতে, বৰপেটা গড়-কপ্তানি ৰাজ্যিক পথ সংমণ্ডলৰ অধিনস্থ বৰপেটা ৰোড-বাঁহবাৰী পথটোৰ ১০ কিঃ মিঃ (লক্ষীচ'ক) অংশটোৰ তিনি ঠাইত খহায় লৈ যোৱাৰ লগতে ৬০০ মিঃ মান পথৰ উপৰিভাগ খহাই নিয়ে। ইয়াৰোপৰি, আকস্মিক এই বানৰ প্ৰকোপত খেতি পথাৰ,

পশুধন আৰু মানুহৰো ক্ষতি সাধন হয়।

(খ) আকস্মিক এই বানপানীৰ ফলত বাঘবৰ ৰাজহ চক্ৰৰ অধিনস্থ ১৪ খন গাঁৱৰ ৭০২ হেক্টৰ খেতি পথাৰৰ মাটিৰ ক্ষতি সাধন হয়। ক্ষতিগ্ৰস্ত গাঁওসমূহ হ'ল — গোবিন্দপুৰ, কাৰৈমাৰী, ৪ নং ভেড়া আলিপুৰ, গৰলা, ইছলামপুৰ, ৰচুলপুৰ, কালামপুৰ, দক্ষিণ চিটলী, বালিকুৰি ননকে, সোণাপুৰ, টাপাজুলি পথাৰ, ১ নং ৰচুলপুৰ আৰু চানপুৰ।

আকৌ কলগাছিয়া ৰাজহ চক্ৰৰ অধিনস্থ ২২ খন গাঁৱৰ ২২৯৬ হেক্টৰ খেতি মাটি ক্ষতি সাধন হয়। ক্ষতিগ্ৰস্ত গাওঁসমূহ হ'ল — ৰৰভাঙ্গা, লাচাংগা, যমৰকুৰ, ভেৰা, হালধীয়া পথাৰ, বেচিমাৰী, গুইলেজা, মোৰামাৰী, মেনি চিমলা, চৰচৰীয়া, বলাইপথাৰ, খাৰবাল্লী, গলিয়া, কাচুকাটী, কাউৰজাহী, শ্ৰীৰামপুৰ, বিলৰটাৰী, দেউকুৰা, দিমাপুৰ, হালধীয়া গাওঁ, আমগুৰি আৰু চুতিৰ পথাৰ।

(গ) এই দুৰ্যোগত বাঘবৰ ৰাজহচক্ৰৰ অন্তৰ্গত কাৰৈমাৰী গাঁৱত ৬ টা গৰু, ১৫ টা ছাগলী, ১২ টা ভেড়া, ১৭৭৮ হাঁহ-কুকুৰা; আলীপুৰ গাঁৱত ৩ টা গৰু, ৩টা ছাগলী, ৪৫৫ হাঁহ-কুকুৰা পানীত উটি যায়। হাচানপুৰ গাঁৱত কোনো পশু ধনৰ ক্ষয়-ক্ষতি হোৱা নাই।

খেতিপথাৰ আৰু পশু ধনৰ ক্ষতি পুৰণ দিয়াৰ সন্দৰ্ভত সংশ্লিষ্ট উপায়ুক্তৰ পৰা প্ৰস্তাৱ পালে "দুৰ্য্যোগ সাহায্য পুঁজি"ৰ নিৰ্ধাৰিত নিয়মাৱলীৰ অধীনত বিষয়টো বিবেচনা কৰা হব।

(ঘ) আকস্মিক এই দুৰ্যোগৰ পৰিপ্ৰেক্ষিতত বাঘবৰ ৰাজহ চক্ৰৰ অধীনস্থ ৮ খন গাঁৱৰ সৰ্বমুঠ ৩৬০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হয়। গাওঁ ভিত্তিক ক্ষতিগ্ৰস্ত পৰিয়াল সংখ্যা হ'ল —

১।	জনীয়া	কাৰৈমাৰী	- ৯১ টা পৰিয়াল
২।	জনীয়া	গোবিন্দপুৰ	- ১১ টা পৰিয়াল

৩। জনীয়া আলিপুৰ - ৫৫ টা পৰিয়াল
৪। জনীয়া ৪ নং ভেড়া - ১৭ টা পৰিয়াল
৫। জনীয়া - ৩৩ টা পৰিয়াল
৬। জনীয়া বালিকুৰি ননকে - ৫৪ টা পৰিয়াল
৭। বাঘবৰ মৰাভাজ - ৩১ টা পৰিয়াল
৮। মন্দিয়া সত্ৰ কনৰা - ১৪ টা পৰিয়াল

মুঠ ৩০৬ টা পৰিয়াল (বিতং তথ্য অনুবদ্ধ ৰূপে সংলগ্ন কৰা হ'ল) (See Annexure-XVIII)

(ঙ) উপায়ুক্তৰ পৰা প্ৰস্তাৱ পালে "দুৰ্যোগ সাহায্য পুঁজি"ৰ নিৰ্ধাৰিত নিয়মৱলীৰ অধীনত বিষয়টো বিবেচনা কৰা হব।

Sub : Flood Protection.

Shri Sanjay Raj Subba asked :

50. Will the Minister of Water Resources be pleased to state :

(a) Whether the Government is aware of the fact that the devastating flood of last June 2008 at Naoboicha L.A.C. had badly damaged the Houses, Roads bridges moreover 10-14 peoples had lost their lives?

(b) Is it a fact that the Hon'ble Minister of Water Resources and the questionner had visited those flood affected areas and the matter had been intimated to the Government for the work of "Bundh protection of both bank at Dikrong River from Rangade reserve to Khikhaguri via-Banderdeva, Dongibill and at Bongalmara G.P?

(c) If so, how much amount had been sanction/spent for flood protection at those embankment and breach portion at Naobaicha L.A.C?

(d) If not, when the Government will sanction and start the said works those flood affected areas of Naobaicha L.A.C?

Shri Prithibi Majhi (Water Resources Minister) replied :

(a) Yes, during the flood June, 2006, flood embankment of river Rangamati and Singra were breached at several places.

As per record of District Civil Authority the damages due to flood of 2008 is as follows :

1. Loss of human lives 5 Nos.
2. Damages of Houses 5251 Nos.
3. Damage of PWD Road at 3 places
4. Damage of bridge Nil.

(b) Yes, 5 (five) Nos. of schemes have been formulated for taking up under different heads to protect the flood affected areas.

Out of these, 4 (four) Nos. of schemes sanctioned by the Revenue Department are being taken up. The D.P.R. of the remaining scheme recommended by 45th T.A.C is under preparation.

(c) A total of Rs. 1608.86 lakhs has been sanctioned by the Revenue Department, Assam against 4(four) Nos. of F.D.R. schemes, but no fund has yet been released.

(d) The Revenue Department, Assam has already sanctioned 4(four) Nos. of schemes, work of which are being teken up.

Another scheme recommended by 45th T.A.C. (for Rs. 82.09 crore), D.P.R of which is under preparation and can be taken up after obtaining statutory clearance/ sanction from Govt. of India and Govt. of Assam.

বিষয় ঃ বিশুদ্ধ খোৱা পানী।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

৫১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ সমষ্টিত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে কি কি আঁচনি আছে?

(খ) এই আঁচনিবোৰ প্রকৃতার্থত ব্যৱহৃত হৈছেনে?

(গ) যদি হৈছে, ক'ত ক'ত ব্যৱহৃত হৈছে আৰু ক'ত, ক'ত বিকল হৈ আছে?

(ঘ) ভৱানীপুৰ সমষ্টিৰ বৈজ্ঞানিক পদ্ধতিত স্থাপিত বিশুদ্ধ খোৱাপানী যোগানৰ কিমানটা আঁচনি ৰূপায়ণ কৰা হৈছে আৰু এইবোৰ ক'ত ক'ত অৱস্থিত?

(ঙ) এইবোৰ ৰাইজৰ উদ্দেশ্যে ব্যৱহাৰৰ উপযোগী হৈ উঠিছেনে?

(চ) যদি হোৱা নাই, কিয় উপযোগী হোৱা নাই আৰু কেতিয়া ব্যৱহাৰৰ উপযোগী হব?

শ্রী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ভৱানীপুৰ সমষ্টিত খোৱাপানী যোগানৰ বাবে পাইপ পানী যোগান

আঁচনিৰ উপৰিও হস্তচালিত নলী নাদ যেনে ঃ চিংগুল হেন্দ পাম্প, ডাইৰেক্ট একচন হেন্দ পাম্প, মার্ক-টু, মার্ক-থ্রি আৰু পকী কুৱাৰ দ্বাৰা পানী যোগান ধৰা আঁচনি আছে।

(খ) কার্য্যক্ষম হৈ থকা আঁচনিবোৰ প্রকৃতার্থত বিশুদ্ধ খোৱা পানী সেৱাৰ বাবে ব্যৱহৃত হৈছে।

(গ) ব্যৱহৃত হৈ থকা আৰু বিকল হৈ থকা পাইপ পানী যোগান আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল ঃ

চলি থকা পাইপ পানী যোগান আঁচনিৰ নাম ঃ

১। ভৱানীপুৰ পাইপ পানী যোগান আঁচনি।

২। কলবাৰী পাইপ পানী যোগান আঁচনি।

৩। কহৰা পাইপ পানী যোগান আঁচনি।

৪। পুঠিমাৰী মেধিকুছি পাইপ পানী যোগান আঁচনি।

৫। কদৈদগুৰি পাইপ পানী যোগান আঁচনি।

৬। গলিয়া পাইপ পানী যোগান আঁচনি।

বিকল হৈ থকা আঁচনিৰ নাম ঃ

১। সৰুপেটা পাইপ পানী যোগান আঁচনি।

২। কৰাগুৰি পাইপ পানী যোগান আঁচনি।

তাৰোপৰি ২৭২৯ টা Spot Source ৰ ভিতৰত ১৫৩ টা বিকল অৱস্থাত আছে।

(ঘ) উক্ত সমষ্টিত বৈজ্ঞানিক পদ্ধতিত ৰূপায়ণ কৰা বিশুদ্ধ খোৱা পানী যোগান আঁচনিৰ তথ্য Annexure-B ত সংলগ্ন কৰা হ'ল।
(See Annexure-XIX)

(ঙ) কার্য্যক্ষম হৈ থকা আঁচনিবোৰ ৰাইজৰ ব্যৱহাৰ বাবে উপযোগী হৈছে। নির্মাণৰত আঁচনিবোৰ সম্পূর্ণ হলে এইবোৰ আঁচনিও ৰাইজৰ ব্যৱহাৰৰ উপযোগী হৈ উঠিব।

(চ) নির্মাণৰত আঁচনিবোৰ পুনৰ কার্য্যক্ষম কৰিবলৈ পুঁজি সাপেক্ষে পর্য্যায়ক্রমে কার্য্যক্ষম কৰিবলৈ ব্যৱস্থা লোৱা হৈছে আৰু তেতিয়া ৰাইজৰ ব্যৱহাৰৰ উপযোগী হৈ উঠিব।

বিষয় ঃ বিদেশী চিনাক্তকৰণ।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

৫২। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা ২০০৯ চনৰ ৩০ মে' তাৰিখলৈকে ৰাজ্যৰ কিমানজন বিদেশীক চিনাক্তকৰণ আৰু বহিস্কৰণ কৰা হ'ল?

(খ) চিনাক্তকৰণ আৰু বহিস্কৰণ হোৱা বিদেশী সকলৰ নাম ঠিকনা জনাবনে?

(গ) বহিস্কৰণ হোৱা সকলো বিদেশীক সংশ্লিষ্ট ৰাষ্ট্রই গ্রহণ কৰিছেনে?

(ঘ) যদিহে গ্রহণ কৰা নাই, কোন কোন ৰাষ্ট্রই গ্রহণ কৰা নাই?

(ঙ) গ্রহণ নকৰাৰ কাৰণ সমূহ কি কি?

ডাঃ ভূমিধৰ বর্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ইং ২০০৬ চনৰ জানুৱাৰীৰ পৰা ইং ২০০৯ চনৰ ৩০ এপ্রিললৈকে ৪৩২৭ জন ব্যক্তি বিদেশী হিচাবে চিনাক্ত কৰা হয় আৰু ৪৬ জন ব্যক্তিক বহিস্কৃত কৰা হয়।

(খ) বিদেশী হিচাবে চিনাক্ত হোৱা ব্যক্তি সকলৰ নাম ঠিকনা সংগ্রহ কৰি থকা হৈছে। উক্ত সময় ছোৱাত বহিস্কৃত ব্যক্তি সকলৰ নাম আৰু ঠিকনা

পৰিশিষ্ট 'ক' ত সংলগ্ন কৰা হ'ল।

(গ), (ঘ) আৰু (ঙ) ঃ বহিস্কাৰ কৰিবলগীয়া বিদেশীৰ যাৱতীয় তথ্য সঠিকভাৱে থাকিলে সংশ্লিষ্ট ৰাষ্ট্রই সাধাৰণতে গ্রহণ কৰে। কোনো কোনো ক্ষেত্রত বাংলাদেশ কর্তৃপক্ষই বহিস্কৃত কৰিবলগীয়া ব্যক্তিৰ পিতাৰ নাম, ঠিকনা আদিৰ শুদ্ধাশুদ্ধ বিচাৰ (verification) ৰ অজুহাতত গ্রহণ কৰিব নিবিচাৰে।

Sub : Repairing of P.W.S.S.

Dr. Alaka Sarma asked :

53. Will the Minister of P.H.E. be pleased to state :

(a) Is it a fact that a tender has been called for repairing of many PWSS in Nalbari District?

(b) Is it a fact that no clear guidelines are mentioned? Kindly mention the actual terms and conditions mentioned in the tender?

Shri Rihan Daimary (Minister, P.H.E.) replied :

(a) Yes,

(b) Tenders are invited specifying the job description followed by the agreement in APWD F-2 form.

বিষয় ঃ খোৱাপানী যোগান আঁচনিৰ সংখ্যা।

শ্রী উদ্ধৱ বর্মনে সুধিছে ঃ

৫৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) সৰভোগ সমষ্টিত মুঠতে কিমানটা খোৱা পানী যোগান আঁচনি এতিয়ালৈ

নির্মাণ কৰা হৈছে?

(খ) ইয়াৰ ভিতৰত কিমানটা আঁচনি কার্য্যকৰী অৱস্থাত আছে?

(গ) অকামিলা হৈ পৰা খোৱাপানী যোগান আঁচনিবোৰ কার্য্যক্ষম কৰি তোলাৰ বাবে কিবা ব্যৱস্থা লোৱা হৈছে নেকি? কোন কোন ঠাইৰ আঁচনিৰ ক্ষেত্রত এনে ব্যৱস্থা লোৱা হৈছে?

(ঘ) নতুনকৈ খোৱাপানী যোগান আঁচনি প্রস্তুত কৰা হৈছে নেকি? কোন কোন ঠাইত এনে আঁচনি নির্মাণৰ ব্যৱস্থা কৰা হৈছে? কেতিয়াকৈ এই আঁচনিবোৰ কার্য্যকৰী হ'ব?

শ্রীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সৰভোগ সমষ্টিত বর্ত্তমানলৈ গ্রহণ কৰা ১৮ (ওঠৰ) টা পাইপ পানী যোগান আঁচনিৰ ভিতৰত ১৩ (তেৰ) টা আঁচনিৰ কাম সম্পূর্ণ কৰা হৈছে।

(খ) বর্ত্তমানে ৮ (আঠ)টা আঁচনি কার্য্যকৰী অৱস্থাত আছে।

(গ) অকামিলা হৈ থকা আঁচনিসমূহ কার্য্যক্ষম কৰিবলৈ প্রাক্কলন প্রস্তুত কৰা হৈছে। ইতিমধ্যে বালাভিটা আৰু বালাপেট আঁচনি দুখনৰ অনুমোদন হোৱাৰ পিছত আঁচনি দুখনৰ কাম চলি আছে।

(ঘ) হৈছে। ডমকাপাৰা চুবা আৰু পশ্চিম চুবা সামৰি আহোম পথাৰৰ মাজেৰে এটা পাইপ পানী যোগান আঁচনিৰ কাৰিকৰী অনুমোদন পোৱা হৈছে আৰু প্রশাসনীয় অনুমোদন হোৱাৰ পাচত আৰম্ভ কৰা হব।

বিষয় ঃ বিদেশী নাগৰিক বহিস্কৰণ ও চিনাক্তকৰণ।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৫৫। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা এতিয়ালৈকে কিমান বিদেশী বহিস্কৰণ আৰু চিনাক্তৰণ কৰা হ'ল? চিনাক্তৰণ কৰা বিদেশী সকলক ক'ত ৰখা হৈছে?

(খ) অসমত এতিয়ালৈকে কিমানখন ট্ৰিবিউনেল গঠন হ'ল আৰু উক্ত ট্ৰিবিউনেল সমূহ কাৰ্য্যকৰী কৰা হ'লনে?

(গ) অসম চুক্তিৰ ৭ নং দফা অনুযায়ী খিলঞ্জীয়া মানুহৰ ৰক্ষণাবেক্ষণ সম্পৰ্কত ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ পৰা আগবঢ়োৱা পৰামৰ্শসমূহ মানি লৈছেনে?

(ঘ) ৰাজ্য চৰকাৰৰ পৰামৰ্শসমূহ যদি কেন্দ্ৰীয় চৰকাৰে মানি লোৱা নাই, তেনেহলে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঙ) ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীত কৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে এতিয়ালৈকে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(চ) ভাৰত-বাংলাদেশ আৰু বাংলাদেশ অসমৰ সীমান্তৰ কাটা তাঁৰ বেৰৰ কাম সম্পূৰ্ণ হবলৈ কিমান বাকী আছে আৰু কোন বছৰত উক্ত কাম সম্পূৰ্ণ হব? নদী পহৰাৰ কাম কাৰ্য্যকৰী কৰা হ'লনে?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ইং ২০০১ চনৰ পৰা ইং ২০০৯ চনৰ ৩০ এপ্ৰিললৈ সৰ্বমুঠ ২২৮৬ জন বিদেশীক বহিস্কাৰ কৰা হয়। ইয়াৰ ভিতৰত ২১৪৭ জন নতুন। পুনঃ অনুপ্ৰবেশকাৰী, ৮৪ জন বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা চিনাক্ত কৰা বিদেশী আৰু ৫৫ জন অবৈধ প্ৰব্ৰজকাৰী (চিনাক্তকৰণ) ন্যায়াধীকৰণ আইন ১৯৮৩ দ্বাৰা চিনাক্ত হোৱা বিদেশী। উক্ত সময় চোৱাৰ ভিতৰত সৰ্বমুঠ ১১৫৬৩ জন লোকক ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী হিচাবে চিন্তাক্তকৰণ কৰা হৈছে। (তাৰে IM(D)T Act ৰ অধীনত ২৬৪৩ জন আৰু Foreigner's Act ৰ অধীনত ৮৯২০ জন) উক্ত ৮৯২০ জনৰ ৬১৮৮ জন প্ৰাক ১৯৭১ ধাৰাৰ বিদেশী।

বর্তমান বিদেশী হিচাবে চিনাক্ত হোৱা ব্যক্তি সকলক আৱদ্ধ কৰি ৰখাৰ বাবে ব্যৱস্থা নাই যদিও (Detention Centre) স্থাপন কৰাৰ বাবে অলপতে অসম চৰকাৰে অধিসূচনা জাৰি কৰিছে।

(খ) অসমত বর্তমান ৩২ খন বিদেশী ন্যায়াধীকৰণ আছে আৰু এই ন্যায়াধীকৰণ কেইখন কার্য্যক্ষম।

(গ) অসম চুক্তিৰ ৬ নং দফা অনুযায়ী অসমীয়া মানুহৰ ৰক্ষণাবেক্ষনৰ কাৰণে শ্রীমন্ত সংকৰদেৱ কলাক্ষেত্র আৰু জ্যোতি চিত্রবন স্থাপন কৰা হৈছে আৰু Historical Monument ৰ ৰক্ষণাবেক্ষনৰ বাবে আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত Assamese Chair স্থাপনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

অক্টোবৰ ১৯৮৬ আৰু ডিচেম্বৰ ১৯৮৮ চনত অসম চৰকাৰে কেন্দ্রীয় চৰকাৰলৈ আগবঢ়োৱা পৰামর্শসমূহৰ ওপৰত কেন্দ্রীয় চৰকাৰে চুৰান্ত সিদ্ধান্ত লোৱা নাই।

(ঘ) সদৌ অসম ছাত্র সংস্থাই সাংবিধানীক, বিধায়িনী, প্রসাশনিক ৰক্ষণাবেক্ষনৰ বাবে আগৰঢ়োৱা পৰামর্শৰলী Sub-Tripartite Committee ৰ ১৮-১১-২০০৫ ত অনুস্থিত সভাই অসম চৰকাৰক অসম চৰকাৰৰ পৰামর্শ আগ বঢ়াৰলৈ অনুৰোধ কৰে। সেইবাবে ১৯-১০-২০০৬ তাৰিখে অসম চৰকাৰে চুক্তি ৰূপায়ণৰ ৬ নং দফাৰ সকলো বিষয় তথা অসমীয়াৰ সংজ্ঞা চালি জাৰি চাবৰ বাবে ডাঃ ভূমিধৰ বর্মন, মন্ত্রী অসম চুক্তি ৰূপায়ণ বিভাগৰ অধীনত এখন মন্ত্রী সকলৰ কমিটি গঠন কৰি দিয়ে। এতিয়া বিষয়টো কমিটিৰ বিচাৰধীন হৈ আছে।

(ঙ) ৰাষ্ট্রীয় নাগৰিক পঞ্জী উন্নীত কৰণৰ বাবে অসম চৰকাৰে প্রাৰম্ভিক কাম কাজ যেনে ১৯৭১ চনলৈকে থকা ভোটাৰ তালিকাৰ Scanning আৰু ১৯৫১ চনৰ উপলব্ধ ৰাষ্ট্রীয় নাগৰিক পঞ্জী তথা ১৯৭১ চনলৈকে উপলব্ধ ভোটাৰ তালিকাৰ Data Entry কৰোৱা হৈছে। ইতিমধ্যে

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ বাবে মডেলিটিজ আৰু Standard operating Procedure তৈয়াৰ কৰি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

(চ) সীমান্ত নদী পহৰাৰ কাম Border Security Force ৰ দ্বাৰা কার্য্যকৰী কৰা হৈ আছে। ভাৰত-বাংলাদেশ সীমান্ত কাটা তাঁৰৰ বেৰৰ কাম সম্পূর্ণ হোৱা আৰু বাকী থকা তথ্য ভাৰত চৰকাৰৰ পৰা বিচৰা হৈছে। অসম গড়কাপ্তানি বিভাগক অর্পণ কৰা ফেজ- II Fencing ৰ কামৰ ১.৩৩৮ কিঃমিঃ কাম বাকী আছে য'ত ৫ নং Sluice Cum Bridge ৰ কাম চলি আছে। এই কামটো মার্চ ২০১০ চনত সম্পূর্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

Sub : Number of Schemes.

Dr. Aditya Langthasa asked :

56. Will the Minister of Water Resources be pleased to state :

(a) Will the Government furnish the number of schemes and allocation of money for the protection of flood and erosion, undertaken by the water Resources Department for Nagaon District during last three years? (please mention LAC wise)

(b) How many of the above mentioned schemes have been implemented? (please given dtails L.A.C wise)

Sri Prithibi Majhi (Water Resources Minister) replied :

(a) The Water Resources Department has takenup 23 (Twenty three) nos. of schemes for protection of flood and erosion and repairing of flood damages in Nagaon

District during the last three years. Total estimeted amount for these schemes is Rs. 4457.22 lakhs and allocation of fund is Rs. 1790.28 Lakhs.

Details of the schemes has been mentioned in annexure–I. (See Annexure – XXI)

(b) Out of the above 23 nos. of schemes have been implemented and 17 (Seventeen) Nos. of schemes have already been completed. The LAC wise breakup of these schemes are :

i)	Raha L.A.C	6 Nos.
ii)	Dhing L.A.C	1 No.
iii)	Kaliabor L.A.C	1 No.
iv)	Samaguri L.A.C	2 Nos.
v)	Hojai L.A.C	2 Nos.
vi)	Rupahi L.A.C	1 No.
vii)	Barhampur L.A.C	1 No.
viii)	Nagaon Sadar L.A.C	2 Nos.
	Total	17 Nos.

Out of 6 Nos. ongoing Schemes, the L.A.C. wise breakup is as under –

i)	Raha L.A.C	2 Nos.
ii)	Kaliabor L.A.C	2 Nos.
iii)	Hojai L.A.C	1 No.
iv)	Samaguri L.A.C	1 No.
	Total	6 Nos.

বিষয় ঃ পানী যোগান আঁচনি।

শ্রী অনন্ত ডেকাই সুধিছে ঃ

৫৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৫৭ নং ৰঙিয়া সমষ্টিত ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত সৰ্বমুঠ কিমানটা পানী যোগান আঁচনি নতুনকৈ গ্রহণ কৰা হৈছে?

(খ) প্রতিটো আঁচনিৰ ব্যয় কিমান আৰু কোন কোন ঠিকাদাৰে এই আঁচনি ৰূপায়ণৰ দায়িত্ব পাইছে?

(গ) সমষ্টিটোত কিমানটা আঁচনি সচল আৰু কিমানটা বিকল হৈ আছে?

(ঘ) বিকল হৈ থকা আঁচনি সমূহ সচল কৰাৰ বাবে চৰকাৰে কি আঁচনি গ্রহণ কৰিছে?

শ্রী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৫৭ নং ৰঙিয়া সমষ্টিত ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বৰ্ষত ৰঙিয়া সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত বিভিন্ন শিতানত সৰ্বমুঠ ২৫ টা নতুন পাইপ পানী যোগান আঁচনি গ্রহণ কৰা হৈছে।

(খ) প্রতিটো আঁচনিৰ বৰ্ত্তমানলৈ ব্যয় আৰু কোন কোন ঠিকাদাৰে এই আঁচনিৰ ৰূপায়ণৰ দায়িত্ব পাইছে তাৰ বিতং তথ্য Annexure–I ত সংলগ্ন কৰা হ'ল। (See Annexure–XXII)

(গ) ৫৭ নং ৰঙিয়া সমষ্টিত ৰঙিয়া (জনস্বাস্থ্য কাৰিকৰী বিভাগ সংমণ্ডলৰ অধীনত বৰ্ত্তমান ২৩ টা পানী যোগান আঁচনি সচল হৈ আছে। বিকল হৈ থকা আঁচনি বৰ্ত্তমান নাই) বিতং তথ্য Annexure–II ত সংলগ্ন কৰা হ'ল। (See Annexure–XXIII)

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ আঁচনিত টকা ধার্য্য।

শ্রী সুশীল দত্তই সুধিছে ঃ

৫৮। মাননীয় নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগৰ উন্নয়ন বিভাগৰ বিভিন্ন সময়ত ০১-০৪-০৪ ইং তাৰিখৰ পৰা ৩১-০৩-০৯ ইং তাৰিখ পর্য্যন্ত ৰাজ্যখনত থকা সকলো পৌৰ-সভা আৰু নগৰ সমিতিত কি কি আঁচনিত কিমান টকা দিয়া হৈছে? (প্রতিটো পৌৰ সভা আৰু নগৰ সমিতিৰ বিপৰীতে বিভিন্ন আঁচনিৰ নাম আৰু ধার্য্য কৰা টকা বেলেগ বেলেগ কৰি উল্লেখ কৰিব)

(খ) ৰাজ্যখনত প্রতিটো নগৰ সমিতি আৰু পৌৰ-সভাৰ এলেকা সমূহ প্রতিদিনে পৰিস্কাৰ কৰি ইয়াত আৱর্জনা সমূহ পেলোৱাৰ বাবে নির্দিষ্ট স্থান (Land) আছেনে?

(গ) যদি আছে, কোন কোন পৌৰ-সভা আৰু নগৰ সমিতিত আছে?

(ঘ) যদি নাই, তেতিয়া হলে এই পৌৰ-সভা আৰু নগৰ সমিতি বোৰ কেনে ধৰণে পৰিস্কাৰ কৰি ৰাখিব?

(ঙ) যদি কোনো পৌৰ-সভা বা নগৰ সমিতিৰ নামত Revenue Department য়ে জমি আৱণ্টন কৰিছে তেন্তে এই জমিবোৰ প্রকৃতার্থে পৌৰ-সভা বা নগৰ সমিতিক হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্রী দীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়নৰ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিতং তথ্য পৰিশিষ্ট 'ক' আৰু 'খ' ত সন্নিবিষ্ট কৰা হ'ল। 'ক' পৰিশিষ্ট পৌৰ প্রশাসন সঞ্চালকালয়ৰ দ্বাৰা আগবঢ়োৱা অনুদান আৰু 'খ' পৰিশিষ্ট নগৰ ও গাওঁ পৰিকল্পনা সঞ্চালকালয়ৰ দ্বাৰা আগবঢ়োৱা অনুদানৰ বিৱৰণ।

(খ) তথ্য বিচৰা হৈছে।

(গ) তথ্য বিচৰা হৈছে।

(ঘ) পৌৰ-সভা আৰু নগৰ সমিতি সমূহৰ পৰা তথ্য পোৱাৰ পিচত বিষয়টো স্পষ্ট হব।

(ঙ) পৌৰ-সভা আৰু নগৰ সমিতিৰ নামত ৰাজহ বিভাহে আৱণ্টন দিয়া মাটিত কোনো বিবাদ নাথাকিলে সংশ্লিষ্ট পৌৰ-সভা বা নগৰ সমিতিক হস্তান্তৰ নকৰাৰ প্ৰশ্নই নুঠে।

বিষয় ঃ চৰকাৰী মাটি দখল।

শ্ৰী আব্দুল আজিজে সুধিছে ঃ

৫৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিত ২৬ খন গাওঁ পঞ্চায়তত কিমান চৰকাৰী মাটি আছে?
(গাওঁ পঞ্চায়ত অনুযায়ী তালিকা সদনৰ মেজত দিব)

(খ) উক্ত চৰকাৰী মাটি কাৰ দখলত আছে?

(গ) উক্ত চৰকাৰী মাটিত যিসকল ভূমিহীন মানুহ যুগ যুগ ধৰি বসবাস কৰি আছে তেওঁলোকৰ নামত মাটি পট্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যদি কৰে, কেতিয়াৰ পৰা পট্টন দিয়াৰ ব্যৱস্থা কৰিব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিত ২১ খন গাওঁ পঞ্চায়ত আছে। এই পঞ্চায়ত সমূহৰ ৩,৭৯৪ বিঘা ৩ কঠা সাধাৰণ চৰকাৰী মাটি আছে। গাওঁ পঞ্চায়ত অনুযায়ী মাটিৰ তথ্য তালিকা — 'ক' সদনৰ মেজত দাখিল কৰা হ'ল।

(খ) দখলকাৰীৰ তালিকা সদনৰ মেজত দাকিল কৰা হ'ল (তালিকা — 'খ')।(See Annexure-XXVI)

(গ) আৰু (ঘ) প্ৰস্তাৰ পালে বিষয়টো পৰীক্ষা কৰি ভূমি নীতিৰ আধাৰত ব্যৱস্থা লোৱা হব।

Sub : Nos. of Registered Contractors.

Shri Sirajuddin Ajmal asked :

60. Will the Minister of Public Health Engineering be pleased to state :

(a) How many Registered Constractors are working under the office of the Executive Engineer, PHE, Hojai division?

(Furnish the list in details with bio-data of the contractors)

(b) What are the different Schemes of PHE under implementation in the Sub-Division, Hojai at the moment?

(Furnish the list alongwith the amount sanctioned and also the names of the concerned contractors)

(c) How many households are using underground drinking water having floride content above the danger level?

(d) Has the Government taken any precautionary measure regarding those HTWS which are providing water having floride content above the danger level? If so, what? If not, why?

(e) Are there any alternative sources of water supply as proposed by the Government in this regard? If so, give in details with progress of the schemes till date?

Shri Rihon Daimary (Misnister P.H.E.) replied :

(a) There are 273 (two hundred seventy three) Nos. of Registered contractors of various categories working under office of the Hojai (PHE) Division.

(The list of Contractors alongwith their bio-data is enclosed herewith at Annexure–I).
(See Annexure – XXVII)

(b) There are 47 (forty seven) Nos. different schemes of PHE under implementation in the Hojai sub-Division at present. (The list alongwith the amount sanctioned also the names of the concerned contractors is Annexed–II ('A' & 'B'). (See Annexure – XXVIII)

(c) House hold convering 293 Nos. of habitations so far identified by the Department having Floride excess over permissible limit.

(d) (i) Yes, The sources in the affected habitations have been marked red with cross sign and the villagers were advised not to use for drinking and cooking purpose.

(ii) Out of 293 Nos. of Flouride affected habitatic 33 Nos. have been already covered by P.W.S.S. by alternative surface sources and balanced 260 Nos. of habitation where schemes have been taken up.

(iii) Does not arise.

(e) Yes, detail information on status of progress are furnished in Annexure – III. (See Annexure – XXIX)

Sub : Khalasi Worker's Duties.

Shri Kartik Sena Sinha asked :

61. Will the Minister of Water Resources be pleased to state :

(a) Whether the appointment of Khalasi Workers/Staff are temporary or permanent basis?

(b) What is the actual duties of Khalashi Staff of Water Resources Department and how many Khalasis are presently in service?
(Give details Division-Wise and Sub-Division-wise)

(c) Whether Khalashi Staffs of Patharkandi Sub-Division are there or transfered/posted some where?

(d) If so, when and where they are working now and under whom?

(e) Is it true that the maximum numbers of Khalashi staffs never performed their duties place and only appear to receive the monthly salary?

(f) If so, what action has been taken by the Government to deploy them on duty accordingly?

Shri Prithibi Majhi (Water Resources Minister) replied :

(a) There are 2(two) categories of Khalashis namely :

(1) Regular Khalashi

(2) Work Charged Khalashi

The Khalashi from regular category are engaged/ appointed against sanctioned post and their services

may be considered as permanent after fulfill of some criteria as per the Government Rules.

The second category of Khalashis i.e. work charged Khalashi are engaged as per norms/requirement of Departmental structure where in there is no any sanctioned regular post.

(b) The duties of Khalasis of Water Resources Department is to assist the departmental Sectional officer in maintaining the existing departmental structure i.e. embankment, drainage, sluice etc. and also in executing of new works.

At present a total of 2029 (two thousand twenty nine) Nos Khalashis from both categories as mentioned in reply (a) above are in service in various divisions under Water Resources Deptt. (A list showing the Nos of Khalashis in various Divisions is enclosed as Annexure–I. (See Annexure–XXX) Sub-Division-wise list of Khalashis is being collected).

(c) There is no such instance.

(d) Does not arise.

(e) The Khalashis are performing their duties and drawing salaries on the basis of duty report from respective Sub-Divisional officers.

(f) Does not arise.

Sub : Nos. of Water Supply Scheme.

Shri Mission Ranjan Das asked :

62. Will the Minister of Public Health Engineering be pleased to state :

(a) How many pipe water supply Schemes were proposed and sanctioned during 2007-08, 2008-09 and 2009-2010 in Assam?

(Give the district wise and year-wise details)

(b) How many of such schemes were proposed and sanctioned during that period under Karimganj North LAC? (Please give the details year wise)

(c) What are other schemes taken during that period under Karimganj North LAC?
(Give the year-wise list of schemes)

(d) How many pipe water supply Schemes of total schemes are in running condition and how many schemes are remaind uncommissioned, incomplete, half-done and defunct stage?

(e) What steps will be taken to commission completion and to make complete and functional?

Shri Rihon Daimary (Minister, PHE Deptt.) replied :

(a) Total Nos. of PWSS proposed and sanctioned during 2007-08, 2008-09 and 2009-10 for general areas are as follows :

	2007-08	2008-09	2009-10
(i) Proposed	1177	967	–
(ii) Sanctioned	1027	414	–

(District wise and year wise details are placed at Annexure–A) (See Annexure –XXXI)

(b) Total 29 Nos. of pipe water supply schemes were proposed and 17 Nos. of pipe water supply schemes had been sanctioned during 2007-08, 2008-09 and 2009-2010 under Karimganj North LAC as detailed below :

	2007-08	2008-09	2009-2010
Proposed	10 Nos.	19 Nos.	–
Sanctioned	10 Nos.	7 Nos.	–

(c) During that period 33 Nos. of DAHP and 43 Nos. of Ring well sanctioned under North Karimganj LAC.

(d) Under North Karimganj LAC, out of 50 Nos. of PWSS 33 Nos. of PWSS are in running condition and 9 Nos. of schemes are in ongoing stage which includes uncommissioned, incomplete and half done and 8 Nos. of schemes are in defunct stage.

(e) Steps have been taken to complete all the ongoing scheme at earliest and also to make defunct schemes functional in phase manner subject to availability of fund.

Sub : Flood Relief at Naoboicha LAC.

Shri Sanjay Raj Subba Asked :

63. Will the Minister of Revenue be pleased to state :

(a) How much amount had been sanctioned by the Government as flood relief to the victims of Naoboicha LAC, district Lakhimpur where people had lost their Houses/Agricultural lands, and Essential commodities during last devastating flood at June, 2008?

(b) Whether the Government is aware of the fact that there have been severe anomilities in Revenue Circles of Naoboicha LAC regarding distribution of flood relief?

(c) If it a fact that the relief had been provided twice to the same person depriving the actual genuine flood affected peoples?

(d) Is it also a fact that the matter had been intimated to the Deputy Commissioner, lakhimpur to verify the matter and to take immediate necessary action?

(e) If so, why action has not been taken so far?

Dr. Bhumidhar Barman (Minister, Revenue & D.M.) replied :

(a) An amount of Rs. 1,03,78,000.00 (one crore three lakh seventy eight thousand) only was provided towards relief to the victims of Naobicha Revenue Circle, whose Houses/Agricultural lands, Essential Commodities were damaged during flood, 2008. State Government has sanctioned another amount of Rs. 15,00,000.00 (Fifteen lakh) only for desiltation of 250 Hectares of agricultural land.

(b) It was reported from some quarters about occurrences of anomalies in distribution of relief to flood affected families in Lakhimpur district.

(c) The Deputy Commissioner, Lakhimpur has intimated that no relief was provided to one beneficiary twice.

(d) Yes, the Deputy Commissioner, Lakhimpur took steps accordingly.

(e) The Deputy Commissioner, Lakhimpur had suspended 4 Lot Gaoburas and transferred one Lot Mandal found connected with the alleged irregularities.

বিষয় ঃ পূঁজি আৰুন্টন।

মোঃ মহিবুল হকে সুধিছে।

৬৪। মাননীয় নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনে ঃ

ক) অসমত সর্বমুঠ কিমানটা Development Authority আছে আৰু সেইবোৰৰ নাম কি?

খ) এই Development Authority সমূহক কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰে কিমান পূঁজি আৰু কোন কোন সময়ত আগবঢ়াইছে?

গ) এই Development Authority বোৰৰ মুখ্য ভূমিকা কি আৰু চৰকাৰে ইয়াক কি ধৰণে সহায় আগবঢ়াই আছে?

ঘ) Dhubri Gauripur Development Authority ৰ বাবে চৰকাৰে কিবা অনুদান আগবঢ়াইছেনে?

ঙ) যদি অনুদান দিয়া নাই, কিয় দিয়া নাই, ভৰিষ্যতে দিবনে?

চ) এই Authority ৰ Master Plan কি?

ছ) এই Authority য়ে ইয়াৰ এলেকাৰ কি উন্নয়ণ সাধন কৰিছে? (ইয়াৰ

এক প্রতিবেদন সদনৰ মেজত দাখিল কৰিব)

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) অসমত সর্বমুঠ ২৩ টা Development Authority (উন্নয়ণ প্রাধিকৰণ) আছে আৰু সেইবোৰৰ নাম হ'ল ক্রমে (১) তিনিচুকীয়া, (২) ডিব্রুগড়, (৩) শিৰসাগৰ, (৪) যোৰহাট, (৫) নাজিৰা-শিমলুগুৰি (৬) তেজপুৰ, (৭) নগাওঁ, (৮) জাগীৰোড, (৯) নলবাৰী, (১০) বঙ্গাইগাওঁ, (১১) শিলচৰ, (১২) গোলাঘাট, (১৩) সোনাৰি (১৪) উত্তৰ-লক্ষিমপুৰ, (১৫) ডিফু, (১৬) দেৰগাওঁ, (১৭) ধেমাজি, (১৮) বিশ্বনাথ-চাৰিআলি, (১৯) কৰিমগঞ্জ, (২০) মঙ্গলদৈ, (২১) ধুবুৰী-গৌৰীপুৰ, (২২) গোৱালপাৰা, (২৩) কোকৰাঝাৰ।

খ) এই Development Authority সমূহক কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ভিন ভিন কেন্দ্রীয় আঁচনিৰ যোগেদি পুঁজি আগবঢ়াই আহিছে। বার্ষিক অনুদান (Grants in aid) কেৱল ৰাজ্য চৰকাৰৰ তৰফৰ পৰাহে আগবঢ়াই আহিছে। বিতং তথ্য পৰিশিষ্ট 'ক' 'খ' আৰু 'গ' দেখুওৱা হৈছে। (See Annexure-XXXII)

গ) এই Development Authority সমূহৰ মুখ্য ভূমিকা হৈছে মাষ্টাৰ প্লেন (Master Plan) ত সন্নিবিষ্ট কামৰ প্রস্তাৱ সমূহ কার্য্যকৰী কৰা। চৰকাৰে এই Development Authority সমূহ সুকলমে চলিব পৰাকৈ বার্ষিক অনুদান (Grants in aid) আগবঢ়াই আহিছে।

ঘ) Dhubri Gauripur Development Authority ৰ বাবে চৰকাৰে ২০০৫-০৬ বর্ষত ০.৭০ লাখ টকা, ২০০৭-০৮ বর্ষত ০.৭৫ লাখ টকা আৰু ২০০৮-০৯ বর্ষত ১.০০ লাখ টকাৰ বার্ষিক অনুদান আগবঢ়াইছে।

ঙ) প্রশ্ন নুঠে।

চ) এই Authority মাষ্টাৰ প্লেন (Master Plan) হৈছে ধুবুৰী গৌৰীপুৰ মাষ্টাৰ প্লেন। মাষ্টাৰ প্লেনখন ৬২.৯৩ বর্গ কিলোমিটাৰ সামৰি ২০০৩ চনতে চূড়ান্ত কৰা হৈছে।

ছ) ধুবুৰী গৌৰীপুৰ Development Authority য়ে মাষ্টাৰ প্লেনৰ অন্তর্গত এলেকা সমূহৰ মাটি কিনা-বেচা নাইবা হস্তান্তৰৰ ক্ষেত্রত আৰু ঘৰ সজাৰ বাবে অনুমতি প্রদান কৰি আহিছে। ইয়াৰ এক প্রতিবেদন পৰিশিষ্ট 'ঘ' উল্লেখ কৰি সদনৰ মজিয়াত পেচ্ কৰা হ'ল।

(See Annexure-XXXIII)

বিষয়ঃ- বাঁধ নির্ম্মান।

শ্রীছিদ্দেক আহমেদ জিজ্ঞাসা করেছেন ঃ

৬৫। মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি?

ক) করিমগঞ্জ জিলার লঙ্গাই নদীর (Laft Bank) পাথারকান্দিহইতে নিলম বাজার এবং (Right Bank) নিলাম বাজার হইতে সুপ্রাকান্দি পর্য্যন্ত বাঁধ নির্মানের জন্য সরকারের কোন পরিকল্পনা আছে কি?

খ) যদি আছে, কোন Proposal দেওয়া হয়েছে কি?

গ) যদি দেওয়া হয়েছে, কি কি Proposal আছে? এবং বর্ত্তমান proposal কি পর্য্যায় আছে?

শ্রীপৃথিৰী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

ক) হয়, আছে।

খ) উক্ত অঞ্চলৰ সুৰক্ষাৰ বাবে "Improvement of existing emabankment from Patharkandi to Nilam Bazar L/B of Longai (L=21. 466 km) নামেৰে ৭৯.১১ কৌটি টকাৰ আঁচনি এখনৰ প্রস্তাব আছে।

গ) উপৰোক্ত আঁচনিখন ৪২তম কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদন সাপেক্ষে বিস্তৃত প্রাক্কলন প্রস্তুত কৰি থকা হৈছে। প্রস্তুতিৰ কাম সম্পূর্ণ হ'লে কেন্দ্রীয় জল আয়োগলৈ প্রেৰণ কৰা হ'ব। আঁচনিখনৰ বিভাগীয় অনুমোদন তথা বিত্তীয় পুঁজিৰ আৱন্টান সাপেক্ষে কাম হাতত লব পৰা যাব।

প্রস্তুত কৰা আঁচনিখনত পাথাৰ কান্দিৰ পৰা নিলম বাজাৰ অঞ্চললৈকে মথাউৰিটো উচ্চতা বৃদ্ধি তথা সৰলীকৰণৰ ব্যৱস্থা, গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা, কালভাৰ্ট নিৰ্মাণৰ ব্যৱস্থা ৰখা হৈছে।

ইয়াৰ উপৰিও নিলম বজাৰৰ পৰা সুপ্ৰাকান্দি অঞ্চললৈকে মথাউৰি আৰু কালভাৰ্ট নিৰ্মাণৰ ব্যৱস্থা ৰখা হৈছে।

বিষয় ঃ খোৱা পানীৰ আঁচনি।

শ্ৰীপ্ৰশান্ত ফুকনে সুধিছে ঃ

৬৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় সমষ্টিত খোৱাপানী যোগান ধৰাৰ কেইটা আঁচনি আছে? তাৰে কেইটা সক্ষম হ'ল আৰু কেইটা অক্ষম অৱস্থাত থাকিল?

(খ) যোৱা তিনিটা বছৰত কি কি নতুন আঁচনি লৈ সদনত তালিকা সহ দাখিল কৰিব?

(গ) যোৱা তিনিটা বছৰত কিমান Hand Tube Well ৰ হিতাধিকাৰ দিয়া হ'ল (B.P.L.) তালিকা সহ সদনৰ মজিয়াত দাখিল কৰিবনে?

(ঘ) ডিব্ৰুগড় সমষ্টিত পঞ্চায়ত সমূহত যোৱা তিনিটা বছৰত কিমান Mark-II Hand Pump দিয়া হৈছিল তালিকা সহ সদনত দাখিল কৰিবনে?

শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় সমষ্টিৰ অধীনত মুঠ ১২ টা পাইপ পানী যোগান আঁচনি আছে তাৰে ৭ টা আঁচনি সক্ষম আৰু ২ আঁচনি অচল অবস্থাত আছে। ৩টা আঁচনি নিৰ্ম্মীয়মান অৱস্থাত আছে।

(খ) যোৱা ২০০৬-০৭ আৰু ২০০৭-০৮ বৰ্ষত কোনো নতুন পাইপ পানী যোগান আঁচনি লোৱা হোৱা নাই। কিন্তু ২০০৭-০৮ বৰ্ষত ২৮ টা নলীনাদ (Spot Source) আঁচনি লোৱা হৈছে আৰু ২০০৮-০৯ বৰ্ষত ডিব্ৰুগড় সমষ্টিত ৩ টা পাইপ পানী যোগান আঁচনি আৰু ১৪ টা নলীনাদ আঁচনি

লোৱা হৈছে। (বিতং তথ্য তালিকা ১ ত সংলগ্ন কৰা হ'ল)
(See Annexure-XXXIV)

(গ) যিহেতু জনস্বাস্থ্য কাৰিকৰী বিভাগে চুৱা ভিত্তিত সকলো বৰ্গৰ জনসাধাৰণক সামৰি পানী যোগান আঁচনি গ্ৰহণ কৰে, গতিকে হিতাধীকাৰ তালিকা (B.P.L) দিয়াৰ প্ৰশ্ন নুঠে।

(ঘ) যোৱা তিনিটা বছৰত ডিব্ৰুগড় সমষ্টিত পঞ্চায়ত ভিত্তিত কোনো Mark-II Hand Pump বহুওৱা হোৱা নাছিল।

বিষয় ঃ খোৱা পানী যোগান আঁচনি।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

৬৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত যোৱা ২০০৮-০৯ বৰ্ষত বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে কি কি নতুন আঁচনি গ্ৰহণ কৰা হৈছে?

(খ) ইয়াৰ বাবে কিমান পূঁজি ধাৰ্য্য কৰা হৈছে?

(গ) উক্ত বৰ্ষত ববপেটা জিলাত গ্ৰহণ কৰা নতুন আঁচনি সমূহ কি কি? (সদনৰ মজিয়াত সমষ্টি ভিত্তিত তথ্য দাখিল কৰিব)

শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত ২০০৮-২০০৯ বিত্তীয় বৰ্ষত খোৱা পানী যোগানৰ বাবে নতুন পাইপ পানী যোগান আঁচনিৰ আৰু হস্তচালিত নলীনাদ যেনে-মাৰ্ক -৩, হেন্দপাম্প চেলৰেল (চিংগুৰ), ডাইৰেক্ট একচন হেন্দপাম্প (তাৰা পাম্প) আৰু পকী কুৱাৰ পানী যোগান আঁচনি গ্ৰহণ কৰা হৈছে। হস্তচালিত নলীনাদৰ মাত্ৰাধিক লৌহ থকা উৎস সমূহৰ লৌহ নিৰ্ম্মানৰ বাবে যথাযথ ব্যৱস্থা "আইৰণ ৰিমোভেল প্লেন্ট" বহুৱাৰ আঁচনি গ্ৰহণ কৰা হৈছে।

(খ) পানী যোগান আঁচনিৰ বাবে মুঠ ৪৮,৬১৪.২৪ লাখ টকা আৱন্টন দিয়া হৈছে।

(গ) সমষ্টি ভিত্তিত বৰপেটা জিলাত অনুমোদিত আঁচনিৰ তথ্য তলত বিতংভাবে দেখুওৱা হ'ল -

	পাইপ পানী যোগান আঁচনি	আই আঁৰ পি	এচ এইচ পি
১। বৰপেটা সমষ্টি	নাই	১৩২	নাই
২। ভৱনীপুৰ সমষ্টি	৩	১৪৬	১৪
৩। চেঙা সমষ্টি	৩	২০৭	২০
৪। জনিয়া সমষ্টি	নাই	১৪৭	নাই
৫। বাঘবৰ সমষ্টি	নাই	১২৪	৬০
৬। সৰুক্ষেত্রী সমষ্টি	১	১৮৪	১৩
৭। পাটাছাৰকুছি সমষ্টি	১	১৮৪	১৩
৮। সৰভোগ সমষ্টি	১	১২০	নাই
মুঠ	৯ টা	১২৪৪ টা	১২০ টা

Sub : Nos. of Circle Office.

Shri Sirajuddin Ajmal, asked :

68. Will the Minister of Revenue and Disaster Management be pleased to state :

(a) How many Circle Offices (Revenue) are there in Assam? (Give the list in details)

(b) How many of them are operating in rented houses? (Please give the list)

(c) Whether the Circle Office at Daboka is operating in rented House?

(d) Is there any sufficient plot of land allotted for office building for the same?

(e) If so, whether the Government is having any proposal to shift this office in its allotted plot of land ? If no, why ?

(f) If so, by when?

Dr. Bhumidhar Barman (Minister, Revenue and Disaster Management) replied :

(a) There are 153 number of Revenue Circle Offices in Assam. List of Revenue Circle Offices district-wise has been placed at Annexure – "A". (See Annexure-XXXV)

(b) At present 13 Revenue Circle are functioning in rented houses. List placed at Annexure – "B". (See Annexure-XXXVI)

(c) Yes.

(d) An area measuring 5 bighas covered by dag No. 150 (pt) of village Niz-Doboka under Jamunamukh mouza has been earmarked for establishment Dodoka Revenue Circle office. The land being part of VGR, this will be finalized after completion of necessary formalities.

(e) Steps being taken by the State Government for construction of Circle office building subject to completion of above formalities and availability of fund. The Circle office will be shifted to the new site on completion of construction works.

(f) As stated above.

Sub. : Declaration of Town Committee for Patharkandi.

Sri Kartik Sena Sinha asked :

69. Will the Minister of Urban Development be pleased to state :

(a) Whether the Govt. is aware of the fact that Hon'ble Minister, Border Areas & Excise and also in-charge Minister of Karimganj district officially announced in a public meeting at Patharkandi Rabidra Bhawan on 15th August, 2008 and declared Patharkandi as Town Committee ?

(b) If so, when Patharkandi Town Committee will be formed and come to force to fulfill the long pending public genuine demand ?

(c) Whether the Government will take steps to make Model Town considering International as well as inter-state border importance?

Shri Dinesh Prasad Goala (Minister, Urban Development) replied.

(a) & (b) The Government is not aware about the announcement by the Hon'ble Minister Border Areas etc. However Government is considering a proposal for constituting the Patharkandi Town Committee. After following the necessary legal process an appropriate decision will be taken by the Government.

(c) There is no such proposal

বিষয় ঃ ভগ্ন মাথাউৰি নির্মাণ /গৰাখহনীয়া ৰোধ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

৭০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত ৫৭নং ৰঙিয়া বিধানসভা সমষ্টিৰ পুঠিমাৰী, নোনা আৰু ৰৰলীয়াৰ ভগ্ন মাথাউৰি নির্মাণ/গৰাখহনীয়া ৰোধৰ কাৰণে ৰাজ্য চৰকাৰে কি কি আঁচনি গ্রহণ কৰিছে? কিমান টকা ব্যয় সাপেক্ষে এই আঁচনি সমূহ গ্রহণ কৰা হৈছে?

(খ) এই আঁচনি সমূহৰ ৰূপায়ণৰ দায়িত্ব কোন কোন ঠিকাদাৰে লাভ কৰিছে আৰু আঁচনিৰ কিমানখিনি ৰূপায়িত হৈছে?

শ্রী পৃথিৰী মাঝি (জলসম্পদ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে।

(ক) ২০০৭-০৮ আৰু ২০০৮-০৯ বিত্তীয় বর্ষত ৫৭ নং ৰঙিয়া বিধান সভা সমষ্টিৰ অন্তর্গত পুঠিমাৰী, নোনা আৰু ৰৰলীয়া নদীৰ ভগ্ন মাথাউৰি নির্মাণ তথা গৰাখহনীয়া ৰোধৰ বাবে মুঠ ২১,২৭৮৮ কৌটি টকা মূল্য সম্বলিত ১৩ খন (তেৰ খন) আঁচনি ইতিমধ্যে চৰকাৰে গ্রহণ কৰিছে। আঁচনি সমূহৰ সবিশেষ তালিকা পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হ'ল।

(See Annexure-XXXVII)

(খ) আঁচনি সমূহৰ ৰূপায়ণৰ দায়িত্ব প্রদান কৰা ঠিকাদাৰ সমূহৰ নামৰ তালিকা পৰিশিষ্ট 'খ'ত (See Annexure-XXXVIII) আৰু আঁচনি সমূহৰ ৰূপায়ণৰ অগ্রগতি খতিয়ান পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হ'ল।

(See Annexure-XXXVIII)

বিষয় ঃ আৰন্টন দিয়া ধনৰ পৰিমাণ।

শ্রীপ্রশান্ত ফুকনে সুধিছে ঃ

৭১। মাননীয় নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৰা ৫ বছৰত ডিব্রুগড় পৌৰ সভালৈ বিভিন্ন শিতানত চৰকাৰৰ তৰফৰ

পৰা কিমান পৰিমাণৰ ধন আৱন্টন দিয়া হ'ল?

(খ) বিভিন্ন কৰ বজাৰ আদিৰ পৰা যোৱা ৫ বছৰত ডিব্রুগড় পৌৰ সভাই বিভিন্ন শিতানত কিমান পৰিমাণৰ টকা সংগ্রহ কৰিলে।
(তালিকা সহ সদনত দাখিল কৰিব)

(গ) সংগ্রহ কৰা ধনখিনি কি কি উন্নয়নৰ কামত খৰচ কৰা হ'ল?
(Case Book আৰু Vocher নং সহ সদনত দাখিল কৰিব)

(ঘ) উক্ত ধনখিনি খৰছ কৰোতে Board Meeting ৰ অনুমোদন লোৱা হৈছিল নে? যদি হৈছিল, সভাৰ কার্য্যবিৱৰণী সহ সদনত দাখিল কৰিব?

(ঙ) বিজ্ঞাপনৰ অনুমতি দিয়াৰ বাবদ কিমান টকা সংগ্রহ কৰা হৈছিল?
(তালিকা সহ সদনত দাখিল কৰিব)

(চ) যোৱা ৫ বছৰত যান বাহন মেৰামতি আৰু পথৰ বাবে লাইটৰ বাল্ব কিনোতে কিমান টকা খৰচ হ'ল?
(বিল আৰু নিবিদাৰ paper cut সহ সদনত দাখিল কৰিব।)

শ্রীদীনেশ প্রসাদ গোৱালা (নগৰ উন্নয়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ৫ (পাঁচ) বছৰত ডিব্রুগড় পৌৰ সভাই বিভিন্ন শিতানত চৰকাৰ পৰা ৪৩৪.১৪ লাখ টকা লাভ কৰে।

(খ) কৰ, বজৰা আদিৰ পৰা যোৱা পাচ বছৰত বিভিন্ন শিতানত আদায় কৰা টকাৰ পৰিমান হল মুঠ ৫,৫০,৮৯,৭০৪.০০ টকা। (তালিকা বিচৰা হৈছে)

(গ) সেই ধনখিনি পৌৰ সভাৰ কর্ম্মচাৰীৰ দৰমহা, ৰাস্তাৰ লাইটৰ (Street Light) বিজুলীৰ খৰচ আৰু যাৱতীয় যান বাহন আদিত খৰছ কৰা হয়।

(ঘ) 'গ'ত উল্লেখ কৰা খৰছৰ বাবে বর্ডৰ অনুমতি লব নালাগে।

(ঙ) বিজ্ঞাপন আদিৰ অনুমতি দিওতে মুঠ ২,২৩,২০০.০০ টকা পোৱা হয়। (তালিকা বিচৰা হৈছে)

(চ) যোৱা পাচ বছৰত যান বাহনৰ সামগ্রী ক্রয় আৰু মেৰামতি কৰোতে মুঠ

৩,৮৮,৫৬৯.০০ টকা খৰছ কৰা হয়। (V.R. বিচৰা হেছে)

Sub : Resettlement of T.S. area of Karimganj District.

Shri Siddeque Ahmed asked :

72. Will the Minister of Revenue and Disaster Management be pleased to state.

(a) Whether the Government has already ordered for the resettlement of T.S. areas of Karimganj district.?

(b) If so, how will the Government propose to execute it as there is no Mandal in the Settlement office?

(c) Whether the Government proposes to upgrade the three month condensed course trained chairmen (18 Nos.) or promote them attaching priority to those trained chairmen?

(d) Will the Government consider similar cases in Chchar district also?

Dr. Bhumidhar Barman (Minster of Revenue & D.M.) replied.

(a) Yes.

(b) 11 Nos. of Mandal have been deputed from the Deputy commissioner's office Karmganj to the settlement office Karmganj for the purpose. Required mandal will be drawn from the Deputy comissioner's Establishment on deputation.

(c) No.

(d) Dose not arise.

Sub : Devastating Flood.

Shri Sirajuddin Ajmal asked :

73. Will the Minster of Water Resources be pleased to state :

a) Whether the Government is aware of the fact that the river Kopilli creates devastating floods in Mouza Jugijan and Mouza Jamunamukh every year ?

(b) Whether the Government has the data of losses of various lives and properties due to above flood ? If so, give in details year wise for last 10 year?

(c) Whether the Government is aware of the fact that due to occurrence of such regular floods, almost 20000 farmer families used to be deprived of Sali Paddy cultivation for last 25 years?

(d) What are the protection measures taken to control the above mentioned flood so far?
(Please give in details year-wise for the last 10 years)

(e) Is there any new project proposal in this regard to protect above mentioned Mouzas from the floods of Kopilli and other rivers? If so, give in details?

Shri Prithibi Majhi (Water Resources Minister) replied :

(a) Yes, the Government is aware of the devastating flood of river Kopilli in Mouza Jugijan and Jamunamukh in Nagaon District every year.

(b) Yes, details information at Annexure - I as collected from Revenue Authority. (See Annexure-XXXIX)

(c) Yes, during high flood families used to deprive of Sali Paddy cultivation.

d) Different protection measures have been taken up in the above flood affected areas from time to time. The detail year wise measures taken up are furnished in Annexure-II. (See Annexure-XL)

(e) Yes, two Nos. of projects vig. "A/E measures to protect different reaches from the erosion of river Jamuna and Kopilli on right bank Ph-I" for Rs 810.66 lakhs and "Protection of different reaches from the erosion of river Jamuna on both bank" for Rs. 1307.05 lakhs have been recommended by the Technical and Advisory Committee. The D.P.R. are under preparation and would be submitted to the Govt. of India for necessary approval and sanction.

Sub : Constitution of LAC.

Shri Sirajuddin Ajmal asked :

74. Will the Minister of Revenue be pleased to state :

(a) How the Land Advisory Committee (LAC) is constituted according to the existing Government rules?

(b) Who is the Convenor of the land advisory (LAC) in the Sub Division Level ?

(c) Is there any land advisory committee (LAC) functioning in the Hojai Sub Division ?

(d) On what date the term of the last LAC of Hojai sub Division will be completed?

(e) Whether any land advisory Committee (LAC) has been constituted at the Sub Division level in Nagaon district since the formation of the present Government ?

(f) What is the Government proposal in this regard ? (give in details)

Dr. Bhumidhar Barman (Minister, Revenue & Disaster Management) replied :

(a) As per the existing land policy, Government constituted the land advisory committees for each sub-division to advise the Deputy Commissioner/Sub-Divisional Officers (C) as the case may be in the matter of allotment/ settlement of land.

(b) Deputy Commissioner/Sub Divisional Officers (C) as the case may be is the Chairman of the Sub Divisional Level land advisory committee. Addl. Deputy Commissioner (Revenue)/Sr. EAC is the Member Secretary and convenor of the Sub Divisional Level land advisory committee

(c) Yes, vide notification No. RRG 49/2006/3 dated 05/09/ 2006, Land advisory committee has been constituted in the Hojai Sub Division (notification at Annexure -I) (See Annexure-XLI)

(d) The term of Hojai land advisory committee constituted vide notification No. RRG.49/2006/3 dated 05/09/2006 will continue until further order.

(e) Land advisory (LAC) has been constituted at the Sub Division level in Nagaon district vide notification No. RRG.49/2006/3 dated 05/09/2006.

(f) As the Committee is in force, there is no proposal as such.

POINT OF ORDER

★ শ্রী প্রণৱ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট আৰ অর্ডাৰ আছে। Illigal migrants and illigal foreigners issue এই সম্পর্কত কওঁ যে চলিত বিধান সভাত আলোচনা কৰিবৰ কাৰণে আমাক

★ Speech not corrected

স্পিচিয়েলকৈ ২ বা ৩ ঘন্টাকৈ সময় দিব লাগে। এইটো মোৰ অনুৰোধ।

মাননীয় অধ্যক্ষ ঃ বিভিন্ন বিষয় ৰিভাইচ কৰি আলোচনা কৰিবৰ কাৰণে যদি সময় থাকে তেতিয়া নিশ্চয় দিয়া হব।

★ শ্রীপ্রণৱ কলিতা ঃ ছাৰ, পইন্ট অৰ অর্ডাৰ। ছাৰ, আমাৰ প্রশ্নোত্তৰ কালৰ সময় বৰ কম হৈছে। গতিকে এই চলিত বিধান সভাৰ পৰাই স্পেচিয়েলি ২/৩ ঘন্টা সময় আলোচনা কৰাৰ বাবে আমাক সুযোগ দিয়াৰ বাবে আপোনাক অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ আপুনি বিধান সভাৰ নিয়মানুসৰি এপ্লাই কৰিব পাৰে।

★ শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নোত্তৰ কালৰ বাবে ২০টা প্রশ্ন নির্দ্ধাৰণ কৰা হয় যদিও এই এঘন্টা সময়ত ৪ টাও প্রশ্ন ক্রচ কৰা নাই। কিছুমান এনেকুৱা গুৰুত্বপূর্ণ প্রশ্ন থাকে যে আমি সময়ৰ অভাৱৰ বাবে সেইটো আলোচনা কৰিব নোৱাৰো। গতিকে প্রশ্নোত্তৰ কালৰ সময় কিছু বঢ়াই দিয়াৰ বাবে আমি আপোনাক অনুৰোধ জনলো।

মাননীয় অধ্যক্ষ ঃ এইটো আপোনালোক মাননীয় বিধায়ক সকলেই গম পাইছে। এঘন্টা সময় কেনেকৈ খৰছ হয় আপোনালোকে নিজেই দেখিছে।

REPORT OF THE BUSINESS ADVISORY COMMETTE

মননীয় অধ্যক্ষ ঃ আইটেম নং ২। কার্য্য উপদেষ্টা সমিতিৰ প্রতিবেদন।

অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত, অসম বিভান সভাৰ চলিত বাজেট অধিবেশনত ২০০৯-২০১০ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ ওপৰত ভোটদান সম্পর্কত অগ্রাধিকাৰ দিয়া আৰু ২০০৯-২০১০ চনৰ বাজেটৰ ওপৰত হব লগা সাধাৰণ আলোচনাৰ সময় নির্দ্ধাৰণৰ বাবে বিভিন্ন দল, গোট নির্দ্দলীয় সদস্য সকলক সময় আৱন্টন আৰু দাবী মঞ্জুৰী সমূহৰ ওপৰত আলোচনাৰ অর্থে অগ্রাধিকাৰ দিয়াৰ বাবে আলোচনা কৰিবলৈ যোৱা ২৯ জুন, ২০০৯ তাৰিখে অধিবেশনৰ কার্য্যসূচী সমাপ্ত হোৱাৰ লগে লগে

★ Speech not corrected

মোৰ কার্য্যলয়ৰ সন্মিলন কক্ষত বিধান সভাৰ কার্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। সমিতিয়ে সর্ব্বসন্মতিক্রমে নিম্নোল্লেখিত দাবী মঞ্জুৰী সমূহ অগ্রাধিকাৰ ভিত্তিত আৰু দল সমূহৰ বিপৰীতে বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ সময় আৱন্টনৰ বাবে সিদ্ধান্ত গ্রহণ কৰে।

ক্রমিক নং	মঞ্জুৰী নং	দাবীৰ নাম	অগ্রাধিকাৰ ভিত্তিত নির্দ্ধাৰণ কৰা নম্বৰ
১।	৭২	সাহার্য্য আৰু পুনঃ সংস্থাপন	১
২।	৬৩	জলসম্পদ	২

ওপৰোক্ত অগ্রাধিকাৰ দিয়া দাবী সমূহৰ ভোটদানৰ ওপৰত আলোচনাৰ অন্ততো যদি সময় থাকে, তেন্তে বাকী থকা দাবী মঞ্জুৰী সমূহ একাদিক্রমে ভোটদানৰ বাবে আলোচনা কৰিবলৈ সমিতিয়ে সিদ্ধান্ত গ্রহণ কৰে।

দল সমূহৰ বিপৰীতে বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ সময় আৱন্টন এনে ধৰণৰ -

মুঠ সময়	=	৫৪০মিনিট (৯ ঘন্টা)
প্রতিগৰাকী সদস্যৰ বাবে	=	৪ মিনিট
১। ভাৰতীয় জাতীয় কংগ্রেছ	=	২৬০ মিনিট (মুখ্যমন্ত্রীৰ উত্তৰ সহ)
২। অসম গণ পৰিষদ	=	৯৬ মিনিট
৩। বি পি এফ	=	৪৪ মিনিট
৪। ভাৰতীয় জনতা পার্টী	=	৪০ মিনিট
৫। এ ইউ দি এফ	=	৩৬ মিনিট
৬। চি পি আই (এম)	=	৮ মিনিট

৭। চি পি আই	=	৪ মিনিট
৮। এ এচ ডি চি	=	৪ মিনিট
৯। এন চি পি	=	৪ মিনিট
১০। নির্দ্দলীয়	=	৪৪ মিনিট

বৈঠকত সমিতিয়ে ২০০৯-২০১০ চনৰ দাবী মঞ্জুৰী সমূহৰ ভোটদানৰ ওপৰত পুংখানুপুংখ ভাবে আলোচনা কৰাৰ পিচত সৰ্ব্বসন্মতিক্রমে নিম্নোলিখিত দাবী মঞ্জুৰী সমূহ অগ্রাধিকাৰৰ ভিত্তিত অধিবেশনত আলোচনা কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে।

ক্রমিক নং	মঞ্জুৰী নং	দাবীৰ নাম	অগ্রাধিকাৰ ভিত্তিত নির্দ্ধাৰণ কৰা নম্বৰ
১।	৪৮	কৃষি	১
২।	৬২	শক্তি (বিদ্যুৎ)	২
৩।	৪৯	জলসিঞ্চন	৩
৪।	২৯	চিকিৎসা আৰু জনস্বাস্থ্য	৪
৫।	২১	অতিথিশালা আৰু চৰকাৰী আৱাস গৃহ ইত্যাদি	৫

তদুপৰি ওপৰোক্ত অগ্রাধিকাৰ দিয়া দাবী মঞ্জুৰী সমূহৰ ভোটদানৰ ওপৰত আলোচনাৰ পিচতো সময় থাৰিলে বাকী থকা দাবী মঞ্জুৰী সমূহ একাদিক্রমে ভোদনদানৰ বাবে আলোচনা কৰিবলৈ সমিতিয়ে সন্মতি প্রকাশ কৰে।

আশাকৰো মাননীয় সদনৰ এই প্রতিবেদনত অনুমোদন আছে।

DISCUSSION ON THE SUPPLEMENITARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR 2009-2010

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৩। ৰাজ্যৰ ২০০৯-১০ চনৰ বছৰটোৰ একত্রিত নিধিৰ ব্যয়ভাৰৰ ওপৰত চৰকাৰে আৰোপ কৰা পৰিপূৰক প্র-বিৱৰণৰ ওপৰত আলোচনা।

VOTING ON SUPPLEMENTARY DEMADS FOR GRANTS

মাননীয় অধ্যক্ষ ঃ এতিয়া ৪ নং কার্য্যসূচী হাতত লৈছো। যোৱা ২০ জুন, ২০০৯ তাৰিখত বহা কার্য্য উপদেষ্টা সমিতিৰ বৈঠকত উপস্থিত থকা অন্যান্য সদস্য সকলৰ লগতে বিৰোধী দলৰ সদস্য সকলৰ লগত আলোচনা কৰি নিম্নোক্ত মঞ্জুৰী সমূহ অগ্রাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰে আৰু বাকী মঞ্জুৰী সমূহ ক্রম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত লয়।

মঞ্জুৰী সমূহ হ'ল ঃ

১। ৭২ - সামাজিক নিৰপত্তা আৰু কল্যাণ (সাহায্য আৰু পুনঃসংস্থাপন)

২। ৬৩ - জল সম্পদ।

এতিয়া মই মঞ্জুৰী নং ৭২ - সামাজিক নিৰপত্তা আৰু কল্যাণ (সাহার্য্য আৰু পুনঃসংস্থাপন) আলোচনাৰ বাবে আগবঢ়ালো। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে প্রস্তাৱটো উত্থাপন কৰিব।

Dr. Bhumidhar Barman (Minister) _ on the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 800.00 lakh be granted to the Minis-

ter-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 2010 in connection with "Social Security and Wefare (R/R).

মাননীয় অধ্যক্ষ ঃ - তলত উল্লেখ কৰা মাননীয় সদস্য/সদস্যা সকলৰ নামত এই মঞ্জুৰীটোৰ ওপৰত সৰ্বমুঠ পাঁচটা কৰ্ত্তন প্ৰস্তাৱ আছে ঃ

১। শ্রীউদ্ধৱ বর্মন

শ্রীঅনন্ত ডেকা

২। শ্রীদ্রুপদ বৰগোঁহাই

৩। শ্রীচিৰাজউদ্দিন আজমল

ডাঃ আদিত্য লাংথাছা

শ্রীআনোৱাৰুল হক

শ্রীহাফিজ বছিৰ আহমেদ

শ্রীহাজী চেলিমউদ্দিন বৰভূঞা

শ্রীগুনেশ্বৰ দাস

শ্রীমোবাৰক আলী পাঠান

৪। শ্রীমিশ্বন ৰঞ্জন দাস

শ্রীৰঞ্জিত দত্ত

শ্রীৰামেশ্বৰ তেলী

শ্রী পৰিমল শুক্লবৈদ্য

ডাঃ ৰুমি নাথ

৫। শ্রীজ্যোতি প্রসাদ দাস

শ্রীবিনোদ গোৱালা

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা

শ্রীঅনুপ ফুকন

শ্রীনুৰুল হুছেইন

শ্রীপ্রবীন গগৈ

শ্রীকেশৰ মহন্ত

শ্রীপদ্ম হাজৰিকা

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা

এতিয়া মই কর্ত্তন প্রস্তাৱটো এজনৰ পিছত এজনকৈ উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো। কোনোবা এজনে উত্থাপন কৰিলেই হব।

শ্রীকেশৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাৱ কৰিব খোজো যে, "২০০৯-১০ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ২৩-২৪ পৃষ্ঠাত থকা 'সামাজিক নিৰপত্তা আৰু কল্যাণ (সাহায্য আৰু পুনঃসংস্থাপন)' শিতানৰ ৭২ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধার্য্য কৰা সমগ্র ৮০০.০০ লাখ টকাৰ পৰা ১০০ টকা হ্রাস কৰা হওঁক, অর্থাৎ সমুদায় পুৰপূৰক দাবী মঞ্জুৰীৰ ৮০০.০০ লাখ টকা XXXXXXXX ১০০ টকাৰে হ্রাস হওঁক।"

এই কর্ত্তন প্রস্তাৱৰ ওপৰত আমাৰ মাননীয় সদস্য শ্রী প্রদীপ হাজৰিকাই বক্তব্য ৰাখিব।

মাননীয় অধ্যক্ষ ঃ এতিয়া ১ নং কর্ত্তন প্রস্তাৱ উৎথাপন কৰা মাননীয় সদস্য ক্রমে ১। শ্রীউদ্ধৱ বর্মন, শ্রীঅনন্ত ডেকা ২। শ্রীদ্রুপদ বৰগোহাই ৩। শ্রী চিৰাজউদ্দিন আজমল, ডাঃ আদিত্য লাংথাছা, শ্রীআনোৱাৰুল হক, শ্রীহাফিজ বছিৰ আহমেদ, শ্রী হাজী চেলিমউদ্দিন বৰভূঞা শ্রীগুনেশ্বৰ দাস, শ্রীমোবাৰক আলী পাঠান। ৪। শ্রীমিশ্বন ৰঞ্জন দাস, শ্রীৰঞ্জিত দত্ত, শ্রীৰামেশ্বৰ তেলী, শ্রী পৰিমল শুক্লবৈদ্য, ডাঃ ৰুমি নাথ ৫। শ্রীজ্যোতি প্রসাদ দাস, শ্রীবিনোদ গোৱালা, শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা, শ্রীঅনুপ ফুকন, শ্রীনুৰুল হুচেইন, শ্রী প্রবীন গগৈ, শ্রীকেশৰ মহন্ত, শ্রী পদ্ম হাজৰিকা, শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ।

প্ৰথমে কব মাননীয় সদস্য, শ্ৰী প্ৰদীপ হাজৰিকা।

শ্ৰী প্ৰদীপ হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পুৰিপূৰক দাবী মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন জনাই মই সদনত কেইষাৰমান কথা ক'ব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, সাহায্য আৰু পুনৰ সংস্থাপনৰ বিভাগটো আমাৰ ৰাজ্যখনৰ গোটেই বিলাক বিভাগৰ ভিতৰতে এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ ওপৰত প্ৰথমে আলোচনা কৰিবৰ বাবে সিদ্ধান্ত লোৱাৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো এই বিভাগটোৰ ওপৰত আমি সকলোৱে বিশেষ গুৰুত্ব দিয়াটো প্ৰয়োজন। এই বিভাগটো যদি ভালধৰণে পৰিচালনা কৰা নহয় তেন্তিয়া হ'লে মাননীয় অধ্যক্ষ মহোদয়, অন্য কোনো বিভাগ ভালদৰে পৰিচালনা কৰাটো সম্ভৱ নহ'ব। মাননীয় অধ্যক্ষ মহোদয়, আমি জনা হোৱা দিনৰ পৰা দেখি আহিছো অসমৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে - ব্ৰহ্মপুত্ৰ। যিখন নৈ উত্তৰ পূৰ্বাঞ্চলৰ সোমাজেদি বৈ গৈছে। ই আমাৰ ৰাজহাড় ডালৰ নিচিনাকৈ বৈ আছে। এই নদীখন আমাৰ বাবে এটা ডাঙৰ সম্পদ। কিন্তু এই নদীখনেই আজি আমাৰ বাবে এটা ডাঙৰ সমস্যা হিচাপে থিয় দিছে। এই সমস্যা সমাধানৰ বাবে আজিলৈকে কোনো ধৰণে বিজ্ঞানসম্মতভাবে সমাধান উলিয়াব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি ব্ৰহ্মপুত্ৰ নৈয়ে সৃষ্টি কৰা বানপানীত হাজাৰ হাজাৰ মানুহ ক্ষতিগ্ৰস্থ হৈছে। হাজাৰ হাজাৰ মানুহ গৃহহীন হৈছে। সা-সম্পত্তি নষ্ট হৈছে। খেতি-বাতি নষ্ট হৈছে। হাজাৰ হাজাৰ মানুহৰ খেতি-বাতি সমূলি ধ্বংস কৰি জীৱন বিপন্ন কৰি পেলাইছে। কিছুমানৰ ভিক্ষাৰ জোলোঙা লবলগীয়া অবস্থা হৈছে। বানপানীৰ উপৰিও মাজে মাজে প্ৰাকৃতিক দুৰ্যোগ যেনে - ধুমুহা আহে, বিভিন্ন ঠাইত পাহাৰৰ মাটি খহি বহু পৰিয়াল নিচিহ্ন হৈ গৈছে। বিভিন্ন ঠাইত আগ্নিকাণ্ডই ঘৰ-দুৱাৰ পুৰি নিচিহ্ন কৰি পেলাইছে। ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয়, আজি বিভিন্ন অঞ্চলত ভাতৃ ঘাটি যি সংঘৰ্ষ হৈছে। আজি যদি আমি সাহায্য আৰু পুনৰ সংস্থাপন বিভাগটো কেৱল বানপানী হ'লে চাউল দিব লগা, সাহায্য দিব লগা এটা বিভাগ বুলি

গণ্য কৰো তেতিয়াহলে আমি এটা ডাঙৰ ভুল কৰা হ'ব। এনেয়ে সাহায্য আৰু পুনৰ সংস্থাপন বুলি ক'লে তেনেকুৱা এটাই ধাৰণা হয়। মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰশ্নকালীন ঘণ্টাত এই বিভাগটোৰ ওপৰত কেছিকৈ প্ৰশ্ন আহিছে?

মাননীয় অধ্যক্ষ মহোদয়, আজি ৫০ হাজাৰ মানুহক সংস্থাপন দিব পৰা নাই। ৫০ হাজাৰ মানুহ আজি গৃহহীন হৈছে। গোষ্ঠীগত সংঘৰ্ষত মানুহ গৃহহীন হৈছে। আজি চৰকাৰে সেই মানুহবোৰক সংস্থাপিত কৰিব পৰা নাই। তেওঁলোকৰ থাকিবলৈ ঘৰ নাই, মাটি, নাই। সেইসকলে বসবাস কৰিব লগা হৈছে কোনো অস্থায়ী কেম্পত। কেম্পতেই তেওঁলোকৰ লৰা-ছোৱালী জন্ম দিব লগা হৈছে। মানুহৰ মৃত্যু হৈছে সৎকাৰ কৰিব পৰা নাই। আপোনালোকে জানে অধ্যক্ষ মহোদয়, আমাৰ অসমীয়া সমাজত এটা ৰৰষৰ থাকে, এটা মাৰল ঘৰ থাকে, এনেকৈ বেলেগ বেলেগ ঘৰ থাকে। জীয়ৰী ছোৱালী বেলেগে থাকে। লৰা বেলেগে থাকে, আগতে এনেকুৱা নিয়ম আছিল। কিন্তু এটিয়া সকলো একেলগে একেটা ঘৰতে থাকিব লগা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি আচৰিত হব, কেম্পত কেনেদৰে মানুহ থাকিব লগীয়া হৈছে। তেওঁলোক বাধ্য হৈছে। এনেকুৱা অৱস্থাত গৃহহীন হৈ আৰ্থিক দুৰৱস্থাত ভুগি মানুহ থাকিব লগা হৈছে। আনকি আৰ্থিক অনাটনত ভুগি কিছুমানে বেয়া পথ লবলৈও বাধ্য হৈছে। ছোৱালী নি বিক্ৰী কৰিছে। যিটো অসমত বেয়াৰ কেচ। আগতে কেতিয়াও এনে হোৱা নাছিল। ভাৰতবৰ্ষৰ অন্য প্ৰান্তত বেলেগ কথা কিন্তু অসমত হোৱা নাছিল। আজি যি ঘটনা অসমত ঘটি আছে কোনোবাই ভাবি চাব নে নাই? স্বাস্থ্যৰ সমস্যা হৈছে। এখন ঘৰত মাক-বাপেকে নিজৰ লৰা-ছোৱালীক যেনেদৰে শিক্ষা দিব লাগে তেনেদৰে কোনেও দিব পৰা নাই। কিন্তু আজি এই মানুহখিনিৰ কোনোবা মাতৃহীনা হৈছে। এই বিলাক কিছুমান সৰু সৰু কথাবোৰ বাদ দিলে আমাৰ সমস্যাৰ কোনোদিনে সমাধান নহয়। আজি ল'ৰা মৰি গৈছে, ছোৱালী কোনোবাই লৈ গৈছে, কোনোবা লাঞ্ছিত হৈছে, কোনোবা অপমানিত হৈছে Is it not a problem? আজি যতে ততে সমস্যা। কৰবাত পানীৰ সমস্যা, ক'ৰবাত গোষ্ঠী সংঘাট। এইবোৰ

ভালদৰে ট্রিতমেন্ট নকৰিলে ভৱিষ্যতে বহু সমস্যা হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, সমস্যা সমাধান হোৱা নাই, মুল সমস্যা সমস্যা হৈয়ে আছে। বানপানীত সা-সম্পত্তি উটি ভাহি গৈছে, আমি কেৱল চাই থাকিবলগীয়া হৈছে। অসমত দৈনিন্দিন ঘটনা ঘটি আছে, দিনডকাইটি হৈছে, চুৰি হৈছে only because to this relif and rehabilitation problem তাত গাঁওবুঢ়া. ডি. চি. গৈছে, চাউল আদি কিবা কিবি দিছে। অলপ দিনৰ কাৰণে কোনো সমস্যা নাই বুলি ভাবিছে। কিন্তু এইটো সমস্যা সমস্যা হৈয়ে আছে। আজি ঢকুৱাখানা, কার্বি আংলং, দিচাংমুখ আদি বিভিন্ন ঠাইত সমস্যা হৈছে। এই সমস্যাৰ বাবে ল. এণ্ড অর্ডাৰ চিটুৱেশ্চন হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যা বিলাক কিহৰ কাৰণে হৈ আছে। চৰকাৰৰ ফালৰ পৰা কোনো সহায় নোহোৱাৰ কাৰণে হৈ আছে। আজি ভাৰত বাংলাদেশ সীমান্তত যদি চীল কৰা হয়, তেতিয়া সমস্যা সমাধান হ'ব। চৰকাৰে সমস্যা সমাধানৰ কাৰণে কৈছে নে, সৃষ্টি কৰিবলৈ কৈছে। গভর্নমেন্ট অব ইণ্ডিয়াৰ চিঠি ৰিলিফ এণ্ড ৰিহেবিলিটেশ্চন বিভাগত পৰি থাকে। আগতে কলকতা, বিহাৰ আদিত এই সমস্যা হৈছিল। আজি অসমতো সেই সমস্যা হৈছে। এই ক্ষেত্রত কংগ্রেছ, বি. জে. পি., এ. জি. পি. আদি সকলো দলে একলগে সহযোগ কৰিছে। কিন্তু কিয় সমস্যা সমাধান কৰিব পৰা নাই। এইটো কেন্দাৰ বেমাৰৰ দৰে হৈছে। ৰিলিফ এণ্ড ৰিহেবিলিটেশ্চন বিভাগে কিমান কৰিব। আমি কিছুমান সমস্যা কৰি লৈছো।

মাননীয় অধ্যক্ষ মহোদয়, চীন দেশত হোৱংহো নদী আছে, তাত কিছুমান আঁচনি লৈছে আৰু উপকৃত হৈছে। আমাৰ অসমতো ব্রহ্মপুত্র নদী আছে কিন্তু কোনো আঁচনি যুগুত কৰিব পৰা নাই, যি আঁচনি লোৱা হৈছিল, সেইবিলাক কি হ'ল? কোনো সমস্যা সমাধান কৰিব পৰা নাই। চন্দ্রকান্ত সিংহৰ দিনৰ পৰা ৰাজধানী চীফ্ট কৰা হৈছে, অথচ তিনিটা বানপানীত আমি সকলোৱে ডুবি আছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ব্রহ্মপুত্র নদীৰ বানপানীৰ কথা ক'ব বিচাচিছো। আমি বিৰোধী দলপতিৰ লগত তালৈ গৈছিলো।

কপাহতলীত বহুত সমস্যা দেখিছিলো। আমি মাজুলিত মাখাউবিৰ ওপৰত মানুহ থকা দেখিছিলো। তাত মিছিং সম্প্রদায়ৰ মানুহ আছিল। মখাউবি ডুবিবলৈ মাত্ৰ এহাত পানী আছিল। মিছিং মানুহ কিছুমান চাংঘৰত আছে। আমি সুধিছিলো, চৰকাৰে আপোনালোকক কিবা দিছে নে? তেওঁলোকে এসপ্তাহৰ কাৰণে চাউল আদি দিয়া বুলি কৈছিল। সেইখিনিবে কিমান দিনলৈ তেওঁলোকে খাব। এই কথা বিলাক আপোনালোকে গুৰুত্ব সহকাৰে লোৱা ভাল হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, মাতমবা মখাউবি সমস্যাটো চৰকাৰে গুৰুত্ব সহকাৰে ল'ব লাগে। তাত লাখ লাখ মানুহ আবদ্ধ হৈ আছে। তেওঁলোকে কোনো সাহায্য পোৱা নাই। আমাৰ যদি নিজৰ ল'ৰা-ছোৱালী পানীৰ মাজত পৰি থাকিলহেঁতেনে? আমি দেখিছো গোটেই মানুহখিনি পানীৰ মাজত আবদ্ধ হৈ আছে। আমি গৈ তাত গাড়ী ঘুৰাব পৰা নাই। আমাৰ আগৰ বুঢ়া-বুঢ়ী মানুখিনিয়ে কৈ গৈছিল পূৱে ভঁৰাল, পশ্চিমে গৰাল, উত্তৰে চক, দক্ষিণে গক। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ মখাউবিত থকা মানুহ খিনিৰ ভঁৰাল, গৰাল, চক একাকাৰ হৈ গৈছে। গাহৰিয়ে মানুহে একেলগে আছে। মহেও কামুবিছে বা কিবা হৈছে আঠুৰাবটো ব্যৱস্থাই নাই। তাত মানুহ বোৰ কেনেকৈ থাকিব, আজিও মানুহ বোৰ মখাউবিৰ পৰা যোৱা নাই, যাব পৰা নাই। গতিকে অধ্যক্ষ মহোদয়, এই গোটেইবোৰৰ পৰা মাজুলিৰ এখন প্ৰতিচ্ছবি আমাৰ চকুৰ আগত ভাহি উঠে বানপানীৰ সময়ৰ। আমাৰ মন্ত্ৰী ভৰত নৰহ ডাঙৰীয়াই বেছিনাযায়। তেওঁ বেছিভাগ সময় গুৱাহাটীতে থাকে। যিকসল গৈছে তেওঁলোকে জানে, দেখা পাইছে। আজি মাখাউবিৰ নামত লাখ লাখ টকা খৰছ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই কথাটো চাওক, আমাৰ চৰকাৰে বনোৱা মখাউবি। চৰকাৰী ইঞ্জিনিয়াৰ সকলে এই মখাউবি বোৰ বনাইছে কিন্তু তাৰ অৱস্থা কি? যোৰহাট, বিশ্বনাথ চাৰিআলি, মাজুলিকে আদি কৰি বান্ধৰ নামত কোটি কোটি টকা খৰচ কৰা হৈছে, কিন্তু কোনো ধৰণৰ কামত অহা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বিলিড এণ্ড বিহেভিডেন্ট কৰা কথা বিটো

আছে সেইটো সঠিকভাৱে হৈছে নে নাই চৰকাৰে চাব লাগে। মই আমাৰ জোনাই সমষ্টিৰ কথাকে কৈছো তাত কোনো ধৰণৰ সাহায্য পোৱা নাই, বাট-পথ নাই। মাননীয় অধ্যক্ষ মহোদয়, মানুহ যেতিয়া মাথাউৰিৰ ওপৰতে থাকিব লাগে তেতিয়া কি অৱস্থা হয়। হাতীৰ পাল সোমাই অত্যাচাৰ কৰে। ঢকুৱাখানাৰ মানুহৰ কল্পনা কৰিব নোৱাৰা অৱস্থা। ইয়াৰ মানুহে গৰু চৰু একাকাৰ কৰি পেলাইছে। আজি ৰঙা নদীখনে কি অৱস্থা কৰিছে। ৰাতি ৯ টা বজাত ঘৰ-দুৱাৰ উটুৱাই নিয়ে। মাননীয় অধ্যক্ষ মহোদয়, ৰিলিফ এণ্ড ৰিহেভিলিটেশন মানে মই আজি কেৱল বানপানীৰ সমস্যাৰ কথাকে কোৱা নাই, ধুমুহা বা অন্যান্য উগ্রপন্থীৰ হাতত নির্য্যাতিত ইত্যাদি যিকোনো ধৰনৰ নির্য্যাতিতৰ বাবে সাহায্য আগবঢ়োৱা কথা কৈছো। আজি চাহ বাগিছাৰ কিমান শ্রমিক লোকৰ লোকচান হৈছে, কিন্তু ১০০ ভাগৰ ১০ ভাগহে সাহায্য হৈছে। সকলো ধৰণৰ প্রাকৃতিক দুর্যোগত সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। কোনো এটা অঞ্চলত ঘৰবাৰী ধুমুহাই উৰাই নিয়াৰ পিছত আমি গাওঁবুঢ়াৰ জৰিয়তে খবৰ পাঁও, কিন্তু যি ঠাইত গাওঁবুঢ়া নাই নাই তাৰ পৰা কেনেকৈ সোনকালে খবৰটো পাব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। ১০০ শতাংশ কালেক্চন কৰিব নোৱাৰিব পাৰে, কিন্তু তেওঁলোকৰ খবৰ লব লাগে। চৰকাৰী চাকৰি কৰা মানুহৰ কিছুমান প্রাপ্য থাকে সেই প্রাপ্যৰ কাৰণে মানুহ গৰাকীয়ে বহুতো ঘুৰাঘুৰি কৰিব লগা হয়। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে তিনি লাখ টকা দি দায়িত্ব শেষ হোৱা বুলি ভাবিলে নহ'ব। অসমৰ চুকে কোণে গাড়ী চুৰি হয়, মটৰ চাইকেল চুৰি হয়, মহিলাক উঠাই লৈ যায়, মাটিৰ পট্টা দিয়া নাই। মই এইবোৰক সাহায্য বুলি নকওঁ।

মাননীয় অধ্যক্ষ মহোদয়, কজিৰঙাৰ ভিতৰত কিহৰ কাৰণে গাওঁ বহিছে। এতিয়া আপোনালোকৰ সমস্যা হ'ল নে নাই? এই বিলাকৰ কাৰণেই পহু মৰা, গঁড় মৰা, মাছ মৰা আদি সমস্যাৰ সৃষ্টি হৈছে। ইয়াৰ কাৰণ হৈছে এই মানুহ বিলাকে তাত বহি পেলাই কি কৰি খাব। তাত তেওঁলোকৰ কেৱল ঘৰ একোটাহে আছে। গাড়ীৰে অহা যোৱা কৰা মানুহৰ

ওচৰত তেওঁলোকে পহুৰ মাংস বিক্ৰী কৰে। এই মানুহ খিনি যদি আপোনলোকৰেই ভোটাৰ হয় তেতিয়া হলে তাত এখন ভালকৈ গাওঁ পাতি নিদিয়ে কিয়? তাত যাতে কোনো ধৰণৰ বেমেজালি নহয়, তাত থকা কৰ্মচাৰীক যাতে গুলিয়াই মাৰিব নোৱাৰে তাৰ ব্যৱস্থা আপোনালোকে কৰিব লাগে। কাম বিলাক যদি ভালকৈ নকৰে তেতিয়াহলে সমস্যা বাঢ়ি যাব।

এই বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ আৰু এই বিভাগটোৰে কাম-কাজ বিলাক গুৰুত্বসহকাৰে কৰিব লাগে। কেতিয়াবা ৰাতি ১১ টা বজাত, ৰাতি ১ টা বজাত আমালৈ গাঁৱৰ মানুহে ফোন কৰে। ফোনত তেওঁলোকে গোটেই গাওঁখন হাতীয়ে ঘেৰি ধৰা বুলি জনায়। কিন্তু আপোনালোকে চিন্তা কৰি চাওকচোন দিচপুৰৰ পৰা ৰাতি ১১ টা বা ১ টা বজাত আমি কি কৰিব পাৰো। হাতীয়ে ঘৰ ভঙাৰ পিছত সাহায্য আৰু পুণৰ সংস্থাপন বিভাগৰ কাম আহিল। আমি ডি. চি., এচ. পি., অ.চি আদিক গাঁৱৰ মানুহক অলপমান চাব বুলি কওঁ। লৰা-ধপৰাৰ সুৰত কিবা এটা কৰিলে যদি কৰিলে, নহলে নাই। গাঁৱৰ সেই মানুহ খিনিয়ে কল কাটি খাই জীয়াই থাকিব লগা হয়। পুনৰ সংস্থাপন বুলিলে কেৰল চাউল, দাইল, আলু, পইচাৰ কথাই নহয় ইয়াত বহুতো কথা জড়িত আছে। গেলেকী, নামৰৰ, কাজিৰঙা, এন. চি. হিলচ্ আদি ঠাইৰ পৰা হাতী ওলাই থাকে। হাতীয়ে মানুহৰ ঘৰ-দুৱাৰ ভাঙি আছে। দুদিনমানৰ আগতে মেচ কছাৰী গাঁৱৰ ঘৰ-দুৱাৰ হাতীয়ে ভাঙি পেলাইছে আৰু মানুহ মাৰিছে। গাঁৱৰ গোটেই মহিলা বিলাকে আহি আমাক কৈছে যে আমাৰ গাঁৱৰ ঘৰ-দুৱাৰ হাতীয়ে ভাঙিছে। বানপানী, ধুমুহা, গড়াখহনীয়া, সংঘর্ষ আদিত গাঁৱৰ বহুত মানুহ আক্ৰান্ত হৈছে আৰু গাঁৱৰ পৰা পলাই আহিছে। এই পলাই অহা মানুহ খিনিক আপোনালোকে ক'ৰবাত ৰাখিছে। তেওঁলোকে এতিয়াও ঘৰলৈ ঘূৰি যাব পৰা নাই। তেওঁলোকক অকল ঘৰ বনাই দিলেই নহ'ব। তেওঁলোকে তাত যাতে নির্ভয়ে থাকিব পাৰে তাৰ কাৰণে অভয় দিব লাগিব। কাৰণ অভয় দানেই হৈছে শ্ৰেষ্ঠ দান। হাতীয়ে যাতে মাৰিব নোৱাৰে, উগ্রপন্থীয়ে যাতে মাৰিব

নোৱাৰে বা অন্যান্য ক্ষেত্ৰতো তেওঁলোকে যাতে তাত নির্ভয়ে বাস কৰিব পাৰে তাৰ কাৰণে অভয় দিব লাগিব। সেয়েহে এই বিভাগটোৰ লগত বহুত কথাই জড়িত হৈ আছে আৰু এই সমস্যা বিলাক সমাধান কৰিব নোৱাৰা কাৰণে মই এই বিভাগটোকে দুষিব বিচাৰিছো। এই সমস্যা বিলাক ভালকৈ সমাধান নকৰাৰ কাৰণেই এই সমস্যা বিলাক হৈয়ে আছে বুলি আমি ভাবিছো। সেই কাৰণে যিবিলাক কার্য্যই সমাজক কলুষিত কৰিছে সেই দিশ বিলাক চোৱা-চিতা কৰাৰ প্ৰয়োজন এই বিভাগটোৰ আছে। এই কথা ওৰুত্ব সহকাৰে মই আপোনালোকক জনাব বিচাৰিছো। সেইটো হৈছে ইণ্টাৰ ডিষ্ট্ৰিক মাইগ্ৰেচন। আপোনালোকে ইণ্টাৰ ডিষ্ট্ৰিক মাইগ্ৰেচনৰ কথাটোলৈ চকু দিব লাগে। ডিব্ৰুগড় জিলাত ৬০ হাজাৰ মানুহে মটিৰ পট্টা পোৱা নাই। লক্ষীমপুৰ, ধেমাজিটো হাজাৰ হাজাৰ মানুহে মাটিৰ পট্টা পোৱা নাই। তাত আমাৰ মন্ত্ৰীও আছে আৰু মন্ত্ৰী মহোদয়ে এই কথা নিশ্চয় জানে। এই কথা বিলাক কেবিনেটলৈ আনিব লাগে আৰু আলোচনা কৰিব লাগে। ইণ্টাৰ ডিষ্ট্ৰিক মাইগ্ৰেচন হৈ আছে। কোনোবা এটা ঠাইত বহুৱাই দিয়াৰ লগতে তাত এখন খানা দিলে আৰু খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিলে আমাৰ ক'বলগীয়া একো নাই। মাজুলীৰ গড়াখহনীয়াত আক্ৰান্ত হোৱা মানুহক দিখৌমুখত ঘৰ দিছে যদিও খেতি কৰিবৰ কাৰণে কোনো ধৰণৰ সুৱিধা কৰি দিয়া নাই। ইয়াৰ মানুহ গোলাঘাটলৈ গৈছে, সৰুপথাৰলৈ গৈছে। সেই মানুহ বিলাক অসমৰ মানুহ নে বাহিৰৰ পৰা অহা মানুহ ধৰিব নোৱাৰি। ইণ্টাৰ ডিষ্ট্ৰিক মাইগ্ৰেচনৰ ক্ষেত্ৰত যদি ভালকৈ চকু নিদিয়ে তেতিয়াহলে ক্ৰিমিনেল একটিভিটিজ বাঢ়িব।

আজি ডিব্ৰুগড়ত যিবোৰ ডকাইতি ধৰণৰ ঘটনা হৈ আছে সেইবোৰত বেছিভাগেই বাহিৰৰ পৰা অহা মানুহ জড়িত। স্থানীয় মানুহ তাত জড়িত নহয়।

(Hon'ble Speaker vacated the Chair and Madam Deputy Speaker occupied the Chair.)

উপাধ্যক্ষা ডাভৰীয়ানী, এতিয়া কথাটো হৈছে যে, আপুনিও ইয়াৰ

গুৰুত্ব বুজি পাইছে এই ৰিলিভ এণ্ড ৰিহেবিটেশ্বন বিভাগটোৰ গুৰুত্ব কিমান। আজি ২০০ বছৰ ধৰি চাহ বাগিছাৰ মানুহ বিলাক যতে-ততে বসবাস কৰি বহি আছে। তেওঁলোকৰ নিজা বুলিবলৈ একো নাই। ২০০ বছৰ ধৰি মানুহ আহি আছে, বাগিছাত কাম কৰি আছে কিন্তু স্থায়ীভাৱে তেওঁলোকৰ একো নাই। এই মানুখিনি আজি অসমীয়া জাতিৰ এটা প্ৰধান অঙ্গ হৈ পৰিছে। কিবা প্ৰয়োজনত তেওঁলোকৰ স্থায়ী ঠিকনা বিচাৰিলে বাগিছাৰ মেনেজাৰে পাঁচ বছৰ বুলি লিখি দিয়ে। নিৰ্বাচনৰ সময়তো এই মানুহখিনিয়ে নিজা কাগজ-পাতি একো দেখুৱাব নোৱাৰে। বাগিছাৰ কাষে কাষে বহু চিলিংৰ মাটি পৰি আছে। সেই মাটিবোৰকে এই মানুহখিনিক দিলে কি বেয়া হয়, আমি বুজি নাপাওঁ। এইখিনি মানুহ দুশ বছৰ ধৰি চাহ বাগিছাত কাম কৰি থাকি বাসবাস কৰি আছে। তেওঁলোকে এই চিলিংৰ মাটিত স্থায়ীভাৱে ঘৰ আদি সাজি স্থায়ীভাৱে থাকিব পাৰিলেহেতেন। কল্পতৰু আঁচনিৰ সুফলো তেওঁলোকে নাপায়, কিয় নাপায়? সেইটো ভাবি চাব লাগে। আজি বেংকৰ লোন এটা ল'বলৈ হলেও তেওঁলোকে নাপায় কাৰণ মটগেজ দিবলৈ তেওঁলোকৰ নিজা ঘৰ মাটি নাই। তেওঁলোক সাহার্য্য পাবলগীয়া নহয় নেকি ? এই মানুহ খিনি সদায়ে ভয় ভয় কৰি জীয়াই থাকিবলগীয়া হৈছে। কাৰণ কিবা ভুল হলেই যদি বাগিছাৰ মেনেজাৰে খেদি দিয়ে? এই ধৰণৰ ভয়ত আতঙ্কিত হৈ এই মানুখিনি জীয়াই আছে। সেই কাৰণে উপাধ্যক্ষা মহোদয়া, মই অনুৰোধ কৰিছোঁ চৰকাৰে এই প্ৰকৃত কথা বিলাক অলপ বুজিবলৈ চেষ্টা কৰিলে ভাল হয়। মই সকলোকে কৈছো যদি এখন ভাল সুস্থ সমাজ গঢ়িবলগীয়া হয় তেনেহলে এই সকলো বিলাক কথা ভালদৰে অনুধাবন কৰিব লাগিব। যদি এইবোৰ কথা অনুধাৱন কৰা সময় নাথাকে তেনেহলে কেতিয়াও এখন ভাল সমাজ গঢ়ি তুলিব নোৱাৰে। আজি এই ৰিলিভ এণ্ড ৰিহেবিটেশ্যন বিভাগৰ পুৰিপূৰক দাবী মঞ্জুৰী হ্ৰাস কৰি যি কৰ্ত্তৰ প্ৰস্তা ৱ উত্থাপন কৰিছে তাত মই সমর্থন জনাই চৰকাৰে আমি উনুকিয়াই দিয়া কথা বিলাক গুৰুত্বসহকাৰে ল'বলৈ অনুৰোধ জনাই সামৰণি মাৰিলোঁ।

★ Speech not corrected

★ **শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই বেছি কথা নকওঁ মাত্র মাননীয় প্রদীপ হাজৰিকা ডাঙৰীয়াই তেখেতৰ বক্তৃতাত অসমৰ যি এখন ধুনীয়া মানচিত্র উৎখাপন কৰিলে তাৰ লগতে মই মাথো দুটা কথা উনুকিয়াব খুজিছো। আমাৰ মাজুলী আৰু মাতমৰা অঞ্চলৰ মানুহৰ সংস্থাপনৰ ক্ষেত্রত মই বিৰোধী দলৰ দলপতি হিচাপে যেতিয়া এই দুখন ঠাই ভ্রমণ কৰিবলৈ গৈছিলো তেতিয়া মাননীয় মুখ্যমন্ত্রী মহোদয়ে মাজুলীৰ উন্নয়ণৰ কাৰণে ১০০ কোটি টকা দিয়া হব বুলি ঘোষণা কৰিছিল। এতিয়া আমি জানিব বিচাৰিছোঁ এই ১০০ কোটি টকাটো দিয়া হলনে নাই? যদি ইতিমধ্যে দিয়া হৈছে তেন্তে মাজুলীৰ কোন শিতানত কি কি আঁচনিৰ অধীনত দিয়া হৈছে? মাজুলীত মঠাউৰিৰ ওপৰৰ পৰা বহু ভিতৰলৈকে মানুহ বসবাস কৰি আছে বহু বছৰ ধৰি। এই মানুহ খিনিক পুনৰ সংস্থাপন দিব বুলি মুখ্য মন্ত্রী মহোদয়ে দুবাৰকৈ প্রতিশ্রুতি দিছিল। ১০ হাজাৰ টকাকৈ প্রতিটো পৰিয়ালক টকা দিয়া হব বুলি কৈছিল। কিন্তু মাজুলী আৰু মাতমৰাৰ ক্ষতিগ্রস্ত মানুহখিনিয়ে বহু দিনলৈকে এই টকা পোৱা নাছিল। এতিয়া এই ১০ হাজাৰ টকাটো পালেনে নাই আমি মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো? দ্বিতীয় কথাটো হল, পুনৰ সংস্থাপনৰ নামত মাতমৰা মঠাউৰিত থকা মানুহখিনিক যিখিনি মানুহৰ মাটি গৰাখহনীয়াই কাহানিবাই লৈ গল আৰু বাকী যি খিনি মাটি আছে সেই খিনি মাটিৰ কৰাণে চৰকাৰে পট্টা দিয়াৰ নামত কিবা বুজাই আছে নাজানো। এই মানুহখিনিয়ে কিন্তু খাজনা দি আছে বছৰি। খাজানা আদায় দিলে বিকল্প মাটি পাব বুলি তেওঁলোকক বুজাই আছে। মই এজন বিষয়াক তাতে শুধিছিলো এই ব্রহ্মপুত্রই খহাই লৈ যোৱা মাটিৰ মানুহ বিলাকক বিকল্প কি ব্যৱস্থা কৰা হব। বিষয়াজনে কলে যে এইটো আচলতে খাজনা নহয় ভালকৈ চালে আপুনি দেখিব ওপৰৰফালে বেদজ বুলি লিখা আছে খাজানাৰ ৰছিদখনৰ ওপৰত। মই সুধিলোঁ এই বেদজ কি? তেওঁ কলে যে বেদখল জৰিমনা। মানুহখিনিক বেদখল কৰি থকাৰ কাৰনেহে খাজনা লৈ ৰছিদ দিছে। মানুহ বিলাকে কিন্তু মাটিৰ খাজনা দিয়া বুলি ভাবি আছে। এইটো কি কাৰণে এনেকৈ

মানুহবিলাকক নিচুকাইছে নাজানো। কিন্তু আমি জানিব বিচাৰিছো এই ক্ষেত্ৰত চৰকাৰে কিবা স্থায়ী ব্যৱস্থা লবনে নাই? মন্ত্ৰী মহোদয়ে এই বিষয়ে আমাক জনাবলৈ অনুৰোধ কৰিলো।

শ্ৰী দ্ৰুপদ বৰগোঁহাই ঃ মাননীয়া উপাধ্যক্ষা মহোদায়া, ইতিমধ্যে আজি ৰিলিফ এণ্ড ৰিহেবিলিটেচন বিভাগটোৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰা হৈছে তাক সমৰ্থন কৰি মই কব খুজিছো যে যোৱা সময় চোৱাত এই বিভাগটোৰ যি বিলাক কাম কাজ হৈছে এই কাম কাজ বিলাকৰ ওপৰত আলোচনা কৰিবৰ কাৰনেই এই কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে। ইতিমধ্যে মাননীয় বিধায়ক প্ৰদীপ হাজৰিকাই আৰু বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কেইটামান বিশেষ কথা সদনত উৎথাপন কৰিছে আৰু হাজৰিকা দেৱে বিভাগটোৰ ওপৰত এটা বহল ব্যাখ্যাও দাঙি ধৰিছে। আচলতে আমি ৰিলিফ দিব লগীয়া হৈছে কিয়? আৰু পুণৰ সংস্থাপনৰ কাম আমি কৰিব লগীয়া হৈছে কিয়? আমাৰ ৰাজ্যখন ৰিলিফ দিবলগীয়া আৰু পুনৰ সংস্থাপন কৰিবলগীয়া অৱস্থা সৃষ্টি হৈছে কিয়? স্বাভাৱিকতে এই বিভাগটো আছে যেতিয়া যথেষ্ট টকা ইয়াত খৰছ কৰিবলগীয়া হৈছে। কিন্তু আমি সমস্যা বিলাকৰ যদি প্ৰকৃত সমাধান কৰিব পাৰিলোহেতেন, তেনেহলে এই ৰিলিফ ৰিহেবিলিটেচনৰ বিভাগ এটাৰ প্ৰয়োজনেই নহ'লহেতেন। ইতিমধ্যে সদনত উৎথাপিত হৈছে যে অসমত ভয়াবহ বানপানী হয়। ব্ৰহ্মপুত্ৰ আমাৰ ৰাজ্যখনৰ কাৰনে আজি চকুলো হৈছে কিন্তু আমাৰ কাৰনে ব্ৰহ্মপুত্ৰ আনন্দৰ কাৰন হলহেতেন যদি সমস্যা বিলাক যথাসময়ত সমাধান কৰিলেহেঁতেন।

মাননীয়া উপাধ্যক্ষা মহোদয়া, ব্ৰহ্মপুত্ৰ নদীখন যদি সঠিকভাৱে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰিলেহেঁতেন তেতিয়াহলে আজি ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা সমস্যা বিলাক উৎথাপিত নহ'লহেতেন। ব্ৰহ্মপুত্ৰৰ সমস্যা সমাধাম হোৱাহেতেন বানপানী আৰু গড়াখহনীয়াৰ নিচিনা সমস্যা সৃষ্টি নহ'লহেতেন আৰু তেতিয়াহলে ৰিলিফ দিয়াৰ ব্যৱস্থাও নালাগিলহেতেন। এই ক্ষেত্ৰত অসম চৰকাৰে যি ধৰণে গুৰুত্ব দিব লাগিছিল ঠিক সেই ধৰণে গুৰুত্ব দিয়া নাই। আৰু এনেকৈ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰে। ১৯৮০ চনৰ সময়তে

ব্রহ্মপুত্র নিয়ন্ত্রন কৰাৰ কাৰনে ব্যৱস্থা কৰা হৈছিল। কেন্দ্রীয় চৰকাৰেও ব্রহ্মপুত্র বোর্ড গঠন কৰিছিল। কিন্তু আজি ব্রহ্মপুত্র বোর্ডৰ এনে এটা অৱস্থা পাইছেগৈ যে ই এটা বগা হাতীত পৰিণত হৈছে। ব্রহ্মপুত্র বোর্ড গঠণ হোৱাৰ পিচতো ব্রহ্মপুত্র নিয়ন্ত্রণ ব্যৱস্থা নহ'ল। ব্রহ্মপুত্র নিয়ন্ত্রন কৰিব নোৱাৰা কাৰণে স্বাভাবিকতে হাজাৰ হাজাৰ মানুহ বানপানীৰ কবলত পৰিবলগীয়া হৈছে। আৰু সেই মানুহখিনি অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈছে আৰু ৰিলিফ দিবলগীয়া হৈছে। চৰকাৰে তেওঁলোকক সংস্থাপন দিব পাৰিলে নে নাই ৰিলিফ দিব পাৰিলে নে নাই সেই কথাও বিচার্য্যৰ বিষয়। চৰকাৰে সম্পূর্ণৰূপে ৰিলিফ দিবপৰা নাই আৰু চৰকাৰৰ ঘৰত সঠিক হিচাবো নাই। যিবিলাক ৰিলিফ বা পুণৰসংস্থাপন দিব লাগে সেই মানুহখিনিৰ নামো চৰকাৰৰ ঘৰত নাই। যাৰ কাৰনে স্বাভাৱিকতে পাবলগীয়া মানুহখিনিয়ে ৰিলিফ নাপায় আৰু নাপাবলীগয়া মানুহখিনিয়ে ৰিলিফ পাইছে। ইও এক প্রকাৰ দুনীতি। ইতিমধ্যে মাননীয় সদস্য শ্রীপ্রদীপ হাজৰিকা ডাঙৰীয়াইও কৈছে নাগালেণ্ড বোর্ডাৰত যিবিলাক মানুহক পুনৰসংস্থাপিত কৰা হ'ল তেওঁলোকক মাটি দিয়া হৈছে যদিও আজিলৈ মাটিৰ পট্টা দিয়া হোৱা নাই। গতিকে প্রশ্ন হ'ল সেই সকলক সঠিক ভাৱে পুৰ্ণসংস্থাপন কৰা হ'লনে ? এই ক্ষেত্রত চৰকাৰে সঠিক উত্তৰ দিব পৰা নাই। সেই কাৰণে ৰিলিফ আৰু ৰিহেবিলিটেশ্যনৰ দুটা কাৰণে বেচি প্রয়োজন হৈছে। এটা হৈছে প্রাকৃতিক দুর্য্যোগ। প্রাকৃতিক দুর্য্যোগ হৈছে বানপানী, গড়াখহনীয়া, সময়ে সময়ে খৰাং বতৰ আৰু ধুমুহা। আনহাতে হাতী আৰু মানুহৰ মাজত সংঘাট হৈছে। হাতী অহাৰ প্রধান কাৰণ হৈছে হাতীৰ কাৰণে হাবি নোহোৱা হৈছে। হাতীয়ে খাদ্য বিচাৰি মানুহে বসবাস কৰা ঠাইলৈ আহিবলগীয়া হৈছে আৰু তাৰ ফলত মানুহৰ ঘৰ-দুৱাৰ উচ্চন্ন হৈছে। তাৰ কাৰনে চৰকাৰে সেই মানুহ খিনিক সাহার্য্য দিয়াৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। এনেকৈ ক্ষতিগ্রস্ত মানুহৰ হিচাব চৰকাৰে নাজানে। সেই কাৰণে ৰিলিফৰ ব্যৱস্থা ঠিকমতে হোৱা নাই। দ্বিতীয়টো গোষ্ঠী সংঘর্ষ। উপাধ্যক্ষা মহোদয়া, আনহাতে জনগোষ্ঠীয় সংঘর্ষৰ ফলত হাজাৰ হাজাৰ মানুহ ক্ষতিগ্রস্ত হৈ ৰিলিফ কেম্পত থাকিবলগীয়া হৈছে।

কোকৰাঝাৰ আদি কৰি বিভিন্ন ঠাইত। যোৱা বছৰো দৰং আৰু ওদালগুৰি অঞ্চলত ৰিলিফ কেম্পত থাকিবলগীয়া হৈছে। তেওঁলোকক যি ধৰণে সাহায্য দিব লাগিছিল আৰু তেওঁলোকক ঘৰলৈ ঘুৰাই পঠোৱাৰ ব্যৱস্থা কৰিব লাগিছিল সেই ক্ষেত্ৰত চৰকাৰ বহু পৰিমানে বিফল হৈছে। ৰিহেবিলিটেচনৰ ক্ষেত্ৰতো চৰকাৰ ব্যৰ্থ হৈছে। সেই কাৰনে ৰিলিফ আৰু ৰিহোবিলিটেচনৰ ক্ষেত্ৰত যি কোটি কোটি টকা ধাৰ্য্য কৰা হৈছে সেই টকাখিনি ঠিকমতে ব্যৱহাৰ হৈছে নে নাই সেইটো চাবলগীয়া হৈছে। আৰু চৰকাৰে ধাৰ্য্য কৰা টকা ঠিকমতে ব্যৱহাৰ কৰাৰ কাৰণে চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো আৰু চৰকাৰক আহ্বান জনাইছো ৰিলিফ আৰু ৰিহেবিলিটেচনৰ ব্যৱস্থা কৰিবলৈ। অসমখন যিহেতু বানপানী আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ কবলত সেই কাৰণে ৰিলিফ আৰু ৰিহেবিলিটেচন সঠিক ভাবে কৰাৰ কাৰনে আহ্বান জনাই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীৰাজীৱ লোচন পেগু ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, ৰিলিফ আৰু ৰিহেবিলিটেচনৰ ওপৰত যি আলোচনা হৈ আছে সেই আলোচনাত ভাগ লৈ মাননীয় সদস্য শ্ৰীপ্ৰদীপ হাজৰিকা, শ্ৰীদ্রুপদ ৰবগোহাঁই যি বক্তব্য ৰাখিছে তাৰ পৰা তেখেতসকলে বিৰোধিতা কৰাটো প্ৰকাশ পাইছে। বৰ্ত্তমান সাহায্য আৰু পুনৰসংস্থাপন যে যথেষ্ঠ হোৱা নাই সেই কথা তেওঁলোকৰ বক্তব্যত প্ৰকাশ পাইছে। ৰিলিফ আৰু ৰিহেবিলিটেচনক দুটা ভাগত ভাগ কৰিব পৰা যায়। এটা মানৱ সৃষ্ট দুৰ্য্যোগ তাৰ কাৰণে পুনৰসংস্থাপনৰ ব্যৱস্থা কৰি থকা হৈছে। আৰু আনটো প্ৰাকৃতিক দুৰ্য্যোগ কাৰণে পুনৰসংস্থাপনৰ ব্যৱস্থা। মানৱ সৃষ্ট দুৰ্য্যোগ বাদ দি প্ৰাকৃতিক দুৰ্য্যোগে আটাইতকৈ ডাঙৰ সমস্যা। এই দুৰ্য্যোগৰ ফলত অসমৰ বহুত মানুহ ভূমিহীন আৰু গৃহহীন হৈছে গড়াখহনীয়াৰ ফলত ব্ৰহ্মপুত্ৰ ভেলীত বহুটো মানুহ গৃহহীন হৈছে। নদী দ্বীপ মাজুলীত বহুটো সৰু ডাঙৰ নদী আছে। এই নদী বিলাকৰো মাজুলীত গড়াখহনীয়া হৈছে।

মাননীয় উপাধ্যক্ষা মহোদয়া, এটা জলন্ত সমস্যা বনৰীয়া হাতী

আৰু মানুহৰ মাজত সংঘর্ষ। বানপানীৰ সমস্যা আছেই বানপানীৰ গৰাহত গড়াখহনীয়া হৈ গৃহহীন হোৱাৰ উপৰিও হাজাৰ মানুহ হাতীৰ আক্রমণৰ ফলত গৃহহীন হৈ আছে। এই গৃহহীন লোক সকলৰ পুণৰ সংস্থাপনৰ ব্যৱস্থা লব লাগে। আমাৰ নদী হিচাপে মাজুলী, সোৱাণশিৰি, ৰঙানদী আদিৰ দ্বাৰা আৰু গড়াখহনীয়াত ক্ষতিগ্রস্ত হৈছে। এই মানুহ খিনিয়ে ৰাস্তাৰ কাষত বসবাস কৰি আছে। এই মানুহখিনিৰ পুণৰ সংস্থাপনৰ ব্যৱস্থা হব লাগে। বিৰোধী দলপতি ডাঙৰীয়াই কৈছে যে যিবিলাক মানুহ আলিবাটত বাস কৰি আছে, সেই বিলাকৰ সংস্থাপন হ'ব লাগে। আমাৰ মাননীয় সদস্য দ্রুপদ বুঢ়াগোহাঁই ডাঙৰীয়াই কৈছে যে চৰকাৰে যি মাটি লৈছে সেই মাটিত চৰকাৰে এই সমস্যা সমাধান কৰিব নোৱাৰে। একবিঘা মাটিত এজন মানুহ পুণৰ সংস্থাপন নহয়, সেয়েহে মাজুলিৰ মানুহ খিনি পুণৰ মাজুলিলৈ ঘুৰি গৈছে। চৰকাৰে ইন্দিৰা আবাস যোজনাৰ দ্বাৰা পুণৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিছে। চৰ-চাপৰিত যি সকল মানুহে বাস কৰি আছে, সেই সকলৰ পুণৰ সংস্থাপন কৰিব লাগে। এক বিধা মাটিত এই মানুখিনিৰ পুণৰ সংস্থাপন হ'ব নোৱাৰে, তেওঁলোকৰ কাৰণে ওখ ওখ ভেটি কৰি বনাই অর্থনৈতিক ভাবে সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। দুহেজাৰ টকা পুণৰ সংস্থাপনৰ কাৰণে যথেষ্ট নহয়। এতিয়া আমাৰ অসমৰ মানুহ খিনি আর্থিক ভাবে জুৰুলা। ৩০ বছৰ আগতে অসমত অসমীয়া লেবাৰ নাছিল তেতিয়া বাহিৰৰ মানুহে মাটি কাটিবলৈ আহিছিল। এতিয়া বানীপানী বা খহনীয়াৰ ফলত ক্ষতিগ্রস্ত হোৱা মানুহ খিনিৰে এটা লেবাৰ ক্লাচ সৃষ্টি হৈছে। তেওঁলোকৰ কাৰণে এটা নতুন নীতি কৰিব লাগে। তেওঁলোকৰ দুহেজাৰ টকাৰে পুণৰ সংস্থাপন নহয়। যি ব্যৱস্থা কৰা হৈছে সেই নীতি সংশোধন কৰিব লাগে। দুহেজাৰ টকাৰে যিখিনি পুণৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু ১০ হাজাৰ টকাৰে পুণৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে এইটো সংশোধন কৰিব লাগে। বনৰীয়া হাতী খেদাৰ ব্যৱস্থা কৰিব লাগে। আজি কালি আহু খেতি কৰিলে, এই বিলাক ওলাবৰ সময়ত হাতীয়ে খাই শেষ কৰে। গতিকে সেই লোক সকলক সাহার্য্য দিয়াৰ কোনো ব্যৱস্থা নাই। দুখীয়া মানুহৰ কাৰণে এক হাজাৰ বা দহ হাজাৰ টকা একো নহয়, তেওঁলোকৰ জীৱিকা

নির্ব্বাহৰ কাৰণে একো উপায় নোহোৱা হৈছে। গতিকে চৰকাৰে পুণৰ ভাৰি চাবলগীয়া হ'ল। একবিঘা মাটিত আত্ম সংস্থাপন কৰি জীয়াই থকাৰ সময় পাৰ হৈ গ'ল। মাননীয় সদস্য সকলে দেখিছে যে মৰিগাৰঁ মানুহ খিনিয়ে মঠাউৰীৰ ওপৰত সৰহ দিন কাটিব লগা হয়। এই গৃহহীন লোক সকলক চৰকাৰে নাতি নিয়মৰ মাজেদি ৰাখিব লাগিব। উপাধ্যক্ষা মহোদয়াৰ যোগেদি মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰি নতুন নীতি লৈ ৰিহাবিলেষ্যনৰ কাৰণে যিটো ধার্য্য কৰা হৈছে সেইটো যথেষ্ঠ নহয়। মানুহ খিনিক পুণৰ সংস্থাপনৰ কৰিবৰ কাৰণে অনুৰোধ কৰি মই কর্ত্তন প্রস্তাৱটো বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰণী মাৰিলো।

শ্রীউদ্ধৱ বর্মন ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, কর্ত্তন প্রস্তাৱ সম্পর্কত মই ২-১ টা কথা কব বিচাৰিছো। সাহার্য্য আৰু পুনৰস্থাপন বিভাগটো এটা গুৰুত্বপূর্ণ বিভাগ। আমাৰ যিটো ডিমাণ্ড সেইটো হৈছে দৰং আৰু ওডালগুৰি জিলাত গোষ্ঠী সংঘর্ষ হৈছে, ২ নংত আমাৰ অসমত গুৱাহাটী, বৰপেটা ৰোড, কোকৰাঝাৰ, বঙ্গাইগাৱঁত ৩০ অক্টোৱৰত বোমা বিস্ফোৰণত বহুতো লোকৰ ঘৰবাৰী, সা-সম্পত্তি বিধস্ত হৈছিল। বহুতো লোক হতাহত আৰু নিহত হৈছিল। এই বিলাক ঠাইত অবর্ণনীয় পৰিবেশ সৃষ্টি হৈছিল। এই বিলাকৰ সাহাযার্থে ৫ (পাঁচ) কোটি টকা দিয়া হৈছে আৰু ৩ (তিনি) কোটি টকা অফিচ এক্সপেনডিচাৰ হিচাপে দিয়া হৈছে। মই ভাবো এই ৮ (আঠ) কোটি টকা যথেষ্ট নহয় আৰু ৫ কোটি টকাও যথেষ্ট নহয়। প্রকৃতি আৰু মানৰ সমাজৰ বাবেই সমাজত দুর্য্যোগ সৃষ্টি হৈছে। প্রাকৃতিক দুর্যোগকে আদি কৰি বিভিন্ন ধৰণৰ সংঘর্ষত বহুতো লোক আহত আৰু নিহত হৈ বহুতৰ সংসাৰ শেষ হৈ গৈছে। আমাৰ অসমত বহুতো শিক্ষিত ল'ৰা - ছোৱালী আছে। তেওঁলোকৰ কর্ম সংস্থাপনৰ সুবিধা নাই। বহুতে দোকান পোহাৰ দি জিৰীকা নির্বাহ কৰি আছে। কিছুমান শিক্ষিত নিবনুৱা যুৱকে কম্পিউটাৰ ট্রেইনিংৰ ব্যৱসায় কৰি আছে। বোমা বিস্ফোৰণত বৰপেটা ৰোডত বহুতো লোক আহত নিহত হ'ল। বহুতো যুৱকৰ দোকান-পোহাৰৰ বিস্তৰ ক্ষতি হ'ল। বোমা বিস্ফোৰণত ক্ষতি হোৱা সৰু-সুৰা দোকান দি ব্যৱসায় কৰা

লোক সকলক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। উত্তৰ কাছাৰ, কাৰ্বিং আংলং আদি অঞ্চল বিলাকত উগ্রপন্থীয়ে বহুতৰে ঘৰ-দুৱাৰ জ্বলাই দিছে। বহুতো লোক আহত আৰু নিহত হৈছে। সেই সকলক সাহায্য আৰু পুণৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। উত্তৰ কাছাৰত হৈ থকা গোষ্ঠী সংঘর্ষৰ ফলত জিমী নগা আৰু ডিমাচা সকলৰ বহুতো অনিষ্ট হৈছে। বহুতো পৰিয়াল সর্বশ্রান্ত হৈছে। তেওঁলোকৰ কাৰণে চিন্তা কৰা প্রয়োজন।

প্রতিবছৰে আমাৰ ৰাজ্যত বানপানী, গড়াখহনীয়াই বহুতো লোকৰ মাটি ভেটি, ঘৰ-দুৱাৰ উটুৱাই নিছে। গৃহহীন হোৱা লোকসকল মথাউৰিত আশ্রয় লবলগীয়া হৈছে। বিশেষকৈ মোৰ সমষ্টিৰ কথা কৈছো ২০০৪ আৰু ২০০৭ চনত বেঁকী নৈ বানৰ ফলত যি সকল লোকৰ ক্ষতি হৈছে সেই সকলে ক্ষতি পুৰণ পোৱা নাই। তেওঁলোকৰ খেতিৰ মাটি বালিত গোট গৈছে, যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ আছে। অনাহাৰ-অর্দ্ধাহাৰত দিন কটাইছে। উঠি অহা ল'ৰা-ছোৱালী বিলাকে শিক্ষা লাভ কৰি কর্ম সংস্থান নাপায়। অসমৰ বিভিন্ন ঠাইৰ পৰা আহি গুৱাহাটীত কর্ম সংস্থাপন বিচাৰিছে। ইয়াতো নাপাই হাইদৰাবাদ, মুম্বাই আদিলৈ গৈছে। শিক্ষা লাভ কৰাৰ পিছত তেওঁলোকে ইয়াত কর্ম সংস্থাপন নাপাই বাহিৰলৈ যাব লগীয়া হৈছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, পাঠশালা অঞ্চললৈ যদি যায় তাত দেখিব বান্দৰৰ উৎপাতত থাকিব নোৱাৰি। ইয়াৰোপৰি প্রাকৃতিক দুর্য্যোগত যিটো অৱস্থাৰ সৃষ্টি হৈছে, বোমা বিস্ফোৰণ, গোষ্ঠীগত সংঘর্ষত যিটো ক্ষতি হৈছে তেওঁলোকক পুণঃ সংস্থাপন দিব লাগে এটা কথা আছে, প্রিভেনচন ইজ বেটাৰ দেন কিউৰ। চিকিৎসাৰ আগতেই প্রতিষেধক ব্যৱস্থা হৈছে উত্তম। আমাৰ সমাজত প্রকৃতি আৰু মানুহেই দুর্যোগ সৃষ্টি কৰি আহিছে। মানুহে সৃষ্টি কৰা গোষ্ঠী সংঘাত উগ্রবাদী হত্যা আদিৰ বিৰুদ্ধে জনমত গঠন কৰাৰ কাৰণে চেষ্টা কৰিব লাগে। অসমৰ বানপানীয়ে গৰাখহনীয়া সৃষ্টি কৰি মানুহৰ অৱস্থা নোহোৱা কৰে। এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ গাইড লাইন সহায়ক নহব পাৰে। অসমৰ বানপানী গৰাখহনীয়াৰ

সমস্যা বেলেগ ধৰনৰ। এইবিলাক কাৰণত অসমৰ বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰনে গাইড লাইন প্ৰস্তুত কৰা দৰকাৰ। বানপানী, গৰাখহনীয়া, মঠাউৰি আদিবোৰৰ ক্ষেত্ৰত আগতিয়াকৈ ব্যৱস্থা লব লাগে আৰু ক্ষতিগ্ৰস্ত লোক সকলক সময়মতে সংস্থাপন নিদিলে পিচত নতুন বিপদ মাতি অনা হয়। এই সময়চোৱাত্ত-বেকী নৈৰ অবতৰীয়া বানে সৰভোগ সমষ্টিত বিস্তৰ ক্ষতি কৰে। দলং আদিত হোৱা ক্ষয়-ক্ষতিৰ ফলত যোগাযোগ ব্যৱস্থাও ব্যাহত হয়। ভুটানৰ পৰা অস্বাভাবিক পৰিমানৰ পানী এৰি দিয়াৰ ফলত এই বানপানী হয়। এই সম্পৰ্কত চৰকাৰেও ভুটান চৰকাৰৰ লগত আলোচনা কৰাৰ প্ৰয়োজন আছে। বেকীৰ বান আৰু গৰাখহনীয়াই বৰপেটা আৰু বাকসা জিলাৰ ব্যাপক ক্ষতি কৰি আহিছে।

শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত মই দুষাৰ কব বিচাৰিছো। গোষ্ঠীগত সংঘৰ্ষ, বোমা বিস্ফোৰণত আহত, নিহত হোৱা লোক সকলক সহায় আৰু পুণৰ সংস্থাপনৰ কাৰণে চৰকাৰী মাটি প্ৰয়োজন হৈছে। কিন্তু আমি কৰ্ত্তন প্ৰস্তাৱৰ বিৰুদ্ধে উল্লেখ কৰিব বিচাৰিছো। মাননীয় বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কৈছে অসমৰ বিভিন্ন পৰিস্থিতিৰ ফলত যেনে বানপানী, গড়াখহনীয়া, ভূমি স্খলন আদি সকলো কথা ইয়াত উল্লেখ কৰিছে মাননীয় সদস্য সকল লগ হৈ সৰ্ব্বদলীয় প্ৰতিনিধি দল এটা গৈছিলো তেতিয়া আমি দেখিবলৈ পাইছিলো যে আমাৰ ব্যাপক ক্ষতি হৈছে। হেজাৰ হেজাৰ মানুহ গৃহ হীন হৈ মথাউৰিৰ ওপৰত আশ্ৰয় লৈ আছে তেওঁলোকে একো সাহায্য পোৱা নাই।

মাননীয় উপাধ্যক্ষা মহোদয়া, আজি ৰিলিফ এণ্ড ৰিহেবিলিটেশ্বন বিভাগে ইমান টকা খৰছ কৰিব নালাগিলহেঁতেন যদিহে চৰকাৰে ইয়াৰ বাবে আগতীয়াকৈ ব্যৱস্থা ললেহেঁতেন। আজি বৰপেটা, কোকৰাঝাৰত যি বোমা বিস্ফোৰণ হৈছে তাৰ পৰাই চৰকাৰে এটা শিক্ষা লব পাৰিলেহেঁতেন যাতে ভবিষ্যতে তেনেকুৱা ঘটনাৰ আৰু পুনৰাবৃত্তি নহয়। যিবিলাক জিলাত বোমা বিস্ফোৰণ, গোষ্ঠীগত সংঘৰ্ষ হৈছে সেই বিলাকত চাৰ্কোল অফিচাৰ বা তাৰ কৰ্ম্মচাৰীয়ে চাব লাগে। কিন্তু তেওঁলোকে জৰীপ আদিকে ধৰি

বিভিন্ন কাম কৰিবলগীয়া হোৱা হেতুকে সময় নাপায়। সেয়েহে চৰকাৰে পুনৰ সংস্থাপন আৰু সাহায্য আদি দিয়াৰ বাবে যদি জিলাৰ উপায়ুক্ত বা চাৰ্কোল অফিচত এই বিভাগৰ এটা চেল গঠন কৰা হয় তেতিয়াহলে কামখিনি কৰাত সহায় হব। বহুত সময়ত আমি দেখিবলৈ পাইছো যে কিছুমান মানুহৰ ঘৰ জ্বলি যোৱাৰ পিছত জিলাৰ উপায়ুক্তই সেই জ্বলি যোৱা মানুহক মাত্ৰ পাচশ টকাহে দিব পাৰে। ইয়াৰ কাৰণ হৈছে বিভাগে আজি বহু বছৰ ধৰি যিটো লিমিট কৰি থৈছিল সেইটো এতিয়াও চেঞ্জ কৰা হোৱা নাই। গতিকে এই লিমিট চেঞ্জ কৰাৰ বাবে মই চৰকাৰক অনুৰোধ জনালো। যেতিয়াই কোনো মানুহৰ ঘৰ জ্বলি যায় তেতিয়াই চাৰ্কোল অফিচাৰ নিজে গৈ চাই আহি মানুহঘৰে যাতে সোনকালে সাহায্য আৰু পুনৰ সংস্থাপন পাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ চাৰ্কোল অফিচত বা উপায়ুক্তৰ অফিচত সাহায্য আৰু পুনৰসংস্থাপনৰ বাবে কাম কৰাৰ বাবে বেলেগ ষ্টাফ থাকে। কিন্তু জিলা সমূহত এই বিভাগৰ কোনো চেল নথকাত ৰিপোৰ্ট আদি অহাত যথেষ্ট দেৰি হোৱাৰ বাবে মানুহে সাহায্য বা পূণৰ সংস্থাপন নাপায়। মাননীয়া উপাধ্যক্ষা মহোদয়া, এইখিনিতে মই মোৰ কৰিমগঞ্জ সমষ্টিৰ কথা এটা কবলৈ বিচাৰিছো। ২০০৭ চনত কৰিমগঞ্জত এটা ৰৰ ডাঙৰ ধুমুহা হৈছিল। আৰু সেই ধুমুহাত দুই ঘৰ মানুহ ক্ষতিগ্রস্ত হৈছিল। কিন্তু এই ক্ষতিগ্রস্থ হোৱা লোক সকলে আজিও সাহায্য ও পুনৰসংস্থাপন পোৱা নাই। টকা কোনে বিতৰণ কৰিব এই লৈ দেৰি হৈ আছে। এই বিষয়ে মই নিজে উপায়ুক্ত আৰু চাৰ্কোল আফিচাৰক জনাইছো, বিভাগতো জনাইছো। কিন্তু ৰিপোৰ্ট অহা দেৰি হোৱা বাবে ক্ষতিপূৰণ পোৱা নাই। ইয়াৰোপৰি, উপায়ুক্ত সকলৰ এই ক্ষেত্রত যিখিনি পাৰাৰ যেনে ফুল ডেমেজ হলে ৬ হাজাৰ টকা আৰু পাৰচিয়েল ডেমেজ হলে ডেৰ হাজাৰ টকা দিয়াৰ যি পাৰাৰ আছে সেইখিনি চেঞ্জ কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ ফুল ডেমেজ হলে ৬ হাজাৰ টকা কোনো লিমিট হব নোৱাৰে। সেয়েহে মই উপায়ুক্ত সকলৰ বৰ্ত্তমান যিটো পাৰাৰ আছে সেইটো চেঞ্জ কৰাৰ ব্যৱস্থা লব লাগে। দ্বিতীয়তে জিলা সমূহত এই বিভাগৰ

এটা চেল বনোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু ক্ষতিগ্ৰস্থ লোক সকলে যাতে সোনকালে সাহায্য ও পুনৰ সংস্থাপন পাব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া শ্ৰীকমল সিং নাৰ্জাৰী।

শ্ৰীকমল সিং নাৰ্জাৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, "সামাজিক নিৰাপত্তা আৰু কল্যাণ (সাহায্য আৰু পুণঃ সংস্থাপন)" শিতানত মাননীয় মন্ত্ৰী মহোদয়ে যি ৮ কোটি টকা মঞ্জুৰী দাবী কৰিছে তাৰ সমৰ্থনত মই কেইটামান কথা কব বিচাৰিছো। কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি কব খুজিছো যে যোৱা বছৰ ৩০ অক্টোৱৰত হোৱা চিৰিয়েল ৰাষ্ট আৰু দবং আৰু ওডালগুৰিত হোৱা গোষ্ঠীগত সংঘৰ্ষৰ ফলত যি স্থাবৰ আস্থাবৰ সম্পত্তি ক্ষতি হ'ল তাৰ বাবে সাহায্য বিচৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীউদ্ধৱ বৰ্মন ডাঙৰীয়াই এই কথাটো স্পষ্টভাৱে কৈছে যে "প্ৰিভেনশ্যন ইজ বেটাৰ দেন কিউৰ" বুলি তেখেতে কৈছে। আজি আমাৰ উত্তৰ-পূৰ্বাঞ্চলত যি বোৰ গোষ্ঠী সংঘৰ্ষ চলি আছে। চিৰিয়েল ৰাষ্ট হৈ আছে, তাৰ প্ৰাৰিপ্ৰেক্ষিতত আমাৰ মানৱ সম্পদৰ লগতে বহুতো স্থাৱৰ-অস্থাৱৰ সম্পত্তি নষ্ট হৈছে। মই আমাৰ মাননীয় সদনৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে চৰকাৰে এইবোৰৰ কাৰক উলিয়াওঁক। কাৰক সমূহ ভালকৈ ষ্টাডি কৰাৰ দৰকাৰ। তাৰ পিচত আমি কেনেকুৱা ধৰণে পদক্ষেপ লব পাৰো সেইটো পৰীক্ষা কৰি চাব লাগে। মাননীয়া উপাধ্যক্ষা মহোদয়া, যোৱা ২০০৫ চনৰ গোষ্ঠী সংঘৰ্ষত ক্ষতিগ্ৰস্থ লোক সকলক কাৰ্বি আংলং জিলাত পুনৰ সংস্থাপনৰ কাৰণে মাত্ৰ ১০,০০০ টকাকৈ দিছে। আজিৰ এই জুই চাই দামৰ দিনত এই টকাটো যথেষ্ট নহয়। ঠিক তেনেকৈ বঙ্গাইগাওঁ আৰু কোকৰাঝাৰ জিলাত গোষ্ঠী সংঘৰ্ষৰ সময়ত ক্ষতিগ্ৰস্থ পাৰিয়াল সমূহক পুনৰ সংস্থাপনৰ কাৰণে ১০,০০০ কৈ টকা দিয়ে। সেই খিনি যথেষ্ট নোহোৱাৰ কাৰণে বিলিফ কেম্পত থকা ক্ষতিগ্ৰস্থ পাৰিয়াল সমূহে কেম্প এৰি যাব বিচৰা নাছিল। সেই মানুহখিনিৰ পুনৰ সংস্থাপনৰ কাৰণে মাননীয় ডাঃ ভূমিধৰ বৰ্মন ডাঙৰীয়াৰ নেতৃত্বত এখন কমিটি গঠন কৰা হৈছে।

মাননীয় দিশলৈ দৃষ্টি ৰাখি বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰিলে ভাল হয়। মাননীয়া উপাধ্যক্ষা মহোদয়া, বানপানীত ক্ষতিগ্রস্থ হোৱা বিশেষকৈ আজি মাজুলি, লক্ষীমপুৰ আৰু ধেমাজীৰ কথা বাৰে বাৰে সদনত উৎথাপন হৈ আহিছে। মজুলীক আমি ঐতিহ্যপূর্ণ নদী দ্বীপ বুলি কওঁ। আজি ব্রহ্মপুত্র বোর্ড বগা হাতীত পৰিণত হৈছে। এই খিনিতে মই এটি সমাধান সূত্র দিব বিচাৰিছো। অসম চৰকাৰৰ সাহার্য্য আৰু পুণৰ সংস্থাপন বিভাগ, জলসম্পদ বিভাগ আৰু পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগ এই তিনিটা বিভাগ একেলগে Co-ordinating আঁচনি প্রস্তুত কৰি নদী-দ্বীপ মাজুলী, ধেমাজী, লক্ষীমপুৰত হোৱা বানপানীৰ ক্ষয় ক্ষতি আৰু -গড়াখহনীয়া ৰোধ কৰিব পাৰিব। গতিকে এই দিশত চিন্তা কৰা যায়। মাননীয়া উপাধ্যক্ষা মহোদয়া, ২০০৩ চনতে হোৱা বি. টি.চি.ৰ চুক্তিৰ মর্ম্মে সাহায্য আৰু পুণৰসংস্থাপন বিভাগ বিটিচি চৰকাৰক হস্তান্তৰ কৰিব লাগিছিল। কিন্তু কি কাৰণত আজিলৈকে তেওঁলোকে এই বিভাগটো বি,টি,চিক হস্তান্তৰ কৰা নাই সেই কথাটো মই বুজি নাপালো। সেই টকাটো বিটিচি লৈ হস্তান্তৰ কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা লবলৈ মই আজি সদনৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। কাৰণ বিভাগীয় হস্তান্তৰ নোহোৱাৰ ফলত বি,টি,চি, চৰকাৰে বানপানী, গোষ্ঠীসংঘর্ষ আদিত ক্ষতিগ্রস্ত পৰিয়ালক সদিচ্ছা থাকিলেও ব্যৱস্থা লব পৰা নাই। এই ক্ষেত্রত চৰকাৰ দৃঢ় পদক্ষেপ মই এই পবিত্র সদনৰ জৰিয়তে আশা কৰিছো।

হাফিজ বছিৰ আহমেদ কাছিমী ঃ মাননীয়া উপধ্যক্ষা মহোদয়া, আজিৰ সদনত যি কর্তন প্রস্তাব উত্থাপন হৈছে তাৰ সমর্থনত মই দু-আষাৰ ক'ব বিচাৰিছোঁ। সাহার্য আৰু পুনৰ সংস্থাপন বিভাগত বিভিন্ন আঁচনি আৰু পৰিকল্পনা লোৱা পৰিলক্ষিত হৈছে। দুর্যোগ দুবিধ - এবিধ মানুহে সৃষ্টি কৰা, যেনে ঃ গোষ্ঠীগত- সাম্প্রদায়িক সংঘর্ষ আদি, আৰু আন এবিধ প্রাকৃতিক দুর্যোগ, যেনে ঃ বান, গৰাখহনীয়া, ঘূর্ণীবতাহ আদি। যদিও চৰকাৰে বিভিন্ন আঁচনি লৈছে ; কিন্তু মেন মেক কেলামিটী'য়েও (মানৱসৃষ্ট দুর্যোগ) হওক বা ' নেচাৰেল কেলামিটী'য়েও (প্রাকৃতিক দুর্যোগ) হওক, সময়ত উপযুক্ত

বাস্তৱধর্মী ব্যৱস্থা নোলোৱাৰ বাবে সফলতা লাভ কৰিব পৰা হোৱা নাই। এই বিভাগটো থকাৰ পিছতো আৰু কোটি কোটি টকা ব্যয় কৰা স্বত্বেও সমস্যা কিন্তু সমাধান হোৱা নাই, বৃদ্ধিহে হৈছে। যেনেদৰে মূৱৰ বিষ হলে টেবলেট এটা খালে সাময়িক সকাহ পোৱা যায়, অলপ কমিব পাৰে; কিন্তু ই নিৰাময় নহয়, তদ্ৰূপ ৰিলিফ (সাহায্য) যোগে দুর্যোগগ্রস্ত মানুহক সকাহ দিয়াৰ পিছত যদি সর্বহাৰাসকলক পুনৰ সংস্থাপিত কৰা নহয় তেন্তে ই সমস্যা হৈয়ে থাকে। বিগত দিনত চৰকাৰে সাময়িক ৰিলিফ দিছে যদিও পুনৰ সংস্থাপনৰ কাম পৰিকল্পিতভাৱে নোহোৱাত সমস্যা পুঞ্জীভূত হৈয়ে থাকে।

মাননীয়া উপধ্যক্ষা মহোদয়া, বান-গৰাখহনীয়া অসমৰ ডাঙৰ সমস্যা। ব্রহ্মপুত্র, বৰাক আৰু ইয়াৰ উপ-নৈসমূহৰ বান-গৰাখহনীয়াৰ দ্বাৰা শ শ গাঁও আক্রান্ত হৈছে, লাখ লাখ মানুহ বাস্তুহাৰা হৈছে। কিন্তু আচৰিত কথা চৰকাৰৰ হাতত ইয়াৰ সঠিত তথ্য নাই। মই নিজে বিধান সভাত দুবছৰ আগতে অসমৰ কোন কোন জিলাৰ কিমানখন গাঁও গৰাখহনীয়াৰ বলি হৈছে, কিমান মানুহ বাস্তুহাৰা হৈছে তাৰ তথ্য বিচাৰত চৰকাৰে গোৱালপাৰা জিলাৰ তথ্য দিব পৰা নাছিল। অথচ গোৱালপাৰাৰ জলেশ্বৰ, চুনাৰী অঞ্চলত প্রতিবছৰে গাঁওৰ পিছত গাঁও গৰাখহনীয়াৰ বলি হৈছে। সেইদৰে মাননীয় সদস্য শ্রীযুত উদ্ধৱ বর্মনদেৱেও যোৱা অধিবেশনত এই ধৰণৰ এটি প্রশ্ন উত্থাপন কৰিছিল। চৰকাৰে অসমৰ ২২খন জিলাত ৪ লাখতকৈ অধিক ভূমিহীন মানুহ থকা বুলি কৈছিল; কিন্তু ৫খন জিলাৰ তথ্য দিব পৰা নাছিল। ই অত্যন্ত দুর্ভাগ্যজনক।

মাননীয়া উপাধ্যক্ষা মহাশয়া, তথ্যৰ ভিত্তিতহে পৰিকল্পনা আৰু আঁচনি যুগুত কৰা হয়। সঠিক তথ্য নহ'লে পৰিকল্পনা সঠিক হ'ব নোৱাৰে। তথ্যৰ ভিত্তিত পৰিকল্পনা নোহোৱাৰ কাৰণে সফলতা লাভ কৰিব পৰা নাই।

উপাধ্যক্ষা মহোদয়া, আজি ৰিলিফ কেম্পত থকা মানুহবোৰ, গৰাখহনীয়া তথা প্রাকৃতিক আৰু মানৱসৃষ্ট দুর্যোগ আদিৰ বলি মানুহবোৰক

পুনৰ সংস্থাপনৰ ক্ষেত্ৰত চৰকাৰে ইতিবাচক ভূমিকা নোলোৱাৰ বাবে এই সমস্যা বাঢ়ি গৈছে। আনকি বহু ক্ষেত্ৰত মানৱাধিকাৰ লংঘন হোৱাৰ নজিৰ আছে। এই ৰাস্তুহাৰা মানুহবোৰক সময়ত পুনৰ সংস্থাপিত নকৰাৰ ফলত বিদেশী সমসস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত যথেষ্ট জটিলতাৰ সৃষ্টি হৈছে। কাৰণ ৰাস্তুহাৰা মানুহবোৰে জীৱিকাৰ অন্বেষণত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ লগতে ভাৰতৰ আন আন ৰাজ্যলৈ যাবলৈ বাধ্য হৈছে আৰু এই লোকসকলে বিভিন্ন ঠাইত বিদেশী/ বাংলাদেশীৰ নামত হাৰাশাস্তি আৰু অপমানিত-অত্যাচাৰিত হোৱাটো এটা নিত্য নৈমিত্তিক ঘটনাত পৰিনত হৈছে। এইবোৰ লোকক আজি অৰুণাচল, মিজোৰাম, নাগালেণ্ড আদিত বিদেশীৰ নামত উলিয়াই দিয়া হৈ আছে। অসমৰ বিভিন্ন ঠাইত তেওঁলোকে সপৰিয়ালে বিভিন্ন পথ তথা নৈৰ পাৰত অস্থায়ীভাৱে আশ্রয় লৈ কাম-কাজ কৰিবলৈ বাধ্য হৈছে। মই নিজেও যোৰহাট-শিৱসাগৰ জিলাৰ কিছুমান ঠাইত নামনি অসমৰ গৰাখহনীয়াৰ বুলি লোকসকলে গৈ কল'নি পাতি আশ্রয় লোৱা দৃশ্য প্রত্যক্ষ কৰিছোঁ —যি সম্পর্কে আমাৰ মাননীয় সদস্য শ্রীযুত প্রদীপ হাজৰিকাদেৱে উল্লেখ কৰিছে। আমাৰ গাঁৱৰ আলিৰ কাষতো যদি ৫০ঘৰ অচিনাকী মানুহ আহি অস্থায়ীভাৱে কল'নি পাতি থাকিব বিচাৰে তেন্তে আমি গাঁওবাসীয়েও নিশ্চয় মানি নলও। এইটো সর্বজন বিদিত।

উপাধ্যক্ষা মহোদয়া, আজি চৰকাৰৰ হাতত ত্রাণ আৰু পুনৰ সংস্থাপন শিতানত পাঁচশ কোটিৰো অধিক টকা জমা থকা বুলি কোৱা হৈছে। কিন্তু চৰকাৰে পুনৰ সংস্থাপনৰ ক্ষেত্ৰত কিয় ইতিবাচক পদক্ষেপ ল'ব পৰা নাই? আজি ৰৰপেটা-বঙাইগাঁও-কোক্ৰাঝাৰ আদি ঠাইত বছৰৰ পিছত বছৰ ধৰি হাজাৰ হাজাৰ মানুহ জীৱ-জন্তুৰ দৰে জীৱন নিৰ্বাহ কৰি আছে। এই মানুখিনিৰ মানৱাধিকাৰ লংঘনৰ উপৰি শিশুসকলেও নুন্যতম অধিকাৰৰ পৰা বঞ্চিত হোৱা বুলি বিভিন্ন মানৱতাবাদী সংগঠনে কৈ আহিছে। তাত মানুহে কঁচু, কলৰ মূঢ়া খাই জীৱন নির্বাহ কৰিবলৈ বাধ্য হৈছে। এইবোৰ কথা আজি বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি বিশ্বৰ সকলো ক্ষেত্রলৈ বিয়পি পৰিছে। আজি ইন্টাৰনেটৰ যুগ, বিশ্বৰ যিকোনো ক্ষেত্রৰ পৰা বুটাম টিপি এই খবৰবোৰ বিশ্ব সম্প্রদায়ে চাব পাৰে। এই খবৰবোৰে, এই দৃশ্যবোৰে

বিশ্বদৰবাৰত অসমৰ সন্মান লাঘৱ কাৰ নাই নে?

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই মানুহবোৰক পুনৰ সংস্থাপিত কৰাৰ বাবে বিভিন্ন সময়ত ভিভিন্ন ধৰণৰ ছাব-কমিটি আদিও গঠন কৰা হৈছে; কিন্তু আজিলৈকে সুফল পোৱা নহ'ল। মাননীয় সদস্য শ্রীযুত কমলা বসুমতাৰীয়ে কোৱাৰ দৰে কেৱল দহ হেজাৰ টকাৰে এটা পৰিয়াল পুনৰ সংস্থাপিত হ'ব নোৱাৰে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, মই বাজেট বক্তৃতাত অংশগ্রহণ কৰি ক'ব বিচাৰিছোঁ যে এই দীর্ঘদিনৰ পৰা পুঞ্জীভূত সমস্যাবোৰ সমাধানৰ বাবে চৰকাৰে পৰিকল্পিত ব্যৱস্থা গ্রহণ কৰিব লাগে, এয়া মোৰ অনুৰোধ। কার্বি আংলং, এন চি হিলচ্-ত আজি ৰিলিফ দিয়াৰ কথা উত্থাপন হৈছে। তেওঁলোকেও আজি পর্যাপ্ত পৰিমাণে পাবলগীয়া সাহায্য পোৱা নাই, মানুহ হিচাপে জীয়াই থকাৰ ন্যুনতম বয়বস্তুবোৰ তেওঁলোকেও পাব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, দৰং-ওদালগুৰিত হোৱা গোষ্ঠীগত দাঙ্গাক চৰকাৰে তিনিদিন পিছতহে নিয়ন্ত্রণ কৰিব পাৰিছে। প্রথম দিনাই উপযুক্ত পদক্ষেপ ল'লে এই ভয়াৱহ সমস্যা ইমান ব্যপ্ত নহ'লহেতেন। তথাপি চৰকাৰে তিনিদিনৰ ভিতৰত পৰিস্থিতি নিয়ন্ত্রণ কাৰৰ বাবে আৰু উপযুক্ত পদক্ষেপ লোৱাৰ বাবে আজি প্রায়খিনি মানুহ নিজ নিজ স্থানলৈ ঘূৰি গৈছে যদিও এতিয়াও প্রায় ৫৫টা মুছলিম আৰু ১০০টা বড়ো পৰিয়াল নিজৰ স্থানলৈ ঘূৰি যাব পৰা নাই। চৰকাৰে বাৰে বাৰে আশ্বাস আৰু প্রতিশ্রুতি দিয়াৰ পিছতো সমস্যা কিন্তু সমস্যা হৈয়ে আছে। আচলতে এই সমস্যাবোৰ সমাধানৰ বাবে কোনো কার্যকৰী পদক্ষেপ গ্রহণ কৰা নাই। যোৱা বিধানসভাৰ বাজেট অধিৱেশনত বিভাগীয় মন্ত্রী মহোদয়ে এই পবিত্র সদনৰ মজিয়াত আশ্বাস দিছিল যে চলিত বছৰতে চৰকাৰে কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিব যাতে পৰৱর্তী অধিৱেশনত এক কথা পুনৰ উত্থাপন নহয়। তেখেত এজন জেষ্ঠ্য মন্ত্রী হিচাপে মই তেখেতক সন্মান কৰোঁ। মই তেখেতৰ পৰা জানিব বিচাৰিছোঁ যে কি কাৰণত এই পৱিত্র সদনৰ মজিয়াত দিয়া প্রতিশ্রুতি তেখেতে ৰক্ষা কৰিব নোৱাৰিলে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ ধুবুৰী জিলাৰ প্ৰতি কৰা বৈষম্যৰ বিষয়ে মাননীয় সদস্য মহিবুল হক চাহাবে যিবোৰ কথা উত্থাপন কৰিছে তাৰ লগত ময়ো ক'ব বিচাৰিছো মোৰ সমষ্টিত জহৰমূৰা, খুদনামাৰী, বাৰনটাৰী, ভেলাকুবা, ঘুণীমাৰী আদি ঠাইত যোৱা কেইবা বছৰৰ পৰা খহনীয়া হৈ আছে। ইয়াৰ প্ৰতিবোধৰ বাবে চি আৰ এফ (CRF) শিতানত বিভাগীয় কৰ্তৃপক্ষলৈ আঁচনিও প্ৰেৰণ কৰা হৈছে। এই সম্পৰ্কে সংশ্লিষ্ট বিষয়াক মই কেইবাবাৰো ফোন তথা ব্যক্তিগতভাৱে সাক্ষাৎ কৰিছোঁ। কিন্তু তিনি বছৰ পাৰ হোৱাৰ পিছতো একো নহ'ল। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰো যে তেখেত এজন অভিজ্ঞ জেষ্ঠ মন্ত্ৰী, অসমৰ প্ৰতিটো প্ৰান্তসম্পৰ্কে তেওঁ অৱগত, তেখেতে যাতে বিষয়াসকলৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ নকৰি সমতাৰ দৃষ্টিৰে আঁচনিবোৰ অনুমোদন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে।

মাননীয় উপাধ্যক্ষা মহোদয়া, সম্প্ৰতি কোক্ৰাঝাৰ-বঙাইগাওঁ শিৰিৰত প্ৰায় ৬ হাজাৰ মুছলিম শৰণাৰ্থী, ১১ হাজাৰ আদিবাসী শৰণাৰ্থী পৰিয়াল আছে। আদিবাসীসকল সহজ-সৰল। চৰকাৰে প্ৰতিশ্ৰুতি মতে অনতিপলমে এওঁলোকক পুনৰ সংস্থাপিত কৰিব লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰো যে, যিসকল বানবিধ্বস্ত আৰু খহনীয়াগ্ৰস্ত, সেই পৰিয়ালবোৰক তৎকালীন সাহায্য দিয়াৰ লগতে গৰাখহনীয়াৰ বলি হোৱা প্ৰমাণ-পত্ৰ দিব লাগে। এই ধৰণৰ পৰিচয়-পত্ৰ নথকাৰ বাবে তেওঁলোকে বিভিন্ন কাম কৰিবলৈ গৈ বাংলাদেশীৰ নামত হাৰাশাস্তিৰ সন্মুখীন হয়। ভাৰত-বাংলাদেশ সীমান্তত অৱস্থিত ধুবুৰী, গোৱালপাৰা, কৰিমগঞ্জ আদি জিলাৰ মানুহৰ অৱয়ব, কৃষ্টি-সংস্কৃতি, ভাষা, পোছাক-পৰিচ্ছদ, গঢ়-গঠন আদি সীমান্তৰ সিপাৰে থকা মানুহবোৰৰ মাজত অলপো পাৰ্থক্য নাই। সেই কাৰণে এইবোৰ মানুহ অসম তথা ভাৰতৰ বিভিন্ন ঠাইলৈ জীৱিকাৰ সন্ধানত যোৱাৰ পিছত এওঁলোকে সন্দেহযুক্ত বাংলাদেশীৰ নামত হাৰাশাস্তিৰ সন্মুখীন হোৱাটো স্বাভাৱিক। তেওঁলোকৰ ওচৰত যদি পৰিচয়-

পত্র থাকিলহেতেন তেন্তে তেওঁলোকে এই সমস্যাৰ সন্মুখীন নহ'লহেতেন। সৌসিদিনা গৰাখহনীয়াগ্রস্ত প্রায় পাঁচ হেজাৰ মানুহ উত্তৰ প্রদেশৰ ফইজাবাদ জিলাত কাম কৰিবলৈ গৈ এই ধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল। আমাৰ সভাপতি বদৰুদ্দিন আজমল চাহাবলৈ এই সংবাদ অহাৰ সময়ত মই তেখেতৰ লগতে আছিলোঁ। তেখেতে এই বিষয়ে ব্যৱস্থা গ্রহণ কৰিলে আৰু কেন্দ্রীয় জমিয়ত উলামৰ হস্তাক্ষেপত সমস্যাটো সমাধান হ'ল। সেয়ে মই চৰকাৰৰ ওচৰত অনুৰোধ জনাব বিচাৰিছোঁ যে গৰাখহনীয়াৰ বলি সকলক তৎকালীনভাৱে পৰিচয়-পত্র দিয়া হওঁক। এইটো কৰিলে মই ভাবো বিদেশী বিতাৰণ প্রক্রিয়াত আমি বহুখিনি আগবাঢ়ি যাব পাৰিম।

(Hon'ble Deputy Speaker vacated the Chair and Hon'ble Speaker occupied the Chair.)

মাননীয় অধ্যক্ষ মহোদয়, সম্প্রতি ৰাৰ মাহে গৰাখহনীয়া হৈ থকা দেখা যায়। মাঘ-চ'ত মাহতো গৰাখহনীয়া হোৱাৰ উদাৰহণ আমাৰ সন্মুখত আছে। সেয়ে মই চৰকাৰৰ ওচৰত গৰাখহনীয়াগ্রস্তসকলক পৰিচয়-পত্র দিয়াৰ লগতে উপযুক্ত সময়ত গৰাখহীনীয়া প্রতিৰোধৰ বাবে পদক্ষেপ যাতে ল'ব পৰা যায় তাৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ কৰিবলৈ মই চৰকাৰক পৰামর্শ আগবঢ়লোঁ। বিধানসভাৰ বাজেট বিতর্কত অংশগ্রহণ কৰিবলৈ সুযোগ দিয়া বাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি এই কর্তন প্রস্তাৰক সমর্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য, শ্রীআব্দুল আজিজ।

★ শ্রী আব্দুল আজিজ ঃ মাননীয় অধ্যক্ষ মহোদয়, সাহার্য্য আৰু পুণৰ সংস্থাপনৰ ওপৰত বহু ধৰণৰ কথা কোৱা হৈছে। কিন্তু এই ক্ষেত্রত সঠিক ৰূপায়ন হোৱা নাই। য'ত পানী নাই সেইবোৰ ঠাইতো মাছ উৎপন্ন কৰি আছে। অথচ আমাৰ অসমত পানী আছে কিন্তু মাছ উৎপন্ন নহয়। আমি অন্ধ্রৰ পৰা মাছ আনিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, ১০ হাজাৰ টকাৰে এটা পৰিয়ালৰ একো নহয়। প্রধান মন্ত্রীৰ ফালৰ পৰা পাইছে। সেইবোৰ

★ Speech not corrected

সাম্প্রদায়িক সংঘর্ষত যিবোৰ বলি হৈছে সেই সকলক সাহার্য্য দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মানৱ সম্পদ বহুত দামি সম্পদ। আমি বিভিন্ন ধর্ম্ম গ্রন্থ পঢ়ো, বাইবেল পঢ়ো, কোৰাণ পঢ়ো, কীর্ত্তনকে আদি কৰি বিভিন্ন গ্রন্থ পঢ়ো। এই মানৱ সম্পদ আচল সম্পদ আজি বিপদাপন্ন হৈছে। স্বাধীনতাৰ পিছৰে পৰা মানুহ প্রাকৃতিক দুর্যোগৰ বলি হৈ আহিছে। ১৯৫০ চনৰ ভূমি কম্পৰ পিছত ব্রহ্মপুত্রৰ বুকু বাম হৈ পৰিছে। এই ক্ষেত্রত আমাৰ ব্রহ্মপুত্র খনন কার্য্যৰ ব্যৱস্থা হব লাগিছিল, কিন্তু ইয়াৰ কোনো ধৰণৰ ব্যৱস্থা আজিলৈকে নহল। এনেধৰণৰ কথাবোৰ বিধান সভাৰ মজিয়াতে আলোচনাৰ বিষয় হৈ থাকে। ১৯৫২ চনৰ পৰা কিমান অফিচাৰ আহিল আমাৰ ব্রহ্মপুত্রবোর্ডত, কিমান মন্ত্রী আহিল কিন্তু আজিলৈকে ব্রহ্মপুত্র খনন কার্য্যৰ কোনো ব্যৱস্থা হাতত লোৱা নহল। দেশৰ সকলো ঠাইলৈ মানুহ কাম কৰিব যাব পাৰে আমাৰ ইয়াৰ পৰাও তামিলনাড়ু আদি ঠাইলৈ কাম কৰিবলৈ যায়। যিকোনো সম্প্রদায়ৰ মানুহে ৭৫ শতাশং ৰিলিফ পাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, পিছে আজি মই আমাৰ মাননীয় ৰাজহ আৰু দুর্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্রী ডাঃ ভূমিধৰ বর্ম্মনৰ পৰা উত্তৰ পাইছো। ১৯৯৩ চনত গোষ্ঠীগত সংঘর্ষত ক্ষতিগ্রস্ত হৈ বর্ত্তমানে বঙ্গাইগাওঁ জিলাৰ শিবিৰত থকা শৰণার্থী সকলক পুণৰ সংস্থাপনৰ বাবে পৰিয়ালে প্রতি ১০,০০০/- টকাকৈ পুনৰ সংস্থাপন সাহার্য্য দিয়া হৈছিল। তদুপৰি ৯৩৪ টা পৰিয়ালক অতিৰিক্তভাৱে আৰু ১০,০০০/- টকাকৈ সংস্থাপনৰ বাবে আর্থিক সাহার্য্য দিয়া হয়। কিন্তু তেওঁলোকৰ নিজা পট্টা মাটি নথকাৰ কাৰণে পুনৰ সংস্থাপনৰ সাহার্য্য পোৱা স্বত্তেও সংস্থাপিত হোৱা নাই।

চৰকাৰে তেওঁলোকক চৰকাৰী মাটি আৱন্টন দি পুনৰ সংস্থাপন কৰাৰ পদক্ষেপ গ্রহণ কৰিছিল। কিন্তু স্থানীয় ৰাইজৰ প্রৱল বিৰোধীতাৰ বাবে আইন শৃঙ্খলা পৰিস্থিতি উদ্ভৱ হোৱাত আৰু ন্যায়ালয়ৰ পৰা স্থগিতাদেশ পোৱা বাবে সংস্থাপন কৰিব পৰা হোৱা নাই।

ওদালগুৰি জিলাত কোনো ক্ষতিগ্রস্থ পৰিয়াল বর্ত্তমান সাহার্য্য শিবিৰত নাই বুলি জিলা উপায়ুক্ত মহোদয়ে জনাইছে। গতিকে নিজ

এলেকালৈ ঘূৰি নোযোৱাৰ প্ৰশ্ন নুঠে।

এই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিলে মই সুখী হ'ম। মানুহ খিনি অকল আব্দুল আজিজৰ সমষ্টিৰ মানুহেই নহয় বিভিন্ন সমষ্টিৰ মানুহ ইয়াত আছে। প্ৰথমতে যাতে মানৱ সম্পদ গঢ়ি তোলা হয় সেই কথাটো মহাত্মা গান্ধীয়েও কৈছিল। মানৱ সম্পদ যদি গঢ়ি তুলিব পাৰিলেহেঁতেন তেতিয়াহলে এতিয়া এনেকুৱা নহল হেঁতেন। অকল ৰাজহ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্ম্মণ ডাঙৰীয়া বা মোৰ সমষ্টিতেই গড়া খহনীয়া আৰু বানপানীত লোক আক্ৰান্ত হোৱা নাই, অসমৰ বিভিন্ন ঠাইৰ বহুতো মানুহ বানপানী আৰু গড়াখহনীয়াত আক্ৰান্ত হৈছে। সেই কথাতো আজি আমি উপলব্ধি কৰিব পাৰিছো। আপোনালোকে মনত ৰাখিব ওপৰৱালাই ক্ষমতাত বহুৱাবও পাৰে আৰু ক্ষমতাৰ পৰা নমাইও নিব পাৰে। গড়া খহনীয়া আৰু বানপানী সমস্যাৰ সমাধানৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। ব্ৰহ্মপুত্ৰ নদীৰ সমস্যা সমাধান কৰাৰ কাৰণে কিবা ব্যৱস্থা আছে নেকি? বানপানী নিয়ন্ত্ৰন কৰাৰ কাৰনে বহুতো প্ৰজেক্ট আনিছে। সেই প্ৰজেক্টৰ কোনোবা এটাত ৫০০ কোটি টকা ধৰিছে যদিও তাত ২০০ কোটি টকাৰ কামো হোৱা নাই। এনকুৱাৰী কমিটি পাতি দিছে যদিও কোনো একচন নাই। এনৰেগা আঁচনিৰ কাৰণে কোটি কোটি টকা আহিছে। কিন্তু আমি যদি ফিল্ডত গৈ চাও তেতিয়াহ'লে টকা অনুপাতে কাম হোৱা আমি দেখিবলৈ নাপাও। উগ্ৰপন্থীৰ আক্ৰমণত এজন মানুহ মৰিলে চৰকাৰে ৩ লাখ টকা দিয়ে। কিন্তু গোষ্ঠী সংঘৰ্ষত এজন মানুহ মৰিলে মাত্ৰ ৩০ হাজাৰ টকাহে দিয়ে। আপোনালোকৰ চৰকাৰৰ দিনত এইটো ইনজাষ্টিছ হোৱা নাই নে? আজি উত্তৰ কাছাৰ পাহাৰ জিলত বহুত মানুহ মৰিছে। সেই এলেকা বিলাকৰ মানুহে আপোনালোককেই ভাল পায়। কিন্তু সেই বিলাক মানুহৰ কাৰণে আপোনালোকে কি কাম কৰিছে? মই গড়াখহনীয়া আৰু বানপানীত কিমান মানুহ ক্ষতিগ্ৰস্থ হৈছে আৰু মৰিছে, গোষ্ঠীগত সাম্প্ৰদায়িক সংঘৰ্ষত কিমান মানুহ ক্ষতিগ্ৰস্থ হৈছে আৰু মৰিছে আৰু উগ্ৰপন্থীৰ আক্ৰমণত আৰু কুটাঘাটমূলক কাৰ্য্যত কিমান মানুহ ক্ষতিগ্ৰস্থ

হৈছে আৰু মৰিছে সেই সংক্ৰান্তত ২০ বছৰৰ এটা খটিয়ান ডাঙি ধৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো। উগ্রপন্থীৰ আক্রমণত নিহত হোৱা কিমান জন লোকৰ পৰিয়ালে ৩ লাখ টকাকৈ পালে তাৰ খটিয়ান দিবলৈও চৰকাৰক অনুৰোধ জনাইছো। মোৰ সমষ্টিৰ এজন মানুহ মাৰিছে যদিও তেওঁৰ পৰিয়ালে আজিও পইচা পোৱা নাই। ঠিক তেনেদৰে গোৱালপাৰাত ৬ জন মানুহ মাৰিছিল কিন্তু আজিলৈকে পইচা পোৱা নাই। ষ্টাৰড্ কুৱেচন হ'লে আমি ধৰিব পাৰো। কিন্তু আনষ্টাৰড্ হ'লে আমি ধৰিব নোৱাৰো। এই বিভাগটো এটা জৰুৰী বিভাগ। আমাৰ মানুহ বিলাক কার্বিআংলং, অৰুণাচল প্রদেশ আদিলৈ কিয় গৈছে। অন্ন, বস্ত্র আৰু বাসস্থানৰ কাৰণে সেই মানুহ বিলাক তালৈ গৈছে। এই কথা বিলাক আমাৰ চৰকাৰে চিন্তা কৰি চাইছেনে। আমাৰ মানুহ বিলাকক অৰুণাচল প্রদেশত অত্যাচাৰ কৰিছিল। আমি তেতিয়া কৈছিলো সেই মানুহখিনি যদি বাংলাদেশী হয় তেতিয়াহলে সীমান্ত পাৰ কৰি পঠিয়াই দিয়া হওক আৰু যদি নহয় তেতিয়াহলে আমাৰ ৰাজ্যতেই থাকিব। সেই মানুহ বিলাকৰ প্রায় ২০০ মান মানুহ মোৰ সমষ্টিৰ আছিল। তেওঁলোক বাংলাদেশী নহয়। এতিয়া সেই মানুহখিনি আকৌ অৰুণাচললৈ গৈছে। তাত যি কোনো কাম কৰি বহুত টকা অর্জন কৰিব পাৰি। তাত এজন মেকানিকেও মাহিলী ১০/১৫ হাজাৰ অর্জন কৰিব পাৰে। বড়োলেণ্ডতো পইচা উপার্জন কাৰৰ কাৰণে মানুহ গৈছে। সেই মানুহ খিনিৰ কথা হ'ল তেওঁলোকে যি কোনো উপায়ে পইচা ইনকাম কৰিব লাগে। মোৰ সমষ্টিত ৩ জন মানুহ মৰিছে। ৩ জনকেই একেলগে জানাজা দিছে। আমাৰ মাননীয় সদস্য, গিৰীন্দ্র কুমাৰ বৰুৱাই দেখাৰ লগে লগে চকুপানী টুকিছে। মাননীয় প্রধানমন্ত্রী মনমোহন সিং ডাঙৰীয়াই সংখ্যালঘুৰ কাৰণে যথেষ্ট ধন দিছে। গতিকে এই ক্ষেত্রত তৎকালীন ব্যৱস্থা লবৰ কাৰণে অনুৰোধ জনাইছে। স্বাধীনতাৰ প্রাক্কালীন সময়ৰ পৰাই আমাৰ অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত সদভাব আছে। আজি আমাৰ মানুহ খিনি ইয়াত বসবাস কৰাৰ ১০০ বছৰ পাৰ হৈ গ'ল। আজ্রি ভাৰতবর্ষ ভাগ হৈ পাকিস্থান হ'ল। পাকিস্থান ভাগ গৈ বাংলাদেশ হ'ল। কিন্তু সমস্য বিলাক সমাধান হোৱা নাই। পাকিস্থান,

আফিগানিস্থান বা বাংলাদেশত বাস কৰা মুছলমান সকলতকৈ ভাৰতত বসবাস কৰা মুছলমান সকল শান্তিত আছে। আমাৰ মানুহখিনিয়ে নদী ভাল পায়, নদী মাতৃক মানুহ আমি। বৰাক আৰু ব্ৰহ্মপুত্ৰ পত্যকাৰ নদীৰ কাষে, কাষে আমাৰ মানুহ খিনিয়ে বসবাস কৰে। এই মানুহখিনিৰ নদীৰ লগতহে সম্বন্ধ বেছি। আমাৰ মানুহ চহৰ অঞ্চলত বেছি নাই। আজি বড়োভাই সকলে তেওঁলোকৰ অঞ্চল ভগাই নিজৰ অঞ্চল কৰি লৈছে। আমি আমাৰ কাম আমি নিজে কৰি লব লাগিব। আনে আমাৰ কাম কৰি দিব বুলি আমি সদায় ভাৰি থাকিলে নহব। ৰিলিফ এণ্ড ৰিহেবিলিটেশ্যনৰ কাৰণেই এইটো হৈছে।

(বহু কেইজন সদস্যই একেলগে কবলৈ লোৱাত ভালদৰে শুনা নাযায়)

(হাঁহিৰ ৰোল)

